# Editorial Board





A few members of Executive Body of B. Borooah College Women's Forum

ISSN : 2395-4884

# খোজ

*... A STEP*

**Volume – 7**

**Biennial Magazine of**

**B. Borooah College Women's Forum**

**Editors**

Dr. Gitanjali Das

Dr. Sumana Das

Published by

**B. Borooah College Women's Fourm**

Guwahati

# খোজ
## ... A STEP

**Volume – 7**

**Biennial Magazine of**


**B. Borooah College Women's Forum**


## Editorial Board

| | | |
|---|---|---|
| Advisors | : | Dr. Satyendra Nath Barman |
| | | Dr. Pranati Devi |
| | | Dr. Gitashree Tamuly |
| Editors | : | Dr. Gitanjali Das |
| | | Dr. Sumana Das |
| Members | : | Dr. Kalpita Buzarbaruah |
| | | Dr. Nijara Goswami |
| | | Dr. Kabita Chiring |
| | | Dr. Smritimala Sarma |


The Cover Page of this magazine is from the prize winners of Poster Making Competition.


Printed at : GRAFIX
Hedayetpur, Guwahati-781003
Phone : 8638899245, 94350-17839



# Message

I am glad to know that Women's Forum of B. Borooah College is bringing out its biennial magazine খোজ...A STEP for the session 2020-2022. The Magazine is a forum which could aptly be used for recording events, fond memories and creative writing. I am sure that this magazine will be informative and resourceful.

I convey my best wishes to all the noble endeavors of the forum and hope the খোজ...A STEP will be immensely beneficial to all concerned.

Date : 1st March, 2023

**(Dr. Satyendra Nath Barman)**
Principal
B. Borooah College
Guwahati-781007

# Editorial

*খোজ ...A STEP is a biennial magazine of B.Borooah college Women's Forum. It aims to aid the distribution and exchange of feminist ideas in the multidisciplinary perspective. The purpose of the magazine is to establish a feminist forum for discussion and debate. The magazine seeks to present and re-conceptualize existing knowledge, to examine and re-evaluate the manner in which the thinkers and researchers present their thoughts to assess the implications these have for women's lives.*

*The term Feminism and Feminist entered the English language in the1890s at the time of women's emancipation movement. Feminism is the ideology or theoretical commitment to the women's liberation movements. Feminist theory and ideology is marked by intense internal debates and is generally accepted as plural thought rather than one single idea. As it is understood that theory is nothing but a systematic and analytic approach to everyday experience. All research operates on theories, though most of them are implicit. We screen out certain things; we allow others to affect us; we make choices and we don't always understand why. Implicit theory-making includes our assumptions about the way the world works. Theories on feminist ideologies make us conscious, and enable us to use them more efficiently in our day to day life. Like all other theories, feminist theories are varied and diverse. All analyse women's experiences of gender subordination, the roots of women's oppression, how gender inequality is perpetuated, and offer differing remedies for gender inequality.*

*Gender equality is not only a fundamental human right, but a necessary foundation for a peaceful, prosperous and sustainable world. There has been progress over the last decades, but the world is not on track to achieve gender equality by 2030. Globally, no country has fully attained gender equality. Scandinavian*

*countries like Iceland, Norway, Finland, and Sweden lead the world in their progress toward closing the gender gap. In these countries, there is relatively equitable distribution of available income, resources, and opportunities for men and women. The greatest gender gaps are identified primarily in the Middle East, Africa, and South Asia. However, a number of countries in these regions, including Lesotho, South Africa, and Sri Lanka outrank the United States in gender equality.*

*However, feminism and gender studies are vast area of study and there are innumerous scopes of writings on these issues. We are indeed very happy that* খোঁজ ...A STEP *has been trying its best to uphold various writings on women issues. The editors would like to acknowledge the help of all the people involved in publication of this issue of* খোঁজ ...A STEP *First, the editors would like to thank each one of the authors for their contributions. We offer our heartfelt thanks to all the members of editorial board. Our sincere gratitude goes to the advisors of BBCWF for their valuable suggestion and encouragement. We are grateful to the press and all other persons who are involved in assisting in the entire process. We also beg apology for any kind of mistake made in the process of editing the magazine.*

**Dr. Gitanjali Das**
**Dr. Sumana Das**
*Editors*



# আন্তৰ্জাতিক নাৰী দিৱস ২০২৩

## বিষয়বস্তুঃ ডিজিটঅলঃ লিংগ সমতাৰ বাবে উদ্ভাৱন আৰু প্ৰযুক্তি

## (DigitALL : Innovation and Technology for Gender Equality)

প্ৰতি বছৰে ৮ মাৰ্চত বিশ্বজুৰি উদ্‌যাপন কৰা 'নাৰী দিৱস' মহিলাসকলে তেওঁলোকৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক মৰ্যাদাৰ হকে কৰি অহা সুদীৰ্ঘ সংগ্ৰামৰ স্বীকৃতিৰ প্ৰতীক। কৃষিভিত্তিক সমাজৰ পৰা মধ্যযুগীয় সামন্তবাদীয় সমাজৰ মাজেৰে আহি আমি উপস্থিত হৈছোঁ বৰ্তমানৰ তথ্য প্ৰযুক্তিৰ যুগৰ দ্বিতীয়টো স্তৰত। এই সুদীৰ্ঘ যাত্ৰাকালত লিংগ ভিত্তিক বিভাজনে সৃষ্টি কৰা বৈষম্যৰ বিৰুদ্ধে নাৰীয়ে কৰি আহিছে অধিকাৰ আৰু মৰ্যাদা প্ৰতিষ্ঠাৰ সংগ্ৰাম। এই সংগ্ৰামৰ ইতিহাসৰ সৈতে জড়িত হৈ আছে বিশ্ব নাৰী দিৱস উদ্‌যাপনৰ আঁৰৰ কথা।

১৯১১ চনত প্ৰথমবাৰলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত নাৰী দিৱস উদ্‌যাপন কৰা হৈছিল। ১৯৭৫ চনত ৰাষ্ট্ৰ সংঘই ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰি ১৯৭৫ চনটো নাৰী বৰ্ষ হিচাপে ঘোষণা কৰিছিল। ১৯৯৬ চনৰে পৰা ৰাষ্ট্ৰ সংঘই প্ৰতিটো বছৰত নাৰী দিৱসৰ বাবে একো একোটা বিষয়বস্তু (Theam) নিৰ্ধাৰণ কৰি নাৰীৰ অধিকাৰ, লিংগভিত্তিক সমতা স্থাপন, নাৰী সৱলীকৰণৰ আদি লক্ষ্য আগত ৰাখি আগবাঢ়ি যাবলৈ প্ৰচাৰ চলাই অহাৰ লগতে বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰি আহিছে। ১৯৯৬ চনৰ পৰা বিভিন্ন সময়ত গ্ৰহণ কৰা তেনে কেইটামান বিষয়বস্তু হ'ল অতীত উদ্‌যাপন আৰু ভৱিষ্যৎ পৰিকল্পনা (Celebrating the Past, Planning for the Future), লিংগ সমতা আৰু সহস্ৰাব্দ উন্নয়ন লক্ষ্যমাত্ৰা (Gender Equality and the Millennium Development Goals), লিংগ সমতাৰ মাধ্যমত নিৰাপদ ভৱিষ্যৎ (Gender

Equality Beyond 2005, Building a More Secure Future), নাৰী আৰু কিশোৰীৰ প্ৰতি হিংসাৰ বিৰুদ্ধে ঐক্যৱদ্ধ নাৰী পুৰুষ (Women and Men United to End Violence Against Women and Girls), নাৰীৰ সমান অধিকাৰ সকলোৰে অগ্ৰগতিৰ নিশ্চয়তা (Equality for Women is Progress for All) আদি। ২০২৩ বৰ্ষৰ বাবে গ্ৰহণ কৰা বিষয়বস্তু হ'ল- "ডিজিটঅলঃ লিংগ সমতাৰ বাবে উদ্ভাৱন আৰু প্ৰযুক্তি" (DigitALL: Innovation and Technology for Gender Equality) । এই বছৰৰ বিষয়বস্তুৰ মূল লক্ষ্য হ'ল ডিজিটেল বৈষম্যই সমাজত মহিলাসকলৰ সামাজিক অৱস্থানক কেনেদৰে প্ৰভাৱিত কৰে তাক অন্বেষণ কৰা। আন্তৰ্জাতিক নাৰী দিৱসত ডিজিটেল প্ৰযুক্তি সম্পৰ্কীয় বিষয়বস্তু গ্ৰহণৰ জৰিয়তে মহিলাসকলৰ বাবে ডিজিটেল শিক্ষাৰ গুৰুত্ব আৰু ডিজিটেল উদ্ভাৱনত মহিলাৰ অৱদানৰ, ডিজিটেল স্থানত নাৰীৰ সুৰক্ষা সুৰক্ষিত কৰা, ডিজিটেল আৰু সকলো ধৰণৰ অনলাইন আৰু যোগাযোগ মাধ্যমত লিংগভিত্তিক হিংসাৰ কথা মনত ৰাখি যিকোনো কাৰ্যসূচীৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

বৰ্তমানৰ পৃথিৱীখন দ্বিতীয়টো ডিজিটেল বিপ্লৱৰ দিশে আগবাঢ়িছে। কিন্তু, এতিয়াও নাৰীসকল পুৰুষৰ সমানে তথ্য-প্ৰযুক্তিৰ দিশত সমানে আগবাঢ়িব পৰা নাই বা তথ্য প্ৰযুক্তিৰ ক্ষেত্ৰখনৰ সৈতে অভ্যস্ত নহয়। সেয়েহে ডিজিটেল মাধ্যমত নাৰী পুৰুষতকৈ অধিক হিংসাৰ বলি হ'বলগীয়া হয়। গতিকে এই নতুন যুগত প্ৰৱেশ কৰাৰ মুহূৰ্তত আমি নিশ্চিত কৰিব লাগিব যে পুৰুষৰ সমানে নাৰীয়েও তথ্য প্ৰযুক্তিৰ শিক্ষাৰে শিক্ষিত হৈ এই বিকাশৰ সমান অংশীদাৰ হ'ব পাৰে।

# সূচীপত্ৰ


- 'পেটেন্ট'ৰ কথা ঃ ইক'ফেমিনিজমৰ প্ৰবক্তা বন্দনা শিৱাৰ দৃষ্টিৰে ঃ ড° গীতাশ্ৰী তামুলী 9
- আঁউসী ঃ ড° হোমেশ্বৰ কাকতি 15
- মনোমোহা হাফলং চাই আহিলোঁ ঃ ড° নিজৰা গোস্বামী 20
- ভাৰতবৰ্ষৰ মহিলা গণিতজ্ঞ : এটি আলোচনা ঃ ড° অঞ্জনা ভট্টাচাৰ্য 25
- Women Empowerment through the Lenses of G20 Summit ঃ Dr. Madhusmita Devi 29
- Delightsome Dirang ঃ Dr. Kabita Chiring 32
- Removal of Two Fourth Walls in Pirandelio's *Six Characters in Search of an Author - A Comedy in Making* ঃ Swarnali Roy 36
- এক অনাকাংক্ষিত যাত্ৰাৰ অন্তত ঃ ড° অনু ৰাণী দেৱী 39
- সংস্কাৰ ঃ স্মৃতিমালা শৰ্মা 47
- যাদুকৰী পেঞ্চিলডাল ঃ মূল ঃ পাওলো কোয়েলহো, ভাবানুবাদ ঃ নিজৰা কোঁচ 50
- প্ৰাণী বিজ্ঞান বিভাগ আৰু ভৱিষ্যত সম্ভাৱনা ঃ ড° তৰালি কলিতা 51
- Reconstructing Sita in Chitra Banerjee Divakaruni's *The Forest of Enchantments* - A Search for Selfhood ঃ Meghali Gogoi 55
- Are Women Exceptionally Delicate? ঃ Roboni Khawbung 61
- Female Infanticide: An analysis in India ঃ Bithika Ray 64
- পেহী ঃ ড° দেৱীকা ফুকন 67
- গোস্বামী তুলসীদাসৰ 'ৰামচৰিতমানস'ত নাৰী চিত্ৰণ ঃ ড° উন্মেষা কোঁৱৰ 71
- শিশুৰ বৌদ্ধিক বিকাশত নিচুকণি গীতৰ ভূমিকা ঃ ড° উৎপলা দাস 74
- পোছাক আৰু বিতৰ্ক ঃ ড° জ্যোৎস্না টকবিপি 78
- শামুক বোটলা সদ্যস্নাতা ঃ জিন্টু হাজৰিকা 80
- অৰ্দ্ধআকাশ ঃ সূৰ্য্যকমল বৰা 81
- নাৰী আৰু সামাজিক সমস্যা ঃ বনশ্ৰী শৰ্মা 82
- My Mother's Replica ঃ Krishnakhi Bhagabati 85
- Can Women in India Hope? ঃ Shalini Barman 86
- Report of the General Secretary B. Borooah College Women's Forum (2021-2023) 89

# 'পেটেন্ট'ৰ কথা ঃ ইক'ফেমিনিজমৰ প্ৰবক্তা বন্দনা শিৱাৰ দৃষ্টিৰে

**গীতাশ্ৰী তামুলী**
সহযোগী অধ্যাপক
অসমীয়া বিভাগ, বি. বৰুৱা কলেজ

(ডঃ বন্দনা শিৱা এগৰাকী বিশ্বখ্যাত পৰিৱেশবিদ আৰু সক্ৰিয় পৰিৱেশকৰ্মী। বিজ্ঞান, প্ৰযুক্তি আৰু পৰিৱেশ সম্পৰ্কীয় গৱেষণা প্ৰতিষ্ঠানৰ ডাইৰেক্টৰ শিৱাই থলুৱা বীজৰ সংৰক্ষণৰ বাবে 'নৱদান্য' নামেৰে এক আন্দোলন গঢ়ি তুলিছিল। The Ecologist কাকতৰ সহযোগী সম্পাদক শিৱাই ১৯৯৩ চনত বিকল্প ন'বেল পুৰস্কাৰৰূপে খ্যাত Right Livelihood Award লাভ কৰে। Monocultures of the Mind, The Violence of the Green Revolution, Staying Alive আদি শিৱাৰ বহুপঠিত গ্ৰন্থ। পৰিৱেশৰ লগত নাৰীৰ সম্পৰ্কত তত্ত্বায়ন কৰা বন্দনা শিৱাৰ নাম 'ইক'ফেমিনিজম্' নামেৰে জনাজাত নাৰীবাদৰ লগত ঘনিষ্ঠভাৱে জড়িত। শিৱাৰ Patents: Myths & Reality নামৰ গ্ৰন্থৰ আধাৰত এই লেখাটো যুগুত কৰা হৈছে। গ্ৰন্থখনত শিৱাই লিখিছে, "পৰিৱেশ আৰু সমতাৰ প্ৰতি থকা মোৰ দায়বদ্ধতাই পেটেন্ট্ আইনত মনোনিৱেশ কৰাৰ কাৰণ।" গ্ৰন্থখন পেংগুইনৰ দ্বাৰা ২০০১ চনত প্ৰথম প্ৰকাশিত হয়।)

এসময়ত 'পেটেণ্ট' বুলিলে বুজাইছিল 'লেটাৰ্ছ পেটেণ্ট'। লেটিন ভাষাত 'পেটেণ্ট' শব্দৰ অৰ্থ খোলা বা মুকলি। লেটাৰ্ছ পেটেণ্টে বুজাইছিল খোলা চিঠি। এনেবোৰ 'খোলা চিঠি'ৰে ইউৰোপীয় সম্ৰাটসকলে ষষ্ঠ শতিকাৰ পৰাই কোনো অধিকাৰ বা সন্মান আদি প্ৰদানৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। ইউৰোপীয় শাসকসকলে তেওঁলোকৰ হৈ কোনো দেশ আৱিষ্কাৰ আৰু দখল কৰাৰ কথা ঘোষণা কৰিবলৈ জাৰি কৰা চৰকাৰী নথিবোৰকো কোৱা হৈছিল লেটাৰ্ছ পেটেণ্ট। খ্ৰীষ্ট'ফাৰ কলম্বাছে আমেৰিকা 'আৱিষ্কাৰ' কৰি তাৰ থলুৱা অধিবাসীসকলৰ মাটিখিনি দখল কৰিবলৈও এনে এখনি নথিকে লগত লৈ সমুদ্ৰ অভিযানৰ পাতনি মেলিছিল। বাস্তৱত কলম্বাছ গৈ আমেৰিকাত উপস্থিত হোৱাৰ পূৰ্বেই সাতবাৰকৈ উল্লিখিত 'discover' আৰু 'conquer' শব্দৰে নথিখনত আমেৰিকাৰ সকলো দ্বীপ আৰু মূলভূমিত সম্ৰাটৰ কৰ্তৃত্বৰ কথা ঘোষণা কৰা হৈছিল। পৰিহাসৰ কথাটো হ'ল, কলম্বাছ যিহেতু ভাৰত অভিযানতহে ওলাইছিল, গতিকে তেওঁৰ হাতত থকা যিখন নথিৰে আমেৰিকা দখল কৰা হৈছিল, সেইখন প্ৰকৃততে ভাৰতভূমি দখলৰেই এখনি সম্ভাব্য দস্তাবেজ আছিল।

এছিয়া, আফ্ৰিকা, আমেৰিকা আদি মহাদেশৰ এই দেশবোৰত যদিওবা বহু পূৰ্বৰ পৰা মানুহে বাস কৰি আহিছিল, ইউৰোপীয় শাসকসকলৰ চৰকাৰী নথিত সেই ঠাইবোৰক 'terra nullius' বা খালী ঠাই বুলিহে উল্লেখ কৰা হৈছিল। এইদৰে 'ডিছক'ভাৰী' বা আৱিষ্কাৰৰ এটি পুৰাকথা সৃষ্টি কৰি ইউৰোপে ঔপনিৱেশিক সাম্ৰাজ্য বিস্তাৰ কৰিছিল। অৰ্থাৎ, আজিৰ পেটেণ্ট আৰম্ভণিৰ পৰাই আছিল ঔপনিৱেশিকতাবাদৰ হাথিয়াৰ। ৰেনেছাঁ যুগৰ ইটালীত নতুনকৈ উদ্ভাৱিত জ্ঞান আৰু প্ৰযুক্তিক

উৎসাহিত কৰিবলৈ পোনপ্ৰথমবাৰৰ বাবে পেটেণ্টৰ ব্যৱহাৰ কৰা হয়। ১৪৭৪ খ্ৰীঃত ভেনিছীয় ছিনেটত প্ৰথম পেটেণ্ট আইন গৃহীত হয়। সেই মতে কোনো যন্ত্ৰ প্ৰযুক্তিৰ উদ্ভাৱন কৰোঁতাজনৰ বাহিৰে আনে দহ বছৰলৈ সেই যন্ত্ৰৰ নিৰ্মাণ কৰিব নোৱাৰিব। এই আইনত উদ্ভাৱন কৰা বুলি কওঁতে ভেনিছীয় এলেকাত তেতিয়ালৈকে নজনা বা ব্যৱহাৰ নোহোৱা প্ৰযুক্তিৰ কথাকেই বুজোৱা হৈছিল। অৰ্থাৎ, আন ঠাইৰ পৰা আমদানিকৃত প্ৰযুক্তিৰ বাবেও পেটেণ্ট্ আহৰণ কৰাৰ পথ সুগম আছিল। এই আমদানি পেটেণ্টৰ সুবিধা গ্ৰহণ কৰি চতুৰ্দশ শতাব্দীত ইংলেণ্ডে ইউৰোপৰ অন্যান্য দেশৰ পৰা উচ্চ প্ৰযুক্তি জ্ঞান থকা ব্যক্তিক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। এনে একোজন পাকৈত ব্যক্তিক সাত বা চৈধ্য বছৰৰ বাবে পেটেণ্ট দিয়া হৈছিল। বিনিময়ত তেওঁ ন-শিকাৰুসকলক তেওঁৰ কাৰিকৰী কৌশলসমূহ শিকাব লাগিছিল। সাত বা চৈধ্য বছৰত এটা বা দুটা প্ৰজন্মৰ শিকাৰুৱে সম্পূৰ্ণৰূপে সেই নতুন বিদ্যা আয়ত্ত কৰি লৈছিল। ইতিমধ্যে গুৰুক দিয়া পেটেণ্টৰ কাৰ্যকাল অন্ত পৰিছিল আৰু শিকাৰুসকলে তেওঁলোকৰ বিদ্যাৰ অনুশীলন কৰিব পাৰিছিল। এইদৰে ধাৰ কৰা বিদ্যাৰে সমৃদ্ধ হৈ ইংলেণ্ড কেইটামান শতিকাৰ ভিতৰতে প্ৰযুক্তিৰ দিশৰ পৰা ইউৰোপৰ এখনি অগ্ৰগণ্য দেশত পৰিণত হয় আৰু উদ্যোগ বিপ্লৱৰ বাবে প্ৰস্তুত হৈ উঠে। ইংলেণ্ডৰ দৰে আমেৰিকাইও এটা সময়লৈকে বিদেশৰ পৰা প্ৰযুক্তি ধাৰ কৰাৰ বাবে পেটেণ্ট আইনৰ সুযোগ গ্ৰহণ কৰিছিল। আজিৰ আমেৰিকাৰ ঔদ্যোগিক শক্তিৰ ভিত্তি প্ৰতিষ্ঠা হৈছে আন দেশৰ পৰা ধাৰ কৰা প্ৰযুক্তি আৰু উৎপাদনী প্ৰক্ৰিয়াৰ ওপৰত। আমেৰিকাৰ পেটেণ্ট আইন অনুসৰি, ইউৰোপত ইতিমধ্যে ব্যৱহাৰ হৈ থকা যন্ত্ৰ এটাৰ বাবে কোনোৱে আমেৰিকাত পেটেণ্ট লাভ কৰাত বাধা নাই। লেটাৰ্ছ পেটেণ্টৰ যুগত ইমানদিনে থলুৱা অধিবাসীসকলে (যিসকলক 'ইণ্ডিয়ান' বুলি নাম দিয়া হ'ল) বাস কৰি অহা আমেৰিকাৰ মাটি আছিল খালী মাটি। ইউৰোপীয় ঔপনিৱেশিক শক্তিবোৰৰ বাবে ইউৰোপৰ বগা চামৰাৰ মানুহবোৰৰ বাহিৰে পৃথিৱীৰ বাকীবোৰ মানুহ যেন মানুহ নহয়। এজন বগা চামৰাৰ ইউৰোপীয়ই 'আৱিষ্কাৰ' নকৰালৈকে আমেৰিকা 'আৱিষ্কৃত' হোৱাই নাছিল। আমেৰিকাৰ আধুনিক পেটেণ্ট আইনেও অন্যত্ৰ ব্যৱহাৰ হৈ থকা পূৰ্ববৰ্তী জ্ঞান বা কৌশলক কোনো স্বীকৃতি দিয়া নাই। উদ্দেশ্যপ্ৰণোদিতভাৱে আমেৰিকাই 'অজ্ঞতা'কেই আৱিষ্কাৰ বুলি মানি লৈ পেটেণ্ট আইনত 'আমেৰিকাত হোৱা ব্যৱহাৰ' কথাষাৰতহে জোৰ দিছে আৰু এনেকৈয়ে আগৰে পৰা জ্ঞানৰ বাবেই একচেটিয়া স্বত্ব লাভ কৰাৰ সুৰুঙা উলিয়াই লৈছে।

প্ৰযুক্তি কৌশল আমদানি কৰাৰ বাবে পেটেণ্টৰ সুযোগ লোৱা আমেৰিকাই এক শতাব্দীৰ পাছত জ্ঞান আৰু প্ৰযুক্তিৰ চলাচলক বাধা দিয়াৰ বাবে একেই পেটেণ্ট আইনক ব্যৱহাৰ কৰাৰ প্ৰয়োজন অনুভৱ কৰিলে। ১৯৮০ৰ দশকত আমেৰিকাৰ বাণিজ্যিক ঘাটিৰ পৰিমাণ হয়গৈ ১৫০ বিলিয়ন ডলাৰ। জাপান তথা নতুনকৈ উদ্যোগীকৰণ হোৱা দেশবোৰৰ পৰা ক্ৰমাগতভাৱে বৰ্ধিত প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগা হৈছিল আমেৰিকা। এনে পৰিস্থিতিত দেশখনে জ্ঞানক সম্পদত পৰিণত কৰি পেটেণ্টৰ জৰিয়তে বিশ্ব বাণিজ্যত নিজৰ নিয়ন্ত্ৰণ বাহাল ৰখাৰ সিদ্ধান্ত ল'লে। মাটি আৰু সোণৰ দৰে জ্ঞানো হৈ পৰিল জাতীয় সম্পদ। জ্ঞানক 'বৌদ্ধিক সম্পদ' (intellectual property) বুলি উল্লেখ কৰি তাৰ ওপৰত পেটেণ্ট আৰোপ কৰা হ'ল। ১৯৪৭ খ্ৰীঃত আমেৰিকা যুক্তৰাষ্ট্ৰই ৰপ্তানি কৰা বৌদ্ধিক সম্পদৰ পৰিমাণ আছিল দেশখনৰ সৰ্বমুঠ ৰপ্তানিৰ দহ শতাংশতকৈও কম। ১৯৯৪ খ্ৰীঃত এই পৰিমাণ পঞ্চাশ শতাংশতকৈও বাঢ়িল। ৰীগান আমোলত আমেৰিকাৰ আন্তৰ্জাতিক বাণিজ্য নিগমে হিচাপ-নিকাচ কৰি দেখিলে যে বিশ্বৰ অন্যান্য দেশবোৰত আমেৰিকা সদৃশ পেটেণ্ট আইন প্ৰচলন

নথকাৰ ফলত দেশখনে প্ৰতি বছৰে ৪৩-৬১ বিলিয়ন ডলাৰকৈ হেৰুৱাই আছে। ফলত বিশ্ব বাণিজ্য সংস্থাৰ (WTO) জৰিয়তে আমেৰিকান ষ্টাইলৰ পেটেণ্ট আইনক গোলকীকৰণ কৰাৰ আয়োজন চলিল। TRIPS বা Trade Related Intel- lectual Property Rights চুক্তিৰ জৰিয়তে বিশ্বজোৰা পেটেণ্ট্ আইনৰ এটি আন্তঃগাঁথনি তৈয়াৰ কৰি দিয়া হ'ল। গেটৰ (GATT) উৰুগুৱে লানি আলোচনাত আমেৰিকাই বৌদ্ধিক সম্পদ অধিকাৰসমূহৰ (IPRs) প্ৰসংগ উত্থাপন কৰিছিল। টিপ্‌ছ পেটেণ্ট ব্যৱস্থাৰ মূল গাঁথনিটো তৈয়াৰ কৰিছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৌদ্ধিক সম্পদ সমিতি (IPC) আৰু জাপান আৰু ইউৰোপৰ উদ্যোগ সংঘসমূহে। ১৯৮৮ চনৰ জুন মাহত গেটৰ সচিবালয়ত এই নতুন পেটেণ্ট প্ৰণালীৰ বাবে যৌথ প্ৰতিবেদন দাখিল কৰা হৈছিল। ডুপণ্ট্ জেনেৰেল মটৰ্‌ছ, জনছন, জনছন এণ্ড্ জনছন আদি বিশালাকায় বহুজাতিক নিগমবোৰ আছিল আই. পি. চিৰ সদস্য। এই সময়ছোৱাতে আন এটি সুদূৰপ্ৰসাৰী ঘটনা ঘটিল। আমেৰিকাৰ সৰ্বোচ্চ ন্যায়ালয়ে জীৱৰ ওপৰত পেটেণ্টক অনুমোদন জনালে। ১৯৮৮ খ্ৰীঃৰে ১২ এপ্ৰিলত আমেৰিকাৰ পেটেণ্ট কাৰ্যালয়ে ডুপণ্ট্ কম্পেনীক এনে এটা নিগনিৰ বাবে পেটেণ্ট্ প্ৰদান কৰিলে, যিটো নিগনিৰ জিন শৃংখলাত (gene line) স্থায়ীভাৱে কেন্সাৰ সৃষ্টি কৰিব পৰা সংক্ৰমিত মানুহ বা কুকুৰাৰ জীন সংস্থাপন কৰা হৈছিল। 'Onco Mouse' ট্ৰেডমাৰ্কেৰে ডুপণ্টে বিশ্বৰ প্ৰথমটো পেটেণ্টযুক্ত প্ৰাণী বজাৰত এৰি দিলে। দৰাচলতে ডুপণ্টে লাভ কৰা পেটেণ্টৰ পৰিসৰ আছিল অত্যন্ত ব্যাপক, এই পৰিসৰত ক'ম্পেনীটোৱে কেন্সাৰ সৃষ্টি কৰিব পৰা জীন সংস্থাপন কৰা যিকোনো প্ৰজাতিৰ প্ৰাণীৰেই পেটেণ্ট স্বত্ব লাভ কৰিছিল। ১৯৯৫ খ্ৰীঃত যুক্তৰাষ্ট্ৰৰ চৰকাৰে পাপুৱা নিউগিনিয়াৰ হাগাহাই (Hagahai) জনগোষ্ঠীৰ লোকৰ পৰা সংগ্ৰহ কৰা জীন শৃংখলাৰ বাবে পেটেণ্ট লয়। Genset নামৰ এটি ফৰাচী ক'ম্পেনীয়ে চীনৰ চৰকাৰৰ লগত প্ৰাচ্যৰ জনজাতিসমূহৰ ডি এন এ (DNA) সংগ্ৰহ আৰু পেটেণ্ট লোৱাৰ বাবে চুক্তি কৰে। এনেকৈ চৰকাৰ, ক'ম্পেনী, গৱেষণা প্ৰতিষ্ঠান, বিশ্ববিদ্যালয়বোৰৰ মাজত পেটেণ্টৰ বাবে 'প্ৰাণী চিকাৰ' আৰম্ভ হয়। বিংশ শতিকাৰ শেষৰ ফালে দেখা গ'ল ঃ প্ৰাণী, উদ্ভিদ, অনুজীৱ, আনকি মানুহৰ কোষ আৰু প্ৰ'টিনৰ বাবেও পেটেণ্টত অনুমোদন দিয়া হৈছে। এনেকৈ প্ৰাণীৰ ওপৰত পেটেণ্টৰ অনুমোদন দিয়া বিষয়টো নৈতিকভাৱে যুক্তিযুক্তনে? অনাগত ভৱিষ্যতৰ নতুন প্ৰজন্মক এই পেটেণ্ট প্ৰণালীয়ে হয়তো ইয়াকে শিকাই দিব যে উদ্যোগত উৎপাদিত দ্ৰব্য এটাতকৈ জীৱনৰ কোনো উচ্চতৰ মূল্য নাই। জীৱবোৰো মূলতঃ ৰাসায়নিক নিৰ্মাণ। বাণিজ্য মূল্যই জীৱৰ একমাত্ৰ মূল্য। জন মূৰৰ অভিজ্ঞতাই ইতিমধ্যেই বিশ্ববাসীক দেখুৱাই দিলে যে এই পেটেণ্ট ব্যৱস্থাই ব্যক্তিৰ আপোন শৰীৰ আৰু জীৱনৰ ওপৰত থকা অধিকাৰ পৰ্যন্ত কাঢ়ি নিব পাৰে। ১৯৮৪ চনত কেলিফ'ৰ্ণিয়া বিশ্ববিদ্যালয় চিকিৎসালয়ত খাপৰিৰ (Spleen) কৰ্কট ৰোগৰ চিকিৎসাৰ বাবে ভৰ্তি হোৱা মূৰৰ সন্মতি অবিহনেই তেওঁৰ চিকিৎসকে মূৰৰ কোষৰ বাবে পেটেণ্ট লাভ কৰে আৰু চেণ্ড'জ নামৰ বিশালাকায় ক'ম্পেনীক তিনি বিলিয়নৰো অধিক দামত বিক্ৰী কৰি দিয়ে 'মচে'ল্ লাইন' নামেৰে খ্যাত ৪,৪৩৮,০৩২ নম্বৰৰ পেটেণ্টটো। আদালতৰ দ্বাৰস্থ হৈয়ো জন মূৰে তেওঁৰ নিজৰ শৰীৰৰ জিনীয় সম্পদখিনিৰ অধিকাৰ ঘূৰাই নাপালে। বিশ্বজোৰা প্ৰতিবাদৰ ওচৰত নত হৈ ১৯৯৬ চনত আমেৰিকাই হাগাহাই জনগোষ্ঠীৰ কোষৰ ওপৰত লাভ কৰা পেটেণ্ট প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হ'ল সঁচা, কিন্তু এইবোৰ ঘটনাই এটা কথা প্ৰতিপন্ন কৰিলে এসময়ত ঔপনিৱেশিকতাবাদে আমাৰ মাটি কাঢ়ি লৈছিল। আজি কাঢ়ি ল'বলৈ ওলাইছে আমাৰ মন আৰু শৰীৰ।

যন্ত্ৰ বা পৰমাণুৰ ওপৰত লগোৱা পেটেণ্ট ব্যৱস্থাৰ মাজতো ব্যৱসায়িক স্বাৰ্থ আৰু জনকল্যাণৰ দ্বন্দ্ব সদায় আছিল। কিন্তু শেহতীয়াকৈ জৈৱপ্ৰযুক্তিয়ে সম্ভৱপৰ কৰি তোলা জীৱৰ ওপৰত লগোৱা পেটেণ্টে এই চিৰায়ত দ্বন্দ্বৰ লগত তাতোকৈ গভীৰতৰ নৈতিক, পাৰিৱেশিক আৰু অৰ্থনৈতিক প্ৰশ্ন কিছুমান জড়িত কৰি পেলাইছে। অৰ্থনৈতিক দক্ষিণ মেৰুত বাস কৰা আমাৰ দৰে দুখীয়া দেশৰ মানুহৰ খাদ্য আৰু ঔষধৰ অধিকাৰ হেৰোৱাৰ উপক্ৰম হৈছে। ১৯৭০ চনৰ ভাৰতীয় পেটেণ্ট আইন অনুসৰি খাদ্য আৰু ঔষধক উৎপাদন পেটেণ্টৰ আওতাৰ বাহিৰত ৰখা হৈছিল। ট্ৰিপছ্ ব্যৱস্থাই ইয়াৰ অন্ত পেলালে। কৰ্প'ৰেট বিশ্বৰ আৰ্থিক লাভৰ স্বাৰ্থৰ ওচৰত বৃহত্তৰ জনগণৰ কল্যাণৰ কথাটো অপ্ৰাসংগিক হৈ পৰিল।

বৌদ্ধিক সম্পদ অধিকাৰসমূহৰ পেটেণ্টৰ জৰিয়তে উন্নয়নশীল দেশবোৰলৈ উন্নত প্ৰযুক্তিৰ প্ৰৱাহ হ'ব বুলি কোৱা হৈছিল। কিন্তু কাৰ্যতঃ ওলোটাটোহে ঘটিছে। বহুজাতিক নিগমসমূহে সৰু সৰু বিনিয়োগকাৰী বা গৱেষণা প্ৰতিষ্ঠানসমূহৰ পৰা পেটেণ্ট ক্ৰয় কৰি লৈছে। তৃতীয় বিশ্বৰ থলুৱা জনগোষ্ঠীসমূহে যুগ যুগ ধৰি ব্যৱহাৰ কৰি অহা জ্ঞান আৰু প্ৰযুক্তি চৌৰ্য বৃত্তিৰে লৈ যোৱা হৈছে, উন্নত দেশসমূহলৈ UNDPৰ এটি অধ্যয়নত কোৱা হৈছে, তৃতীয় বিশ্বৰ দেশসমূহে থলুৱাভাৱে বিকশিত বীজৰ বাবে যদি দুই শতাংশকৈও ৰয়েল্টি পালেহেঁতেন, তেন্তে ইয়াৰ পৰিমাণ ৩০০ মিলিয়ন ডলাৰ হ'লহেঁতেন। আনহাতে, আমি দুখীয়া দেশৰ মানুহবোৰে আমেৰিকাৰ দৰে ধনী দেশক পেটেণ্টৰ বাবে দিব লগা ৰয়েল্টিৰ বোজা বাঢ়ি গৈছে। লগে লগে বাঢ়ি গৈছে আমাৰ ধাৰ। ১৯৯৬ চনত আমেৰিকাই কেৱল ৰয়েল্টিৰ পৰা আয় কৰিছিল ৩০ বিলিয়ন ডলাৰ আৰু ১৯৯৫ চনত আমি অৰ্থনৈতিক দক্ষিণ মেৰুৰ মানুহবোৰে পেটেণ্টযুক্ত প্ৰযুক্তি কিনিবলৈ খৰচ কৰিছিলোঁ ১৮ বিলিয়ন ডলাৰ। আমেৰিকান ষ্টাইলৰ পেটেণ্ট্ আইনত থকা সুৰুকাৰে আমাৰ জৈৱ সম্পদসমূহ আৰু এইবোৰৰ ব্যৱহাৰ সম্পৰ্কে থকা পুৰাতন জ্ঞানকেই 'আৱিষ্কাৰ' বুলি কৈ পশ্চিমৰ ধনী দেশবোৰে এইবোৰৰ বাবে পেটেণ্ট অনুমোদন লৈ আছে। ঠিক কলম্বাছৰ লেটাৰ্ছ পেটেণ্টত থকা 'খালী মাটি'ৰ দৰেই এটি বৃহৎ ফাকিৰে আমৰ জৈৱভাণ্ডাৰ হস্তগত কৰি থকা হৈছে। এই চৌৰ্য কৰ্মক কোৱা হয় জৈৱ-লুণ্ঠন বা 'বায়'পাইৰেচি' (Bio-Piracy) বুলি। পশ্চিমীয়া বিজ্ঞানে আমাৰ পাৰম্পৰিক জ্ঞানক নিম্নখাপৰ কু-সংস্কাৰ বুলি সদায় আওকাণ কৰি আহিছে। পশ্চিমীয়া ধৰণৰ আই. পি. আৰ. প্ৰণালীতো এই পাৰম্পৰিক জ্ঞানক স্বীকৃতি দিয়াৰ কোনো ব্যৱস্থা নাই। অথচ আধুনিক চিকিৎসা পদ্ধতিত ব্যৱহাৰ হৈ থকা ভেজাল ঔষধৰ ৯৪ শতাংশতেই এটা হ'লেও এনেকুৱা উপাদান আছে, যাৰ ব্যৱহাৰ পাৰম্পৰিক চিকিৎসা পদ্ধতিত হৈ আহিছে। থলুৱা চিকিৎসা পদ্ধতিসমূহত ৭০০০ ৰো বেছি প্ৰজাতিৰ বনৌষধি আৰু ১৫০০০ বনৌষধ প্ৰস্তুত প্ৰণালীৰ ব্যৱহাৰ হৈ আহিছে। আয়ুৰ্বেদীয় প্ৰণালীত ১৪০০ আৰু য়ুনানী পদ্ধতিত ৩৪২ বিধ বনৌষধিৰ উল্লেখ আছেই। ৰাসায়নিক ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ প্ৰতি সজাগতা বাঢ়ি অহাত পশ্চিমৰ বহুজাতিক ঔষধ ক'ম্পেনীসমূহে ভাৰত আৰু চীনৰ লোকায়ত আৰু পুৰাতন চিকিৎসা পদ্ধতিৰ প্ৰতি চকু দিবলৈ ধৰে। নিউ জাৰ্চিৰ ক্ৰ'মাক্ ৰিচাৰ্চ ইঙ্ক-এ তিতা কেৰেলা আৰু জামুৰ বাবে ডায়েবেটিছৰ প্ৰতিষেধক ঔষধ হিচাপে ব্যৱহাৰ পেটেণ্ট আহৰণ কৰে। সেইদৰে কীটনাশক হিচাপে ডি ডি টি ব্যৱহাৰত গুৰুত্ব দি অহা পশ্চিমীয়া বিজ্ঞানে শেহতীয়াকৈ পৰিৱেশ অনুকূল জৈৱ কীটনাশকৰ ওপৰত মনোনিৱেশ কৰে। লগে লগে পশ্চিমৰ ক'ৰ্প'ৰেট জগতৰ চকু পৰে নিম গছৰ ওপৰত। ভাৰতীয় সমাজত বায়ু পৰিশোধক, কীটনাশক আৰু মানুহ আৰু জীৱ-জন্তুৰ অসংখ্য বেমাৰৰ ঔষধ হিচাপে হাজাৰ হাজাৰ বছৰ ধৰি নিমৰ ব্যৱহাৰ হৈ আহিছে।

এই বিষয়ে জানিব পাৰি ১৯৭১ চনত ৰবাৰ্ট লাৰচন নামৰ কাঠ আমদানি কৰোঁতা এজনে আমেৰিকালৈ নিমৰ বীজ আমদানি কৰে। তেওঁ ইয়াৰে এটি কীটনাশক প্ৰস্তুত কৰি ১৯৮৫ চনত আমেৰিকাৰ পৰিৱেশ সংৰক্ষণ সংস্থাৰ পৰা সেউজ সংকেত লাভ কৰে। ১৯৮৮ চনত তেওঁ ডব্লিউ. আৰ. গ্ৰে'চ নামৰ বহুজাতিক কম্পেনীক পেটেণ্টটো বিক্ৰী কৰি দিয়ে। তেতিয়াৰ পৰা আমেৰিকা আৰু জাপানৰ বাৰখনতকৈও অধিক ফাৰ্মে নিমভিত্তিক উৎপাদনৰ বাবে পেটেণ্ট আহৰণ কৰিছে। পৰৱৰ্তী কালত ডব্লিউ. আৰ. গ্ৰেচে ভাৰতত এটি উৎপাদন ইউনিট খুলি ভাৰতৰ থলুৱা উৎপাদন প্ৰতিষ্ঠানসমূহক তেওঁলোকৰ পৰা প্ৰযুক্তি কিনি ল'বলৈ নতুবা তেওঁলোকৰ কেঁচামাল যোগনিয়াৰ হিচাপে কাম কৰিবলৈ হেঁচা দিবলৈ ধৰে। এই ঘটনাই এটি সুদূৰপ্ৰসাৰী ইংগিত বহন কৰিছে। অদূৰ ভৱিষ্যতে হয়তো আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি থকা ভেদাইলতা, মানিমুনি, নলটেঙা, বিহলঙনি, চালকুঁৱৰী আদিৰ ওপৰত অধিকাৰ হেৰুৱাম। আমাৰ চিকিৎসাৰ সমলবোৰ পেটেণ্ট ব্যৱস্থাৰ জৰিয়তে বহুজাতিক নিগমে লুট কৰি নি আছে। আমি দুখীয়া মানুহবোৰ চিকিৎসা আৰু ঔষধৰ অভাৱত মৰিব লাগিব। দুখীয়া খেতিয়কে চৰা দামত বীজ কিনি ল'বলৈ বাধ্য হ'ব। ইতিমধ্যে ১৯৯৭ চনৰ ২ ছেপ্তেম্বৰত টেক্সাছৰ 'ৰাইছ্ টেক্ ইন্স'-এ বাচমতি ধানৰ বাবে ৫৬৬৩৪৮৪ নম্বৰৰ পেটেণ্ট লাভ কৰিছে। অথচ ১৭৬৬ চনত ৰচিত 'হীৰ ৰঞ্জা' নামৰ কাব্যতেই ভাৰতত বাচমতিৰ প্ৰথম উল্লেখ পোৱা যায়। ভাৰতীয় খেতিয়কে বিভিন্ন পৰিৱেশ আৰু জিভাৰ স্বাদৰ অনুকূলে তেওঁলোকৰ পাৰম্পৰিক জ্ঞানেৰে এই সুগন্ধি ধানৰ অসংখ্য জাত বিকশাই তুলিছে। আজি আমেৰিকাৰ পেটেণ্ট কাৰ্যালয়ে এটি নিগমক বাচমতিৰ জীন শৃংখলাকে ধৰি খেতিয়কসকলে বিকশাই তোলা সকলোবোৰ জাতৰ স্বত্ব প্ৰদান কৰিছে। সেই নিগমে বাচমতি, টেক্সমতি, জাছ্মতি আদি ব্ৰেণ্ড নামেৰে বিপণন কৰিবলৈ আৰম্ভ কৰিছে আমাৰ ধান। এইদৰে জৈৱ-লুণ্ঠনৰ লগে লগে বিপন্ন হৈছে আমাৰ সংস্কৃতি, অৰ্থনীতি, নস্যাৎ কৰা হৈছে থলুৱা জনগোষ্ঠীসমূহৰ সৃষ্টিশীলতাক। আই পি আৰৰ আমোলত গছ বা বীজৰ ওপৰত থকা পেটেণ্টৰ অৰ্থ হ'ল আন কোনোৱে সেই গছ বা বীজৰ উৎপাদন, ব্যৱহাৰ, বিক্ৰী, বিতৰণ আদি কৰিব নোৱাৰিব। অৰ্থাৎ খেতিয়কসকলে সঁচ ৰখা বা বিনিময় কৰাৰ দৰে কামো অবৈধ, পেটেণ্ট আইনৰ ভাষাত ই হ'ল 'বৌদ্ধিক সম্পদ চুৰি' (intellectual propery theft)। খেতিয়কসকলে পথাৰত কেৱল 'নথিভুক্ত' সঁচহে ব্যৱহাৰ কৰিব পাৰিব। মনচেনাট' নামৰ বীজ ক'ম্পেনীৰ Roundup-Ready জীন চুক্তি অনুসৰি খেতিয়কসকলৰ সকলো অধিকাৰ উলাই কৰা হৈছে। এই চুক্তি মতে, কোনো খেতিয়কে সঁচ ৰাখি বা সলনাসলনি কৰিব নোৱাৰিব। ক'ম্পেনীৰ পৰা কিনি লোৱা সঁচৰ বাবদ খেতিয়কসকলে দাম আৰু ৰয়েল্টিৰ বাহিৰেও প্ৰতি পাউণ্ডত পাঁচ ডলাৰকৈ 'প্ৰযুক্তি মাচুল' ভৰিব লাগিব। চুক্তি ভংগ কৰা হৈছে নেকি নিৰীক্ষণ কৰিবলৈ ক'ম্পেনীয়ে খেতিয়কজনৰ অনুমতি নোলোৱাকৈ, আনকি তেওঁৰ অনুপস্থিতিতো শস্যপথাৰ পৰিদৰ্শন কৰিব পাৰিব। খেতিয়কজনৰ উত্তৰাধিকাৰীয়েও চুক্তিৰ সকলো দফা মানি চলিব লাগে। মনচেনাট'ৰ বীজ কিনা খেতিয়কে ভালেই হওক বা বেয়াই হওক, সেই ক'ম্পেনীৰ কীটনাশকহে ব্যৱহাৰ কৰিব পাৰিব। ক'ম্পেনীবোৰৰ লাভ বৃদ্ধি পোৱাৰ বাবে দৰিদ্ৰ কৃষকসকলৰ বাবে কৃত্ৰিম প্ৰয়োজনৰ সৃষ্টি কৰা হৈছে। খেতিয়কসকলে যাতে প্ৰতিবছৰে সঁচ কিনি ল'বলৈ বাধ্য হয়, তাৰ বাবে বজাৰত মেলি দিয়া হৈছে 'টাৰ্মিনেটৰ বীজ'— খেতিৰ নিউট্ৰন বোমা বুলি আখ্যা পোৱা টাৰ্মিনেটৰ প্ৰযুক্তিৰ সহায়েৰে গছৰ ডি. এন. এক (DNA) এনেদৰে ব্যৱহাৰ কৰা হয় যে সেই গছৰ সকলো শস্য বা ফলেই বন্ধ্যা হৈ ওপজে। টাৰ্মিনেটৰ বীজে কাষে-পাঁজৰে থকা অন্য উদ্ভিদকো (খেতি কৰা বা বনৰীয়া) বন্ধ্যা কৰি পেলাব পাৰে নেকি তাৰো আংশকা ঘনীভূত হৈ উঠিছে। সেয়ে হ'লে জৈৱ

বৈচিত্র্যৰ ওপৰত 'টাৰ্মিনেটৰ প্ৰযুক্তি'ৰ প্ৰভাৱ অতিশয় ভয়াৱহ বুলি ক'ব লাগিব।

যন্ত্ৰ বা পৰমাণু পেটেণ্টৰ দৰে গছ বা প্ৰাণীৰ ওপৰত পেটেণ্ট অনুমোদনৰ বিষয়টো বিতৰ্কৰ বাহিৰত নহয়। প্ৰথম দুটা মানুহৰ কৃতি, জৈৱ-বৈচিত্ৰ্যৰ ব্যৱহাৰক আৱিষ্কাৰ বুলি ক'ব নোৱাৰি, কাৰণ জীৱনৰ গুণগত বৈশিষ্ট্যসমূহ মানুহৰ সৃষ্টি নহয়, প্ৰকৃতিৰ দানহে। বৌদ্ধিক দিশৰ পৰা চালেও পৰম্পৰাগত সমাজে যুগ যুগ ধৰি ব্যৱহাৰ কৰি অহা জ্ঞানক নতুনকৈ ব্যৱহাৰ কৰাত নতুনত্ব একো নাই। অথচ পেটেণ্ট বিশাল আয়তনত বহুজাতিক নিগমসমূহে গছ এজোপাৰ সমগ্ৰ জিনীয় বৈশিষ্ট্যৰ অধিকাৰ লাভ কৰে— ফল, ফুল, গুটিৰ বাহিৰেও কোষ, জীন আৰু ইয়াত দেখা দিব পৰা যিকোনো ৰূপান্তৰ প্ৰক্ৰিয়াৰ মালিকীস্বত্ব আহৰণ কৰে। জীৱই নিজকে নিজে তৈয়াৰ কৰে। জৈৱপ্ৰযুক্তিৰে জিনীয় বিন্যাসৰ সালসলনি ঘটোৱা কাৰ্য 'সৃষ্টি' নহয়। ১৯৮০ চনত আমেৰিকাৰ সৰ্বোচ্চ ন্যায়ালয়ে জেনেৰেল মটৰ্চ ক'ম্পেনীৰ চাকৰিয়াল আনন্দমোহন চক্ৰৱৰ্তীক জেনেটিক প্ৰযুক্তিৰে তৈয়াৰ কৰা বেক্টেৰিয়া এটাৰ বাবে পেটেণ্ট দিবলৈ নিৰ্দেশ দিয়ে। জৈৱ সম্পদৰ ওপৰত পেটেণ্টৰ ইতিহাস এনেকৈয়ে আৰম্ভ হয়। মজাৰ কথা, স্বয়ং চক্ৰৱৰ্তীয়ে অনুজীৱটো নিজৰ 'সৃষ্টি' বুলি দাবী কৰা নাছিল। জৈৱ-বৈচিত্ৰ্যৰ ওপৰত পেটেণ্টে এসময়ৰ জমিদাৰ বা ভূস্বামীসকলৰ দৰে এচাম 'জৈৱ স্বামী'ৰ সৃষ্টি কৰিছে। এইদৰেই জনসাধাৰণৰ জীৱন-জীৱিকা অপহৰণ কৰা হৈছে। থলুৱা মানুহৰ পৰা মাটিৰ অধিকাৰ কাঢ়ি লৈ, তেওঁলোকক দাসত পৰিণত কৰি, কুটীৰ শিল্পবোৰ ধ্বংস কৰি ইউৰোপৰ শ্বেতাংগসকলে এদিন উপনিৱেশ পাতিছিল। মাটিৰ মালিক হোৱাৰ পাছত কাঢ়ি লোৱা হৈছিল অৰণ্য। অৰণ্যৰ 'বৈজ্ঞানিক পৰিচালনা'ৰ 'সংৰক্ষিত অৰণ্য'ৰ সৃষ্টি কৰি এফালে অৰণ্য ধ্বংসক ন্যায়সংগত কৰি লোৱা হৈছিল। মাটি আৰু মানুহৰ পৰা অৰণ্য সম্পদৰ অধিকাৰ কাঢ়ি লোৱা হৈছিল। মাটি আৰু অৰণ্যক পণ্যত পৰিণত কৰাৰ পাছত বৃহৎ বান্ধ, ভূগৰ্ভস্থ পানীৰ খনন আদিৰ জৰিয়তে পানীকো লাভৰ হাথিয়াৰ কৰি পেলোৱা হ'ল। অৱশেষত অধিকাৰ কৰা হ'ল জৈৱ-বৈচিত্ৰ্য আৰু জ্ঞান। থলুৱা খেতিয়ক সমাজে বা অৰণ্যবাসী জনগোষ্ঠীসমূহে জৈৱ-বৈচিত্ৰ্যৰ ব্যৱহাৰ যেনেকৈ কৰে তেনেকৈ প্ৰতিপালন আৰু সংৰক্ষণো কৰে। সংঘীয় বা সমাজ চেতনাত উদ্বুদ্ধ হোৱা পৰম্পৰা আৰু উত্তৰাধিকাৰক এওঁলোকে লাভ অৰ্জনৰ বাবে ব্যৱহাৰ কৰিব পৰা ব্যক্তিগত সম্পত্তি বুলি গণ্য নকৰে। অভিজ্ঞতাই দেখুৱাইছে, ক্ষমতাৰ জোৰত দম্ভালি প্ৰদৰ্শন কৰি অহা পশ্চিমীয়া বিজ্ঞান পাৰিৱেশিক জ্ঞানত থলুৱা জনগোষ্ঠীসমূহতকৈ বহুতো দুখীয়া। ব্যক্তিগত লাভ আৰু সম্পদ বৃদ্ধিৰ মনোবৃত্তিয়ে শাসন কৰি থকা পশ্চিমীয়া বিজ্ঞানে প্ৰকৃতিক ব্যৱহাৰ কৰাৰ আগ্ৰাসী নীতিকেই ইমান দিনে মানি আহিছে। জ্ঞান যে কেৱল ব্যক্তিগত সম্পত্তি নহয়, ই একে সময়তে সামাজিক আৰু সৰ্বজনীনো— সেই কথা আজিৰ আই. পি. আৰ. ব্যৱস্থাই পাহৰি পেলাইছে। সকলো জ্ঞানৰ সৌধ গঢ়ি উঠিছে পূৰ্বৱৰ্তী জ্ঞানৰ ভিত্তিত, এই সত্যক অস্বীকাৰ কৰি 'পেটেণ্ট' ব্যৱস্থাৰ জৰিয়তে জ্ঞানৰ মুক্ত চলাচলত বাধা আৰোপ কৰা হৈছে। ১৯৯২ চনত ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত ধৰিত্ৰী সন্মিলনত স্বাক্ষৰিত আন্তৰ্জাতিক জৈৱ বৈচিত্ৰ্য সমাৱৰ্তনত (CBD) জিনীয় সম্পদসমূহৰ সঠিক আৰু সমতাপূৰ্ণ ব্যৱহাৰৰ কথা কোৱা হৈছিল। একেই সময়তে ট্ৰিপ্‌ছ চুক্তিৰ জৰিয়তে বাধ্যবাধকতা আৰোপ কৰা বিষয়বোৰে ধৰিত্ৰী সন্মিলনৰ লক্ষ্যক প্ৰত্যাহ্বান জনাইছে। আমাৰ সমুখতো এতিয়া দুটা পথ— আমি বহুজাতিক নিগমে নিৰ্দ্ধাৰণ কৰি দিয়া পেটেণ্ট প্ৰণালীৰ তালে তাল মিলাম নে আমাৰ আৰ্থ-ৰাজনৈতিক ব্যৱস্থাৰ বাবে গণতান্ত্ৰিক আৰু প্ৰকৃত অৰ্থত সৃষ্টিশীলতাৰ স্বীকৃতি থকা এনে এক বিকল্পৰ সন্ধান কৰিম, য'ত সকলো মানুহৰ বৌদ্ধিক স্বাধীনতা থাকিব। লগতে জীৱৰ পাৰিৱেশিক স্বাধীনতাও থাকিব।

# আঁউসী

**ড° হোমেশ্বৰ কাকতি**
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
পদাৰ্থ বিজ্ঞান বিভাগ, বি. বৰুৱা কলেজ

জেঠৰ এই কেঁৰাদুপৰ আৰু পানীৰে চপচপীয়া বৰপুখুৰীটোৰ কাষেৰে মেৰ খাই থকা ধকধকীয়া বগা আলিটো নীলমণি ফুকনৰ কবিতাৰ দৰে নিজান পৰি আছে। যোৱা নিশা ধাৰাষাৰ বৰষুণ হৈছিল যদিও বৰষুণ শেষ হোৱাৰ লগে লগেই আকাশ নিৰ্মেঘ হৈ পৰিছিল। সোণবৰণীয়া ৰ'দত আজি সদ্যস্নাতা গাভৰুৰ দৰে প্ৰকৃতি জলমলাই উঠিছে। গছ-লতা, ঘাঁহ-বন সকলোতে মাথোন নিৰ্মল সেউজ। পুখুৰী কাষৰ আলিটো কিছু আগুৱাই গৈ এখন বাঁহনিৰ মাজত সোমাই পৰিছে। ঠিক বাঁহনি নহয়, দুঘৰৰ পাছবাৰীৰ বাঁহে ৰাস্তাটো ঢাকি আন্ধাৰ কৰি থৈছে। ৰ'দ পৰিব নোৱাৰাৰ বাবে ৰাস্তাটোৰ বোকা পানী বাৰমাহে নুশুকায় । পুখুৰী কাষৰ ওখ পানী জমা নোহোৱা পথাৰখনত কেইজনীমান গাই চৰি আছে।

এনে এক কাঁহ পৰি জীণ যোৱা সময়ৰ বাবেই হয়তো হঠাৎ আবিৰ্ভাৱ হোৱা মটৰ চাইকেলখনৰ শব্দ বৰ বিসদৃশ লাগিল। গাই কেইজনীয়েও খোৱাৰ পৰা মূৰ তুলি চাই আকৌ খাবলৈ ল'লে। মটৰ চাইকেলখন বাঁহতলৰ ৰাস্তাৰ বোকা পাৰ হৈ গৈ মানুহ এঘৰৰ চোতাললৈ সোমাই গ'ল। শেলুৰৈ ধৰা চোতালত এই নিজান বেলা মটৰ চাইকেলৰ সশব্দ উপস্থিতিত দেউকি খাই পাৰ হালিয়ে পাখি কোবাই ঘৰৰ মুধত পৰিলগৈ। দেখিবলৈ বয়সীয়া যেন লগা মলিয়ন কাপোৰ পিন্ধা তিৰোতা এগৰাকী কাষৰ বাৰীখনৰ দেওনাখন পাৰ হৈ চোতাললৈ ওলাই আহিল। মূৰৰ গামোচাখন অলপ টানি বুকুৰ মেঠনিৰ ওপৰত পেলাই ল'লে আৰু সংকোচে কিছু আগবাঢ়ি আহি মটৰ চাইকেলৰ কাষত থিয় হৈ থকা ডেকা ল'ৰাটোৰ ফালে আচৰিত হৈ চাই ৰ'ল। মুখত মিচিকিয়া হাঁহি লৈ থকা ল'ৰাটোৱেই প্ৰথমে মাত দিলে— মাহী, মই দীপালিৰ ল'ৰা। ওচৰৰে বেংক এটাত কাম কৰোঁ। লগে লগে বুঢ়ীয়ে হাঁয়ে বিঁয়ে লগাই দিলে। চম্পা, অ' চম্পা, এইফালে আহ, ককায়েৰকতো তই দেখাই নাই। তহঁতৰ মাজত চিনাচিনি হ'বলৈ পাব কেনেকৈ। অহা-যোৱা হ'লেহে বাপু, তই যে নিজেই বিচাৰি বিচাৰি ঘৰ উলিয়াই বাট মোকোলালি। কৈ বুঢ়ীয়ে চুমা খাবলৈ হাত মেলিছিলেই। হয়তো লেতেৰা হৈ আছে বুলি ভাবি হাতখন পিছুৱাই আনিলে আৰু ভিতৰলৈ সৰকি যোৱাকৈ ক'লে— চম্পা, ককায়েৰক বহিবলৈ দে। যা বাপু, বহগৈ। ইতিমধ্যে চম্পাই আহি দেখা দিলে। মলিয়ন আৰু অযতনে পিন্ধা কাপোৰৰ মাজতো চম্পাৰ মুখখন জিলিকি আছে। চম্পাই ডেকাক ঘৰৰ ভিতৰলৈ মাতি নিলে আৰু লাজ লাজকৈ ভঙা চকীখন হাতেৰে এবাৰ মোহাৰি বহিবলৈ ক'লে। ভৰিত অকণমান পানী ঢালি বুঢ়ীও আহি পীৰা এডুখৰিত বহি পৰিল আৰু বহুদিনীয়া চিনাকিৰ দৰে কথা আৰম্ভ কৰিলে। বুঢ়ীয়ে কবঁলৈ ধৰিলে মণ্টুৰ মাক অৰ্থাৎ ডেকা- ল'ৰাৰ মাক দীপালি পৰিল আঢ্যবন্ত এঘৰত। তথাপি চম্পাৰ দেউতাক বাচি থকালৈকে দিপালীহঁতৰ ঘৰৰ স'তে আহ-যাহ চলি আছিল। পিছে চম্পাৰ দেউতাক অকালতে ঢুকুৱাৰ পাছত লাও-লোৱা

এঘৰ মানুহৰ স'তে আৰু কোনে সম্পৰ্ক ৰাখে ? তাকে কৈ বুঢ়ীয়ে চকুলো টুকিলে। জুহালৰ পৰা চম্পাই মাকক ধমক দি এইবোৰ কথা বন্ধ কৰিবলৈ ক'লে।

বেংকৰ চাকৰিয়াল মণ্টু টেষ্ট আৰু ৰিজনিঙত খুব ভাল। গতিকে বুঢ়ীৰ দুখৰ কথা শুনি সি কি ক'লে বা কি ক'ব সকলো মানুহেই জানে। নাজানিলেও যিকোনো গল্পৰ কিতাপ এখন চকু ফুৰালেই গম পাব মণ্টুৰেনো বুঢ়ীক কি বুলি সান্ত্বনা দিলে। অংকৰ ভাষাত বুঢ়ীৰ বিননি আৰু মণ্টুৰ সান্ত্বনা অ-ফলা আৰু ক-ফলাৰ আখৰবোৰৰ এক বিশেষ বিন্যাস মাথোন। বান্দৰ এটাক টাইপ মাৰিবলৈ লগাই দিলেও সেই সান্ত্বনাৰ ভাষা সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। অংকৰ মানুহ। কেতবোৰ চৰ্ত কিছুমান চলকৰ ওপৰত আৰোপ কৰি কিছুমান সমীকৰণ তৈয়াৰ কৰোঁ আৰু সেই সমীকৰণবোৰ সমাধান কৰি উলিয়াওঁ। কেতিয়াবা আকৌ একোটা সমীকৰণৰ পৰা অবাস্তৱ মানো ওলায়। তেতিয়া তাক নতুন সংজ্ঞাৰে হয়তো সংস্থাপন কৰা হয়, নতুবা অবাস্তৱ বুলি অগ্ৰাহ্য কৰা হয়। অংকৰ এনেবোৰ খেল খেলি থকাৰ বাবেই হয়তো সামাজিক ঘটনাসমূহৰ মুখামুখি হ'লেও গাণিতিক যুক্তিৰে তাৰ সমাধান বিচাৰো। দ্ব্যৰ্থকতাহীন সমাধান। কিন্তু মানুহৰ চৰিত্ৰক সমীকৰণত প্ৰকাশ কৰিবলৈ কিমানবোৰ চলকৰ বা প্ৰয়োজন। তাতে আকৌ চলকৰ মানৰ বাবে লাগিব সমান সংখ্যক সমীকৰণ। ঠিক এনেবোৰ চিন্তাৰ বাবেই মোৰ প্ৰতিটো গল্প শেষ পৰ্যন্ত একোখন ৰচনা বা প্ৰবন্ধত পৰিণত হয় । অথচ গল্প-সাহিত্যৰ মই এক চমজ্‌দাৰ পাঠক। লুচুনৰ পৰা কাফকালৈ গোটেই বৰ্ণালীটোৰ লিখকসকলৰ লিখাৰ স'তে মোৰ চিনাকি। কিন্তু কি বিড়ম্বনা চকুৰ আগতে ঘটি যোৱা এটা ঘটনাক গল্প ৰূপ দিয়াৰ তাড়না অনুভৱ কৰিছো অহৰহ। অথচ কলম হাতত ল'লেই সেই লিখকসকলৰ হেজাৰ হেজাৰ চৰিত্ৰ, বিশেষণ আৰু কল্পচিত্ৰই মোক ঘেৰাও কৰে। পৰিশেষত মোৰ প্ৰতিটো গল্পই অথবা প্ৰবন্ধই ব্লেকহ'লত সোমোৱাদি সম্পাদকৰ কোঠালীত প্ৰৱেশ কৰে। তথাপি এই গল্পটো মই লিখিমেই। অন্ততঃ ঘটনাটো পাহৰি থকাৰ বাবে।

দৰ্জাত মাত্ৰ এটা টোকৰ মাৰি সোমাই আহিল নীলকান্ত। মোৰ বন্ধু নীলকান্ত। এটা বামপন্থী পাৰ্টিৰ হোলটাইমাৰ। এইখিনি সময়ত অৰ্থাৎ নিশা নবজাৰ পাছত সি মোৰ ওচৰলৈ আহেই। চকীখন টানি লৈ চিগাৰেট এটা জ্বলাই সি হুঁপিব ধৰিলে। মই মূৰ তুলি চালোঁ, তাৰ নাকে-মুখে ধোঁৱা ওলাব ধৰিছে। কিয় জানে। এনেকৈ তাৰ নাকেৰে কোঁ কোঁৱাই ধোঁৱা ওলাই থকা দেখি প্ৰাইমেৰী স্কুলত থাকোঁতে ভূগোলৰ কিতাপ এখনত দেখা ছবি এখনলৈ মনত পৰিল। ছবিখনত আছিল এটা কলঘৰ আৰু তাৰ আকাশলংঘী চিমনীৰে ওলাই আছিল ধোঁৱা। ছবিখনৰ কথা মনত পৰি মোৰ ওঁঠত হাঁহিৰ ৰেঙণি এটা লাগিছিল হ'বপায়। হাঁহিবলৈ কিহে পাইছে বুলি অবাইচ মাত এষাৰ মাতি সি গেঙেৰি মাৰি উঠিল। তাৰ পাছত আকৌ চিগাৰেটত মন দিলে। আজিকালি নীলই কথা প্ৰায় নকয়েই। এটাৰ পাছত আন এটা চিগাৰেট হুঁপি মাজনিশা সি নিঃশব্দে ওলাই যায় মোৰ সন্মুখৰ টেবুলত এটা খালী চিগাৰেটৰ পেকেট আৰু ছাইভৰ্তি এটা এচ্‌ট্ৰে এৰি থৈ। কেতিয়াবা দুয়ো ফটিকা খাওঁ। নীৰৱে সাঁফৰ খোলোঁ, পানী মিহলাওঁ, ভূজিয়া চোবাও। কোনো বাক্য বিনিময় নাই। কেৱল গিলাচৰ টুংটাং শব্দ। নিচাত চকু লুটি খাই গ'লেও দুই-এটা অবাইচ মাতৰ বাহিৰে সি কথা নকয়। মুখেৰে কিবা গুৰু গম্ভীৰ কথা ওলাই যায় বুলি সি কিজানি ভয় কৰে।

আজিৰ পৰা বাৰ বছৰ আগতে যেতিয়া নীল মোৰ ঘৰলৈ আহে তাৰ বহিবলৈ সময় নাই। দপদপাই সোমাই আহি কয়— কি খাবলৈ আছে দেচোন। হেৰৌ বুৰ্জোৱা, সেইবোৰ অভিজ্যতৰ বিজ্ঞান পঢ়ি লাভ নাই।

বিদ্যা কামত লগাব খুজিছ যদি মাচ্ পিপোলৰ বাবে বিজ্ঞান কৰ। নতুন দিন আহি আছে মনত ৰাখিবি। ব্যক্তিগত, সামাজিক, ৰাজনৈতিক ইত্যাদি সকলো মই মুখামুখি হোৱা সমস্যাৰ ব্যাখ্যা তাৰ জিভাৰ আগত আছিল। ক্লাছ, পেটিবুৰ্জোৱাৰ মোহ, প্ৰাইভেট প্ৰপাৰ্টি ইত্যাদি শব্দ-বাক্যাংশ ক'ব নোৱাৰাকৈ ময়ো ব্যৱহাৰ কৰিবলৈ লৈছিলোঁ। ব্যক্তিগত সম্পত্তি আৰু ৰাষ্ট্ৰ এদিন পৃথিৱীৰ পৰা লুপ্ত হৈ যাব বুলি মনে-প্ৰাণে সি বিশ্বাস কৰিছিল। সেয়ে তাত মই সন্দেহ কৰিলে সি খঙত জ্বলিপকি উঠিছিল। এনেতে গৰ্বাচেভৰ ৰাজনীতিয়ে পৃথিৱীত এক শৃংখল বিক্ৰিয়াৰ সৃষ্টি কৰিলে। সাম্যবাদী খণ্ডৰ দেশসমূহৰ নতুন নতুন খবৰে বাতৰি কাকত, আলোচনী, টি-ভিত উথপথপ লগালে। এই হৈ-হাল্লাৰ মাজত মোৰ এনে লাগিল যেন ধুমুহাৰ নিশা নিসংগ ষ্টেচু এটাৰ দৰে কিংকৰ্তব্যবিমূঢ় হৈ নীলই থিয় হৈ আছে। আচলতে চৌপাশৰ গণ্ডগোলৰ বাবে নীলক নিৰ্বাক যেন বোধ হৈছে। সকলো ঠাণ্ডা হৈ পৰিলে দেখা যাব নীল একেই আছে। কিন্তু নাই, আগলি কলাপাতখন চিৰাচিৰ কৰাৰ দৰে আগত নীলই দিনে নিশাই গোৱা বুৰঞ্জীখনৰ পাতবোৰ ধুমুহাই ইতিমধ্যে ফালি পেলালে। সকলো নিজম পৰাত মন কৰিলোঁ নীলকান্ত সঁচাকৈয়ে নীৰৱ হৈ পৰিছে। টাইফয়ডৰ পৰা উঠি অহা মানুহৰ চকুৰ দৰে উকা দৃষ্টি তাৰ। সি হোলটাইমাৰ হৈয়েই থাকিল। এদিন তাক সুধিলোঁ সি হতাশ হৈছে নেকি ? সি উত্তৰ দিলে ঃ আই দোণ্ট, হেভ ডেট প্ৰিভিলেজ।

শীতল বতাহ এজাক নিৰ্বিকাৰভাৱে খিৰিকীৰে সোমাই আহিল। টেবুলৰ পৰা দৈনিক বাতৰি কাকতখন পৰি গ'ল। পৰ্দাখনে নীলৰ মূৰৰ এফালে কোব মাৰি চুলিখিনি ওলোটাফালে পেলাই দিলে। লগে লগে স্বতঃস্ফূৰ্তভাৱে সি চুলিখিনি ঠিক কৰি কাণৰ ওপৰত পেলাই ল'লে। আচলতে তাৰ সেইখন কাণ নাই। এক বামবিৰোধী হাৱাত মাজ বজাৰতে তাৰ কাণখন ৰেপি ৰেপি কটা হৈছিল। মোৰ দৃষ্টি ঘূৰি আহি আহি গাৰুৰ ওচৰত পৰি থকা 'এ ব্ৰিফ হিষ্টৰী অৱ টাইম'খনত ঘনচিৰিকা এটিৰ দৰে আধানমান সময় জিৰণি ল'লে। 'নীল, এই কিতাপখনত কি আছে জান ? ইয়াত আছে এটা নক্ষত্ৰই তেতিয়ালৈকে আকাশ উজ্বলাই থাকিব পাৰে যেতিয়ালৈকে ভৰ নিউক্লীয় শক্তিয়ে মধ্যাকৰ্ষণ শক্তিৰ স'তে ফেৰ মাৰি টিকি থাকিব পাৰে। কিন্তু যেতিয়া তাৰ নিউক্লীয় ইন্ধন কমি যায় মধ্যাকৰ্ষণৰ ফলত সি সংকুচিত হ'বলৈ আৰম্ভ কৰে। যিবোৰ তৰাৰ ভৰ বেছি সিহঁত বেছিভাগেই ব্লেকহোলত পৰিণত হয়। বিশ্বব্ৰহ্মাণ্ডৰ পৰা সিহঁতে মুখ লুকুৱাই পেলায়। সিহঁতৰ বুকুত চলি থাকে মাথো আঁউসী। অৱশ্যে যিবোৰ তৰাৰ ভৰ চন্দ্ৰশেখৰ সীমাৰ ভিতৰত সিহঁত ব্লেকহোলত পৰিণত হোৱাত বাধা দিয়ে এক ধৰণৰ চাপে। এই চাপৰ সৃষ্টি হয় পাউলিৰ এক্সক্ল্যুজন্ নীতিৰ পৰা। নিষ্প্ৰভ সেই তৰাবোৰক কোৱা হয় হোৱাইট ড্যাৰ্ফ বা বগা বাওনা। তুলনাটো আমাৰ মাজলৈ প্ৰসাৰিত কৰিলে দেখা যায় পুলিন, ভৱেশ, বিপুল পাৰ্টি বাদ দি একো একোটা ব্লেকহোলত পৰিণত হৈছে। মাথোন এক প্ৰচণ্ড আৰু অনিবাৰ্য জেদত তই ঢিমিক ঢামাককৈ বগা বাওনা এটাৰ দৰে জ্বলি আছ।' মুখেৰে অবাইচ শব্দ এটা মাতিলেও গম পোৱা গ'ল যে তুলনাটোত সি আমোদ পাইছে।

নীলৰ মুড আজি তুলনামূলকভাৱে ভাল। তাক মোৰ আধকৰা গল্পটো পঢ়িবলৈ দিলোঁ। কিঞ্চিত বিৰক্তি প্ৰকাশ কৰি সি পঢ়িবলৈ আৰম্ভ কৰিলে। আগতে সি মোৰ গল্প বা কবিতা পঢ়ি উঠি মধ্যবিত্তৰ দ্বিধা আৰু সীমাবদ্ধতা সম্পৰ্কে দীঘলীয়া বক্তৃতা দিছিল। 'সদ্যস্নাতা গাভৰুৰ দৰে সেউজ প্ৰকৃতি— হেৰৌ, বাক্যটো গোটে গোটে কোন কিতাপৰ পৰা উঠালি' বুলি কৈ সি আকৌ পঢ়াত মন দিলে। 'গল্পটোৰ

বাকীছোৰা অতি সোনকালে লিখিম।'—সি পঢ়ি শেষ কৰাৰ লগে লগে মই ক'লোঁ। '

'ঘটনা কি ঘটিব মই গম পাই গ'লোঁ ।বাকীখিনি কি হ'ব তোক কৈ দিব লাগে নেকি?'

'মই বাজি মাৰিব পাৰোঁ, তই নোৱাৰ।' 'শুন তেন্তে' বুলি কৈ নীলই মূৰটো চকীত পেলাই ল'লে আৰু চকু মুদি কৈ গ'ল—'হিন্দী চিনেমা চাই ঘাগু হৈ পৰা মণ্টুৰে চম্পাক পতাই পেলালে। মাকৰ বাধা নেওচি দুয়ো বহুত জমালে।বাপ্পী লাহিড়ীৰ গানৰ তালে তালে তাইক মটৰ চাইকেলত তামাম ঘূৰালে। তাৰ পাছত আন এজনী ছোৱালীৰ লগত। আবিয়ৈ চম্পাৰ মাকৰ মৃত্যুৰ নটিচ গাঁৱৰ ডাক্তৰ খা.......................-মণ্টুৰে এদিন জাক-জমককৈ বিয়া পাতিলে। তাৰ নকলী ঔষধে ষ্টে কৰিব নোৱাৰিলে। হাবি বনে হাও-হাও কৈ আগুৰি অহা জৰাজীৰ্ণ ঘৰটোত চম্পা এতিয়া অকলে থাকে। মাজনিশা মাকৰ বিননিয়ে যেন ঘৰটো কঁপাই তোলে। এইখিনিত নেপথ্য সংগীত এচ্ দি বৰ্মনৰ।' এক পৈশাচিক আনন্দত নীলই মোৰ ফালে চাই শব্দহীনভাৱে হাঁহিবলৈ ধৰিলে। তাৰ কল্পনাৰ বীভৎসতাত মই আৰ্তনাদ কৰি উঠিলোঁ— 'চ্যাট আপ নীল। তই ইমান চিনিক হৈ গ'লি। মানুহৰ ওপৰত তোৰ আস্থা তেনেহলে শেষ। তই, তয়ো এটা ব্লেকহোল। বগা বাওনাৰ মৰ্যাদাও তই নেপাৰ। কিন্তু তই ঘটনাটো তেনেকৈ পোনালি? কিয় তই ভাবিব নোৱাৰিলি যে মণ্টুৰে নিজৰ ককায়েকৰ দৰে চম্পাৰ দায়িত্ব ল'লে আৰু তাৰ পিছত উপযুক্ত পাত্ৰ এজনৰ স'তে তাইক বিয়া দিলে? নতুবা তইতো এনেদৰেও ভাবিব পাৰিলিহেঁতেন যে মণ্টু আৰু চম্পা প্ৰেমত পৰিল। কিন্তু পাৰিবাৰিক সম্পৰ্কৰ অদৃশ্য উপস্থিতিয়ে সিহঁতৰ প্ৰেমৰ বহিৰ্প্ৰকাশত বাধা দিলে ।সিহঁতৰ সেই ৰহস্যময় প্ৰেম অন্তঃসলীলা নদীৰ দৰে বৈ থাকিল ওৰে জীৱন প্ৰেৰণা আৰু যাতনাৰ উৎস হিচাপে— ঠিক শৰৎ চন্দ্ৰৰ উপন্যাসৰ কাহিনীৰ পৰে। মোৰ এই চিঞৰ-বাখৰতো নিৰ্বিকাৰভাৱে দাঁত চেলাই হাঁহি থাকিল নীলই। তেনেহ'লে, তাৰ সেই নেতিবাচক কল্পনা সি উঠাই নলয়। বুজিছোঁ এয়া তাৰ ব্যক্তিগত অভিজ্ঞতাৰ এক্সট্ৰাপোলেচন। সবিতাৰ মৃত্যুৰ স্মৃতিয়েই তাক বগা-বাওনা কৰি ৰাখিছে। সবিতাই হাইস্কুলীয়া দিনৰে পৰা তাৰ স'তে একেলগে পাৰ্টি কৰিছিল। স্বাভাৱিকতে দুয়োৰো মাজত প্ৰেমৰ সম্পৰ্কও আছিল। পলাতক অৱস্থাতেই সি সবিতাৰ মৃত্যু বা হত্যাৰ বিতং খবৰ পাইছিল। আন দিনাখনৰ দৰে সেইদিনাও তাই পাৰ্টিৰ কিবা কামত ওলাই গৈ পলমকৈ ঘৰলৈ উভতিছিল। কৃষ্ণপক্ষৰ সন্ধিয়া জোনাকী পৰুৱাৰ পোহৰে বাঁহনিৰ মাজৰ বাটটো অধিক আন্ধাৰ কৰি তুলিছিল। হঠাৎ বাঁহনিৰ মাজৰ পৰা ওলাই অহা দুজন ডেকাই তাইক গবা মাৰি ধৰিছিল। ভঙা জলকীয়াকেইটা তাইৰ যোনীৰ পৰা নিজহাতে উলিয়াই দি বাপেকে অমূল্য গোসাঁইৰ ঘৰলৈ দৌৰ মাৰিছিল গাখীৰৰ বাবে। গোসাঁয়ে গাখীৰ দিবলৈ ভয় নকৰিলে। কিন্তু গাখীৰ ঢলাৰ পাছতো ছোৱালীজনীয়ে চিঞৰি থাকিল গোটেই নিশা। মুমূৰ্ষু গাহৰিৰ চিৎকাৰৰ দৰে কি যে এক বিকট চিঞৰ। গাঁৱৰ মানুহবোৰে কাণত আঙুলি দি নিশাটো পাৰ কৰিছিল। শেহনিশা তাইৰ মাত লাহে লাহে পৰি আহিল। শেঁতা জোনটোৰ দৰে তাইৰ মুখখনো শেঁতা হৈ পৰিল। নাই, ধৰ্ষণ কৰা হোৱা নাছিল—গাঁৱৰ ৰাইজে কথাটো এতিয়াও আলোচনা কৰে। "পৃথিৱীত সঁচাকে মানুহেই নাই— এই সিদ্ধান্ত বৰ মাৰাত্মক নীল। আচলতে প্ৰতিজন মানুহৰ বুকতেই লুকাই আছে হৰপ্পাৰ দৰে সুমহান প্ৰমূল্যৰ একোখন প্ৰাচীন নগৰী। বিচাৰিব জানিব লাগিব। ধৈৰ্য ধৰিব লাগিব। ৰৌদ্ৰস্নাত নীলিমাৰ দৰে হৃদয়ৰ নিৰ্মল ফাল একোটাও মানুহৰ আছে। পৃথিৱী সদায় এন্ধাৰ বুলি সিদ্ধান্ত নল'বি নীল। শুন, মোৰ গল্পৰ নায়ক মণ্টুৰে চম্পাক ভাল পাইছিল আন্তৰিকভাৱে।

ঘৰৰ হেজাৰ বাধা নেওচি সি তাইক বিয়া কৰালে। দুয়ো বিৰাট সুখী। চম্পা ৰাজৰাণীৰ দৰে এতিয়াও আনন্দতে আছে। গল্পটো মই এইদৰেই লিখিম। তোৰ কথাখিনি উঠাই ল, নীল।"

'তোৰ নিচা বেছি হৈছে। শুই থাক'— বুলি গিৰিপ কৰে উঠি নীল ওলাই গ'ল। সি যোৱাৰ ফালে মই চাই ৰ'লোঁ। লৰচৰ কিন্তু কৰিব নোৱাৰিলোঁ। বটলত বাকী থকাখিনি পানীবিহীনভাৱে একে শোহাই খাই পেলালোঁ। নাই মই নোশোওঁ। নীলৰ এক্সট্ৰাপোলেচন মিছা হ'বই লাগিব। চম্পাৰ সুখৰ কাহিনী মই এতিয়াই লিখিম। মোৰ জেদ বাঢ়ি আহিল। এনেতে সেই পুখুৰীপাৰত গাই কেইজনীয়ে শিং জোকাৰি খেদি আহিল। মই প্ৰাণটাকি দৌৰ মাৰিলোঁ। সিহঁতেও পাছে পাছে চোঁচা ল'লে। বাঁহতলৰ ৰাস্তাৰ বোকাত মই পিচলি পৰিলোঁ। গাইকেইজনীয়ে মোক আগুৰি পেলালে আৰু শিঙেৰে খুচিবলৈ উদ্যত হ'ল।

চিঞৰ এটা মাৰি সাৰ পাই গ'লোঁ। চিঃ, দহ বাজি গৈছে। নীলই খুলি থৈ যোৱা দৰ্জা এতিয়াও খোলা। ৰামৰ খোলা বটল, চিগাৰেটৰ পেকেট, ভৰা এচট্ৰেৰ গোন্ধ, ভুজিয়াৰ থোঙা সৱেই মিলি এক নাৰকীয় সুপ্ৰভাত মোলৈ আগবঢ়াইছে। চকুৰে-মুখে পানী মাৰিলোঁ যদিও টোপনি খতিৰ বাবে ৰ'দৰ ফালে চালেই চকু দুটা জ্বলাপোৰা কৰে।

সকলো সামৰি সুতৰি চকীখন টানি লৈ বহিলোঁ। খিৰিকীৰে চাই পঠিয়ালোঁ। দূৰৈৰ পাহাৰৰ ঘৰৰ টিন পাতবোৰ জ্বলি উঠিছে। চোকা ৰ'দত পথাৰবোৰ আৰু বেছি নীলা হৈ পৰিছে। নাই, গল্পটো মই শেষ কৰিবই লাগিব। কিন্তু কেনেদৰে? মোৰ মতে নে নীলৰ মতে? বুকু ভেদি এটা হুমুনিয়াহ ওলাই আহিল। মই হাৰিলোঁ নীল। তোক নতুন কাহিনী শুনাব নোৱাৰিলোঁ। মণ্টুৰ বিয়া আন এজনী ছোৱালীৰ স'তে ঠিক হোৱা বুলি শুনি গৰ্ভৱতী চম্পা আৰু মাকে পাগলীৰ দৰে পুখুৰীৰ পাৰৰ সেই বাটটোৰে দৌৰি গৈছিল। পুখুৰী পাৰত ঘাঁহ খাই থকা দামুৰি পোৱালি এটাই চক খাই কিছুদূৰ আগে আগে দৌৰিছিল। গাই কেইজনীয়ে সিহঁতলৈ মূৰ তুলি চাই আছিল। মণ্টুহঁতৰ ঘৰত সম্পূৰ্ণ এটা দিন মাক-জীয়েকে বুকত ভুকুৱাই কান্দিছিল। সেই কান্দোনত নাৰিকল পাতৰ আগ এটাও নলৰা দেখি সন্ধিয়া গা-ধোৱা ঘৰত গাত কেৰাচিন ঢালি চম্পাই জুই লগাই দিছিল। হাস্পাতালত বাৰ ঘণ্টামান থাকি চম্পাৰ মৃত্যু হৈছিল। চম্পাৰ পোৰা মুখত চুমা এটা খাই মাকে জীয়েকৰ মৃতদেহ বিছনাতে এৰি অকলশৰে ওলাই আহিছিল হাস্পাতালৰ পৰা। তেওঁ যেতিয়া গাঁও আহি পালে তেতিয়া গধূলি নামিছে। তেওঁৰ পিছে পিছেই পালৰ গৰুবোৰ গৰখীয়াই খেদি লৈ গৈ আছিল। আঁতৰৰ মথাউৰিৰ পৰা চাই এনে লাগিছিল যেন তেওঁক লৈ গৰুবোৰে এক দীঘল সমদল উলিয়াইছে। কাৰ সোঁৱৰণত আছিল সেই নিৰ্বাক সমদল।

সংসাৰত মাতৃত্বৰ নিচিনা গুৰুতৰ কাম অইন কিবা আছেনে নাই আমি ক'ব নোৱাৰো। যশোদা আইৰ কোলাত নন্দগোপাল, মেৰীৰ কোলাত যীচুখ্ৰীষ্টৰ পট যেনে প্ৰীতি ও আনন্দদায়ক, তেনে অইন কোনো পট সংসাৰত থকা সন্দেহজনক।

**—ঘৰ জেউতি, ১ম বছৰ ২য় সংখ্যা।**

# মনোমোহা হাফলং চাই আহিলোঁ

**ড° নিজৰা গোস্বামী**
সহযোগী অধ্যাপক
উদ্ভিদ বিজ্ঞান বিভাগ, বি. বৰুৱা কলেজ

সামাজিক মাধ্যমত বিভিন্নজনৰ ভিষ্টাডোম এক্সপ্ৰেছৰ ভিষ্টাডোম কোচ্চেৰে যাত্ৰা কৰা ফটোবোৰ দেখি বৰ মন গৈছিল এবাৰ ভিষ্টাডোম কোচ্চত উঠি হাফলঙলৈ যাত্ৰা কৰাৰ। কোনো কোনোৰ মতে "Switzerland of East India" অসমৰ ডিমা হাচাও জিলাৰ সদৰ হাফলঙৰ প্ৰাকৃতিক সৌন্দৰ্যই মোক হাতবাউল দি মাতি আছিল যদিও যোৱাটো হৈ উঠা নাছিল। ২০২১ চনৰ নবেম্বৰ মাহৰ আগভাগতে এদিন মোৰ বান্ধৱী শ্ৰীমতী গীতাঞ্জলি লহকৰক ফোন কৰি কৈ থ'লোঁ যাতে যেতিয়াই পাৰে তাই ভিষ্টাডোম কোচ্চৰ টিকট বুক কৰি থয়। বান্ধৱী গীতাঞ্জলি ইণ্ডিয়ান ৰে'লৱেত কৰ্মৰত হোৱা বাবে ভিষ্টাডোম কোচ্চৰ টিকট বুকি ষ্টেটাচ চোৱাটো তাইৰ বাবে সুবিধা। কথামতেই কাম। মই কোৱাৰ দুদিনমান পিছতেই তাই মোক খবৰ দিলে যে আগন্তুক বৰ্ষ (২০২২)ৰ ৯ ফেব্ৰুৱাৰী তাৰিখে টিকট বুক হৈ গ'ল, লগতে ওভতনি যাত্ৰাৰ টিকটো হৈ গ'ল কাঞ্চনজংঘা এক্সপ্ৰেছত ১১ ফেব্ৰুৱাৰী তাৰিখে।

যথা দিনৰ যথা সময়ত আমি গুৱাহাটী ৰে'লৱে ষ্টেচনৰ ৭ নম্বৰ প্লেটফৰ্মত লগ হ'লোঁ। আমি মানে মই, গীতাঞ্জলি আৰু তাইৰ সৰুটো ল'ৰা কল্লোল ডেকা। মোৰ ছোৱালী আৰু গৃহস্থৰ টিকট হৈ আছিল যদিও বিশেষ অসুবিধাবশতঃ দুয়োটা টিকট বাতিল কৰিবলগীয়া হ'ল।

নিৰ্দিষ্ট সময়ত পুৱা ৬ বাজি ৪৫ মিনিটত ভিষ্টাডোম এক্সপ্ৰেছে গতি ল'লে। দুয়োকাষৰ সুবিশাল খেতিপথাৰ, অদূৰৰ সেউজীয়া গছ-গছনিৰ দৃশ্য উপভোগ কৰি পুৱাই পুৱাই আৰম্ভ হোৱা এই ৰে'ল যাত্ৰা আছিল বৰ মনোৰম।

ভিষ্টাডোম কোচ্চটো ট্ৰেইনখনৰ একেবাৰে শেষত সংযুক্ত। কোচ্চটোৰ পিছফালটো এখন স্বচ্ছ কাঁচেৰে আবৃত, সেয়েহে বাহিৰৰ সকলো দৃশ্য সুন্দৰভাৱে দৃশ্যমান। সুদূৰৰ নদী, জান-জুৰি, মাজে মাজে সমতল ভূমিত হোৱা বিভিন্ন ধৰণৰ ৰবি শস্য, মাজে মাজে দুই-এটা শিলাময় পাহাৰ, বেছিভাগেই ডাঠ অৰণ্যৰে আবৃত পাহাৰ, দুয়োকাষে ফুলি থকা কঁহুৱা বন আৰু পুৱাৰ কোমল ৰ'দত জিলিকি উঠা, পিছলৈ এৰি অহা একা-বেঁকা ৰে'লপথৰ দৃশ্য উপভোগ কৰি কৰি কৰা এই যাত্ৰাৰ মাদকতাই সুকীয়া। এনে অনুভৱ হয় যেন এনেহেন মনোৰম যাত্ৰাটো আৰু কিছু দীঘলীয়া হওঁক। মান্দাৰডিছা আৰু মাইবং ষ্টেচন পাৰ হৈ প্ৰায় ১১-১৫ মিনিটত আমি আমাৰ গন্তব্যস্থান নিউ হাফলং ষ্টেচনত নামিলোঁ। অতি মনোমোহা প্ৰাকৃতিক পৰিৱেশৰ মাজত নিউ হাফলং, এটি সৰু ৰে'লৱে ষ্টেচন।

ষ্টেচনত অট', ব'লেৰো আদি ৰৈ থাকে। এখন অট'ৰে পাঁচজন যাত্ৰী কঢ়িয়াই নিয়ে। হাফলং চহৰলৈ আহিবলৈ সাধাৰণতে গাইপতি এশ টকাকৈ লয়। আমাৰ

প্ৰতিজনৰ লগত কিছু লাগেজ থকা বাবে চাৰিশ টকাত আমি এখন অট' বন্দৰস্ত কৰি ল'লোঁ।

ষ্টেচনৰ পৰা বেছ কিছু উচ্চতাত অৱস্থিত এই পাহাৰীয়া চহৰখন। "হাফলং" নামটো ডুমাছা শব্দ "Hengkhlong" (অৰ্থ Enriched land)ৰ পৰা হোৱা বুলি জনা যায়। খেনোৰ মতে আকৌ হাফলং নামটো "Haflaco" (অৰ্থ Ant-Hill) শব্দৰ পৰা হোৱা, যাৰ বাবে হাফলঙক "White Ant-Hillock" বুলিও জনা যায়।

প্ৰায় ২০-২৫ মিনিট অঁকোৰা-পকোৰা বাটেৰে উঠি অহাৰ পিছত আমি আগতেই বুক কৰি থোৱা Homestay "Misty Mountain" ত আহি উপস্থিত হ'লোঁ। হাফলং চহৰখনৰ মূল বজাৰখনৰ ওচৰতে অৱস্থিত এই হোমষ্টেটো। অকণমান ঠাইতেই প্ৰয়োজনীয় সকলো সা-সুবিধাৰে সুন্দৰকৈ সাজি উলিওৱা এটি অকণমানি ঘৰ।

আমি অলপ ফ্ৰেচ হৈ, সম্পূৰ্ণ ঘৰুৱাভাৱে প্ৰস্তুত কৰা সুস্বাদু ভাতসাঁজেৰে দুপৰীয়া আহাৰ সমাপ্ত কৰি ২ বজাত বজাৰৰ ওচৰলৈ ওলাই আহিলোঁ। ওলাই আহোঁতেই চকুত পৰিল কেইগৰাকীমান স্থানীয় লোকে বেচিবৰ বাবে থৈ দিয়া স্থানীয়ভাৱে উপলব্ধ চিনাকি-অচিনাকি বিভিন্ন ধৰণৰ থলুৱা শাক-পাচলি। ফটক্কৈ ফটো দুখনমান লৈ ল'লোঁ যাতে পিছত সেই অচিনাকি বনশাক-পাচলিবোৰ চিনাক্ত কৰিবলৈ সুবিধা হয়। নিৰ্দিষ্ট ঠাইত আমাৰ গাড়ী আহি ৰৈ আছিল। শ্ৰীমান কল্লোলে ৰে'লৰে ষ্টেচনতে গাড়ী এখন ঠিক কৰি থৈ আহিছিল। গাড়ীৰ ড্ৰাইভাৰ জফৰ খান বৰ ভদ্ৰ, অমায়িক ল'ৰা। তেওঁৰ পূৰ্বপুৰুষ আফগানিস্থানৰ পৰা আহি ইয়াতে স্থায়ীভাৱে থাকি গ'ল।

প্ৰথমেই আমি গ'লোঁ হাফলং চহৰৰ নাতিদূৰৈত অৱস্থিত নৃগোষ্ঠীয় (Ethnic) গাঁওখনলৈ। বিভিন্ন ধৰণৰ গছ-গছনিৰে পৰিবেষ্টিত, পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখা এটি বিশাল চৌহদ। চৌহদটোৰ ভিতৰত বিভিন্ন জনগোষ্ঠী যেনে ডিমাচা, কাৰ্বি, বিয়েটি (Biate), জেংটি (Gante), মাৰ (Hmar), কুকি, জেমি নাগা, ৰংমেই নাগা (Rongmai Naga), ৰাংখোল (Hragkhol), খেলমা (Khelme), ভেইফেই (Vaiphei), চেমখেৰ (Semkher) আদিৰ জীৱনশৈলী যেনে তেওঁলোকৰ শোৱনী কোঠা, পাকঘৰ, তেওঁলোকে ব্যৱহাৰ কৰা বাচন-বৰ্তন, মাছ ধৰা বা খেতি-বাতিৰ সঁজুলি আদি চিত্ৰিত কৰি একো একোটা বাসগৃহ অতি সুন্দৰভাৱে উপস্থাপন কৰি থৈছে। প্ৰতিটো বাসগৃহৰ সন্মুখত সেই জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা একোটা ভাস্কৰ্য। কোনোটো ভাস্কৰ্য ইমানেই সজীৱ যে সেইটো এটি মূৰ্তিয়েই নে সঁচা মানুহ ধৰা টান। Ethnic Village ত কিছুসময় কটাই এইবাৰ আমি আহিলোঁ "জাতিংগা" অভিমুখে। গাড়ীৰ পৰা নামি জাতিংগা ভিউ পইণ্টৰ ওপৰলৈ উঠি গ'লোঁ। অদূৰত মনোৰম দৃশ্য। শাৰী শাৰী পাহাৰ আৰু তাৰ মাজে মাজে ভাহি অহা একো চপৰা শুকুলা ডাৱৰ। মন ভৰি গ'ল। আচৰিত কথা যে ভিউপইণ্টত অদ্ভুতধৰণে বতাহ। জনা যায় যে আগষ্ট আৰু ছেপ্তেম্বৰ মাহত এই জাতিংগাতে চৰাইৰ আত্মহননৰ এক অদ্ভুত পৰিঘটনা সংঘটিত হয়। অক্ষাংশৰ উচ্চতা, বতাহৰ প্ৰবল গতিবেগ আৰু ঘন কুঁৱলীৰ সংমিশ্ৰণত বিভিন্ন পৰিভ্ৰমী চৰায়ে দিক্‌বিদিক্ হেৰুৱাই, দিশহাৰা হৈ নিম্ন উচ্চতাত অৱস্থিত গাঁওবোৰৰ হাবিত থকা বাঁহৰ আগত খুন্দা খাই মাটিত পৰি যায় আৰু স্থানীয় লোকৰ হাতত প্ৰাণ দিবলগীয়া হয়। সেয়াই জাতিংগাৰ পক্ষীৰ আত্মহননৰ দুখজনক প্ৰাকৃতিক পৰিঘটনা। কিছু দুখমিশ্ৰিত অনুভৱ লৈ ভিউ পইণ্টটোৰ পৰা নামি আহিলোঁ। মাথো পাঁচ মিনিটমান গৈয়েই পালোঁ এলবাৰ্ট ভিউ পইণ্ট। তলত এখন সৰু আটোমটোকাৰি ৰেষ্টুৰেণ্ট আৰু ওপৰত ভিউ পইণ্ট। তিনিকাপ লেমন টিৰ অৰ্ডাৰ কৰি ওপৰত

বহিলোঁগৈ। ক্ষন্তেক পিছতে চাহ আহিল। চাহত চুমুক দি বতাহৰ বেগৰ লগত দূৰৈৰ শাৰী শাৰী বৰাইল পৰ্বতশ্ৰেণীলৈ মন উৰুৱালৈ দিলোঁ। গভীৰ প্ৰশান্তিৰে মন ভৰি গ'ল। কিছু সময় তাত কটাই এইবাৰ আহিলোঁ চহৰৰ মাজমজিয়াত অৱস্থিত আৱৰ্ত ভৱনটোলৈ। চেণ্ট্ৰেল লেকৰ কাষত অৱস্থিত ছবিৰ দৰে এটি ধুনীয়া চৌহদ। বেছ ওখ টিলা এটাত অৱস্থিত হোৱা বাবে নামনি অংশৰ নয়নাভিৰাম দৃশ্য ইয়াৰ পৰা সুন্দৰভাৱে উপভোগ কৰিব পাৰি। ইয়াৰ পৰা দৈয়াং ৰে'লৱে ব্ৰীজ বৰ সুন্দৰকৈ দেখা যায়। একেটা চৌহদতে দুটা ঘৰ, এটা আসাম টাইপৰ আৰু আনটো আৰ চি চি। নতুন আৰ চি চি গৃহটো ১৯৯১ চনত সজা। পুৰণি আৱৰ্ত ভৱনৰ বাৰাণ্ডাত কিছু সময় বহি আমি এইবাৰ চেণ্ট্ৰেল লেকৰ একেবাৰে ওচৰত থকা উদ্ভিদ উদ্যানখনলৈ আহিলোঁ। বৰ বেছি ডাঙৰ নহয় যদিও উদ্যানখন বৰ পৰিপাটিকৈ সজোৱা। অৰ্কিড গৃহটোত বহুতো অৰ্কিডৰ সমাহাৰ। তাৰ পিছত আহিলোঁ চেণ্ট্ৰেল লেকটোলৈ। তেতিয়ালৈ সন্ধ্যা লাগো লাগো। আমি কিন্তু বোটিং কৰা লোভটো সামৰিব নোৱাৰিলোঁ। ২০০ টকা দি বোট এখন ভাড়ালৈ ল'লোঁ। ভালেখিনি সময় আমি বোটিং কৰিলোঁ। তেতিয়ালৈ আমি বেছ ঠাণ্ডা অনুভৱ কৰিছিলোঁ। ইয়াৰ পিছত জফৰ খানে আমাক ফিয়েংপুই গীৰ্জাঘৰলৈ লৈ গ'ল। কিন্তু বন্ধ হৈ থকা বাবে সেই সুন্দৰ গীৰ্জাটোত সোমোৱাৰ পৰা বঞ্চিত হ'লোঁ। তেতিয়ালৈ সম্পূৰ্ণ আন্ধাৰ। জফৰে আমাক শেষৰটো ভিউ পইণ্টত নমাই দিলে আৰু তাৰ পৰাই আমি চালোঁ নিশাৰ মনোমোহা হাফলং চহৰখন। সিদিনাৰ যাত্ৰা আমি সিমানতে সামৰি সাতমান বজাত হোমষ্টেত সোমালোঁহি। পিছদিনাখন ছয় বজাতে গাড়ী আহিব আমাক উমৰাংচুলৈ লৈ যাবৰ বাবে। ৯০০০/-টকাত গাড়ী এখন বন্দবস্ত কৰি থোৱা হ'ল।

পিছদিনাখন (১০ ফেব্ৰুৱাৰী) ৭.৩০ মান বজাত আমাৰ যাত্ৰা আৰম্ভ হ'ল। আঁকোৰা-পকোৰা পাহাৰীয়া ৰাস্তা। দূৰদূৰণিলৈ কোনো মানুহৰ বসতি চকুত নপৰিল। দুঘণ্টামান যোৱাৰ পাছত আমাৰ গাড়ীৰ ড্ৰাইভাৰ সুব্ৰত মাইবংচাই এখন তোৰণৰ ওচৰত গাড়ীখন ৰখাই দিলে আৰু আমাক ইংগিত দিলে গাড়ীৰ পৰা নামি আহিবলৈ। তোৰণখনত লিখা আছে "Hongso Bushu Gunjum, 7-14 February"। সুব্ৰতই ক'লে তাত সাতদিনীয়াকৈ ডিমাচা বিহু অনুষ্ঠিত হৈছে। সেই সাতদিন দিনে-ৰাতিয়ে কোনো যতি নপৰাকৈ মঞ্চত বিহু চলি থাকিব।

আচলতে এই জিলাখনত মুখ্যতঃ শীত আৰু বসন্ত কালত নানাৰঙী উৎসৱ অনুষ্ঠিত হয় বাবে "Land of living culture" বুলিও জনা যায়। ডিমা হাছাও জিলাত তিনি ধৰণৰ বিহু উদযাপন কৰা হয়। প্ৰথমবিধ হৈছে জিডাব (Jidab বা সাধাৰণ বিহু), যিটো জানুৱাৰীৰ ২৭ তাৰিখৰ পৰা দুই-তিনিদিনীয়াটো উদযাপন কৰা হয়। দ্বিতীয়তে হৈছে চুৰেম বিহু যাক পাঁচদিন ধৰি পালন কৰা হয় আৰু আৰু তৃতীয়তে Hangshu Bushu, যাক দহ বছৰৰ মূৰে মূৰে সাত দিনীয়াকৈ অনুষ্ঠিত কৰা হয়।

গাড়ীৰ পৰা নামি আমি তোৰণৰ তলেৰে আগবাঢ়িলোঁ। বাঁহৰ খুঁটা পুতি ওপৰত ত্ৰিপাল লগাই সাজি উলিওৱা এটুকুৰা আহল-বহল ঠাই। তাতে কেইগৰাকীমান নৃত্যৰতা ডিমাচা গাভৰু। ডিমাচা স্থানীয় পোছাকবোৰ খুউব চকুত লগা, উজ্জ্বল ৰঙৰ। মঞ্চৰ এটা ফালে কেইজনমান পুৰুষে বিভিন্ন দৈৰ্ঘৰ কেবাটাও ঢোল বজাই আছে আৰু ওচৰতে এজনে এবিধ বেছ দীঘল বাঁহীৰ দৰে (বাঁহী নহয়) বাদ্য বজাই আছে। এটা নিয়মীয়া, মৃদুগতিত বাঁহীৰ দৰে বাদ্যবিধ আৰু ঢোল বাজি আছে আৰু তাৰ ছেৱে ছেৱে সেই একে মৃদু লয়ত নৃত্যৰতা গাভৰুকেইগৰাকীয়ে তেওঁলোকৰ পদযুগল সঞ্চালন কৰি আছে। মাজে মাজে দুজনমান

ডেকা ল'ৰাকো নচা দেখিলোঁ। আমাক দুজনীমান ছোৱালী আহি বহিবলৈ চকী আগবঢ়াই দিলে। মঞ্চৰ এটা ফালে এটা ডাঙৰ পাত্ৰত খুউব সম্ভৱ পৰম্পৰাগত পানীয় থৈ দিয়া আছে। তেনেতে দুজনী ছোৱালী আগবাঢ়ি আহি আমাৰ প্ৰত্যেকৰে হাতত একোটাকৈ কেঁচা বাঁহৰ চুঙা (মুখখন কেৰেচীয়াকৈ কটা) দি গ'ল আৰু আন এগৰাকীয়ে পানীলাউ শুকুৱাই বনোৱা এটি সৰু মৰমলগা পাত্ৰৰে আমাৰ প্ৰত্যেকৰে চুঙাত "জুডিমা" (স্থানীয় মদ) বাকি দি গ'ল। আমি নাখাও বুলি ক'লে বেয়া পাব পাৰে বুলি প্ৰত্যেকেই "জুডিমা" মুখত দিলোঁ। ইয়াৰ আগতে পানীয়বিধৰ সোৱাদ কেনে হ'ব পাৰে তাৰ কোনো ধাৰণা মোৰ নাছিল যদিও মুখত দি গম পালোঁ ই অতি সোৱাদযুক্ত। সম্পূৰ্ণ থলুৱা পৰিৱেশত থলুৱা বিহু তথা থলুৱা পানীয়ৰ জুতি লৈ এটি আপুৰুগীয়া অভিজ্ঞতা বুকুত সামৰি আমি তাৰ পৰা বিদায় ল'লোঁ। কিছুদূৰ গৈয়েই এটি ভিউপইণ্টত নামিলোঁ। নিজ চকুৰে নেদেখিলে বিশ্বাস কৰিব নোৱাৰা অপৰূপ প্ৰাকৃতিক দৃশ্য। কিছু আলোকচিত্ৰ সংগ্ৰহ কৰি পুনৰ গাড়ীত উঠিলোঁ। গন্তব্যস্থানলৈ এতিয়াও বহু বাট বাকী। প্ৰায় এঘণ্টামান আহি এঠাইত আমি পুৱাৰ আহাৰ খালোঁ।

দুপৰীয়া প্ৰায় ১২.৩০ মান বজাত "মাইৰংমা দাওগা কপিলী তীৰ্থ" তোৰণৰ তলেৰে গৈ লাংকলাংক্ৰা (পানীমূৰ) জলপ্ৰপাত পালোঁগৈ। তোৰণখনৰ দুয়োফালে ৰজা থাম্ৰোধ্বজৰ (King Thamrodhwaj) দুগৰাকী জীয়ৰীৰ প্ৰতিমূৰ্তি সজাই থোৱা আছে। কথিত আছে যে বৰজীয়ৰী দাৰমিদি মাইৰংমা দাওথা (Dermidi Mairangma Daoga) আৰু সৰু জীয়ৰী আৰমিদি মাইৰংমা দাওগাই (Armidi Mairorgma Daoga) তেওঁলোকৰ পিতৃৰ লগত আহি তেওঁলোকৰ মাতৃ জাওৰুংভি মাইৰংমা দাওগাৰ অস্থি গুবিলি নদী (পানীমূৰ)ত বিসৰ্জন দিছিল ১৬০৬ খ্ৰীষ্টাব্দত। ফেনীল জলৰাশিৰে সৈতে অপৰূপ এই পানীমূৰ জলপ্ৰপাত। ইয়াত তিনিটা জলপ্ৰপাত ওচৰাউচৰিকৈ আছে। যিখিনি ঠাইত আহি পানীভাগ কিছু শান্ত হৈছে তাত সেউজীয়া আৰু নীলা ৰঙৰ পানীৰ এক অপৰূপ সমাহাৰ। চাৰিওফালে চাই হেঁপাহ নপলোৱা মনোৰম প্ৰাকৃতিক দৃশ্যৰাজি। গাইপতি ৫০ টকাকৈ দি আমি এখন কাঠৰ নাৱত উঠিলোঁ। নাৱত উঠি এনে অনুভৱ কৰিলোঁ যে এনে মন হৰি নিয়া দৃশ্য মই আগতে কেতিয়াও দেখা নাই। এই ফেব্ৰুৱাৰী মাহতো পানী যথেষ্ট দ, প্ৰায় ৩৫ ফুট। কিন্তু পানী ইমান পৰিষ্কাৰ যে তলৰ ডাঙৰ ডাঙৰ শিলবোৰ ফটফটীয়াকৈ দেখা পোৱা যায়। সেই অতীৱ সুন্দৰ দৃশ্যৰাজি আমাৰ মোবাইল কেমেৰাকে ধৰি ৰাখিবলৈ আমি আপ্ৰাণ চেষ্টা কৰিলোঁ। অনিচ্ছসত্বেও এটা সময়ত আমি পাৰলৈ উঠি আহিলোঁ। ইয়াৰ পিছত আমি গ'লোঁ Miyungma Daogah Water Fall আৰু কপিলী নৈৰ ওপৰত স্থাপন হোৱা Hydroelectric Project চাবলৈ।

ইতিমধ্যে আমাৰ আটাইৰে প্ৰচণ্ড ভোক অনুভৱ হৈছিল। গভীৰ অৰণ্যৰ মাজৰ আঁকোৱা-পকোৱা, খলা-বমা পথেৰে বহুদূৰ আহি অৱশেষত ৪.৩০ মান বজাত আমি উমৰাংচু পালোহি আৰু এখন ৰেষ্টুৰেণ্টত সোমাই ভালদৰে খাই ল'লোঁ।

খাই উঠি আমি গ'লোঁ polo ground লৈ। বিস্তীৰ্ণ এলেকা জুৰি থকা polo ground খন সেই সন্ধিয়া নামো নামো সময়ত চাই বৰ ভাগ লাগিল।

ইয়াৰ পৰা আমাৰ ওভতনি যাত্ৰা আৰম্ভ হ'ল হাফলং চহৰলৈ। ৭.৩০ মান বজাত আহি আকৌ সেই ডিমাচা বিহু হৈ থকা ঠাইখন (Gunjum) পালোঁহি। তেতিয়া ঠাইখন লোকে লোকাৰণ্য। গাড়ীৰ পৰা নমাৰ লোভ সামৰিব নোৱাৰিলোঁ। তেতিয়া সেই বিশাল মঞ্চসদৃশ এলেকা বিভিন্ন বয়সৰ ছোৱালী-

মহিলাই পৰিৱেশন কৰি থকা নৃত্যৰে মুখৰিত হৈ আছে। বিভিন্ন প্ৰকাৰৰ ঢোল-পেঁপা বাজি আছে। ৰঙচঙীয়া মঞ্চ বিজুলীবাতিৰ পোহৰত জ্বলমলাই আছে। মঞ্চ আগুৰি ওচৰৰ গাঁওবোৰৰ পৰা অহা পুৰুষ-মহিলা আৰু ল'ৰা-ছোৱালী। সকলো বিহুৰ আনন্দত মতলীয়া। চাৰিওফালে এক উৎসৱমুখৰ বাতাবৰণ। পৰিৱেশটো খুউব উপভোগ কৰিলোঁ আৰু এই বিশেষ সময়টোতে ইয়ালৈ অহাৰ সুযোগ মিলা বাবে নিজকে ভাগ্যবান বুলি বোধ হ'ল। নিশা প্ৰায় ৯ বজাত আহি হাফলং পালোঁহি।

পিছদিনা পুৱা ৮ বজাতেই আমি ওলালোঁ মাইবঙলৈ বুলি, গাড়ী আগদিনাৰখনেই। শাৰী শাৰী কঁহুৱাৰ মাজে মাজে মাইবঙলৈ যোৱা পথটো বৰ সুন্দৰ। লামডিং-হাফলং হাইৱেৰ সুৰংগৰ মাজেৰে পাৰ হৈ এঘণ্টামান পিছতে আমি মাইবঙৰ ইতিহাস প্ৰসিদ্ধ শিলা ঘৰ (Stone House)ত উপস্থিত হ'লোঁ। মাইবঙৰ এই শিলা ঘৰৰ লগত ডিমাচাসকলৰ বৰ্ণিল ইতিহাস জড়িত হৈ আছে। মাইবঙৰ আগতে ডিমাচা ৰাজ্যৰ ৰাজধানী আছিল ডিমাপুৰ। পৌৰণিক তত্ত্ব অনুসৰি ডিমাচাসকল ভীম আৰু হিড়িম্বাৰ পুত্ৰ ঘটোৎকচৰ বংশধৰ। আহোম ৰজাৰ আক্ৰমণৰ ফলত ডিমাচাসকল মাইবঙলৈ আহিবলৈ বাধ্য হয়। পুনৰ তেওঁলোকে কোঁচ ৰজাৰ আক্ৰমণৰ মুখামুখি হয়। কথিত আছে যে কোঁচ ৰজাৰ লগত হোৱা এই যুদ্ধৰ সময়তে এদিন ৰাতি সপোনত ডিমাচা ৰজাক আই গোসাঁনীয়ে দেখা দিয়ে আৰু ৰজাই নিজৰ বিজয় বাসনা কৰি দেৱীক আৰাধনা কৰে। তেতিয়া দেৱীয়ে এৰাতিৰ ভিতৰতে এটুকুৰা শিলৰ পৰা এটা ঘৰ সাজিবলৈ ৰজাক আদেশ দিয়ে যিটো ঘৰৰ ভিতৰত ৰজাই এনে এবিধ অস্ত্ৰ পাব যাৰ দ্বাৰা কোঁচ ৰজাক যুঁজত ধৰাশায়ী কৰিব পাৰিব। কিন্তু ডিমাচা ৰজা দেৱীৰ এই নিৰ্দেশ পালনত ব্যৰ্থ হয় আৰু যুদ্ধত পৰাজয় বৰণ কৰে। সেয়েহে এই শিলাঘৰটোত প্ৰৱেশদ্বাৰ আৰু খিৰিকীৰ আকৃতিত শিল কটা আছে যদিও ভিতৰ ফালটো কাটিবলৈ ৰৈ যোৱা শিলাখণ্ডৰে ভৰি আছে। আগতে হয়তো শিলাখণ্ডটোত উঠিবলৈ ৰেইলিঙৰ সুবিধা আছিল। কাৰণ শিলাখণ্ডটোৰ ওপৰত ভ্ৰমণকাৰীসকলে লিখা নাম, বিভিন্ন চিহ্ন আদি দেখিলোঁ। পৌৰাণিক স্মৃতিচিহ্নসমূহত এইদৰে নিজৰ নাম লিখা, চোকা অস্ত্ৰেৰে দকৈ কাটি সেইবোৰৰ ক্ষতিসাধন কৰা মানসিকতাই মনত বৰ দুখ দিয়ে। আমি যাওঁতে অৱশ্যে শিলাঘৰটোলৈ উঠাৰ একো সুবিধা দেখা নাপালোঁ, সম্ভৱতঃ স্মৃতি চিহ্নটিৰ সুৰক্ষা তথা সংৰক্ষণৰ উদ্দেশ্যেই এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

শিলাঘৰৰ পৰা এইবাৰ আমি গ'লোঁ মাইবং কলেজ চাবলৈ। মাইবং ডিগ্ৰী কলেজ (Affiliated to Assam University, Silchar) ১৯৮৮ চনত স্থাপিত। কলেজখনৰ শৈক্ষিক তথা প্ৰাকৃতিক পৰিৱেশ বৰ সুন্দৰ। মাইবঙখন এখন সৰু, কিন্তু বৰ ধুনীয়া, পৰিপাটি মফচলীয়া চহৰ।

এইবাৰ পুনৰ অহা বাটেৰে হাফলং চহৰলৈ ওভতনি যাত্ৰা। বাটত সস্তাতে আদা, জলকীয়া, গুড়, ৰঙা বৰাচাউল, চজিনাৰ ফুল, তেতেলী আদি কিনি ল'লোঁ। হাফলং চহৰ পাই এখন থলুৱা খাদ্য পৰিৱেশন কৰা ৰেষ্টুৰেণ্টত সোমাই তৃপ্তিৰে ভাত এসাঁজ খালোঁ। খুউব কম সময়ৰ কাৰণে এবাৰ হাফলঙত বজাৰত সোমাই দুই-এপদ পৰম্পৰাগত বস্তু কিনি ৰে'লৰে ষ্টেচনলৈ ৰাওনা হ'লোঁ। আগদিনাখন ৰাতিপুৱাৰ পৰা আমাক ঘূৰাই ফুৰোৱা মৰমলগা ডিমাচা ডেকা সুব্ৰত মাইবাংচাৰ পৰা আমি বিদায় ল'লোঁ। দুই বজাত আমাৰ কাঞ্চনজংঘা এক্সপ্ৰেছ আহি ষ্টেচনত সোমাল আৰু দুই বাজি পোন্ধৰ মিনিটত বহুতো সুন্দৰ স্মৃতি, কিছু বিৰল অভিজ্ঞতা বুকুত সামৰি আমি মনোমোহা চহৰ হাফলঙৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হ'লোঁ।

বিদায় হাফলং ...।

# ভাৰতবৰ্ষৰ মহিলা গণিতজ্ঞ : এটি আলোচনা

**ড° অঞ্জনা ভট্টাচাৰ্য**
সহযোগী অধ্যাপক
গণিত বিভাগ, বি. বৰুৱা কলেজ

গণিত শাস্ত্ৰৰ অধ্যয়ন বুলিলে সাধাৰণতে সংখ্যা, আকাৰ, স্থান, সম্বন্ধ আদিৰ অধ্যয়নকে বুজা যায়, যদিও বাস্তৱিকতে গণিতৰ ক্ষেত্ৰখন অতি বিশাল। বিজ্ঞানৰ প্ৰতিটো শাখাতেই গণিতৰ সূত্ৰ তথা গাণিতীক চিন্তা-চৰ্চাৰ বহুল প্ৰয়োগ দেখিবলৈ পোৱা যায়। সমাজ বিজ্ঞানৰ বিভিন্ন দিশ অধ্যয়নৰ ক্ষেত্ৰটো গাণিতিক যুক্তি তথা বিমূৰ্ত গণিতৰ ধাৰণাসমূহৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। সেইবাবেই গণিতক বিজ্ঞানৰ ৰাণী হিচাপেও অভিহিত কৰা হয়, যাৰ অবিহনে বিজ্ঞানৰ কোনো এটা বিষয়ৰে অধ্যয়ন সম্পূৰ্ণ নহয়। ভাৰতবৰ্ষত গণিত চৰ্চাৰ ইতিহাস অতি পুৰণি। প্ৰাগ-ঐতিহাসিক কালৰে পৰা ভাৰতত অতি উচ্চ পৰ্যায়ৰ গণিতৰ চৰ্চা হৈ আহিছে। ভাৰতীয় গণিতজ্ঞৰ সৃষ্ট গণিতৰ মৌলিক ধাৰণাসমূহে বিশ্বৰ গণিত বিজ্ঞানৰ ক্ষেত্ৰখনত অতি লেখত ল'বলগীয়া অৱদান হিচাপে স্বীকৃতি লাভ কৰিছে।

সিন্ধু সভ্যতাৰ বিকাশৰ সময়ৰে পৰা আমাৰ দেশত গণিতৰ চৰ্চা হৈছিল বুলি ইতিহাসবিদসকলে দাবী কৰে। সিন্ধু সভ্যতাৰ হৰাপ্পা আৰু মহেঞ্জোদাৰো চহৰত উদ্ধাৰ হোৱা ভগ্নাৱশেষসমূহে সেই সময়ৰ উচ্চ মান বিশিষ্ট জ্যামিতি তথা কাৰিকৰী কৌশলৰ চৰ্চাকে প্ৰতিপন্ন কৰে। বৈদিক যুগৰ হিন্দুসকলৰ এক উল্লেখনীয় অৱদান হৈছে দশমিক পদ্ধতিৰ আৱিষ্কাৰ। বৰ্তমান সময়ত সমগ্ৰ বিশ্বই ব্যৱহাৰ কৰা ১ ৰ পৰা ৯ লৈ অংক বুজোৱা সংকেতসমূহ বৈদিক হিন্দু সকলৰে অৱদান। তদুপৰি ০(শূন্য)ৰ আৱিষ্কাৰো এই সময়তে হৈছিল। খ্ৰীষ্টাব্দ পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ ভাৰতীয় গণিত শাস্ত্ৰৰ এক সোণালী যুগ বুলি ক'ব পাৰি। এই সময়ছোৱাৰ কেইগৰাকীমান প্ৰখ্যাত গণিতজ্ঞ হ'ল ঃ আৰ্যভট্ট (পঞ্চম শতিকা), ব্ৰহ্মগুপ্ত (সপ্তম শতিকা), মহাবীৰ (৮৫০ খ্ৰীষ্টাব্দ), শ্ৰীধৰ (১০২০ খ্ৰীষ্টাব্দ), শ্ৰীপতি (১০৩৯ খ্ৰীষ্টাব্দ), ভাস্কৰাচাৰ্য (১১১৪ খ্ৰীষ্টাব্দ) আদি।

ভাৰতবৰ্ষৰ গণিত চৰ্চাৰ সোণালী ইতিহাস ৰচনাৰ ক্ষেত্ৰত মহিলা গণিতজ্ঞসকলৰ অৱদান নুই কৰিব নোৱাৰি। ১৮শ শতিকা তথা ১৯ শ শতিকাৰ আৰম্ভণি সময়ছোৱাত যেতিয়া সমগ্ৰ বিশ্বৰ লগতে বিশেষকৈ ইউৰোপ মহাদেশত নাৰী সকলে সমমৰ্যাদা তথা সম অধিকাৰৰ দাবীৰে আন্দোলন চলাই আছিল সেই সময়ত তথা তাতোকৈ বহু আগৰে পৰাই ভাৰতীয় নাৰীসকলে পুৰুষৰ সমানেই গণিত তথা বিজ্ঞান চৰ্চাত আত্মনিয়োগ কৰিছিল। অতি প্ৰাচীনকালৰে পৰা গণিতৰ ক্ষেত্ৰখনলৈ ভাৰতীয় নাৰীসকলে প্ৰশংসনীয় অৱদান আগবঢ়াই আহিছে। আদি বৈদিক যুগ (২০০০ BCE - ১০০০ BCE)ৰ কেইগৰাকীমান প্ৰখ্যাত মহিলা গণিতজ্ঞ হ'ল ঃ গাৰ্গী বাচকন্বী, লীলাৱতী, খনা, মৈত্ৰেয়ী আদি। গাৰ্গী বাচকন্বীৰ বৈদিক সাহিত্য, দৰ্শন তথা ইতিহাসত অগাধ পাণ্ডিত্য আছিল। একে সময়তে

তেওঁৰ পৃথিৱী, সূৰ্য্য, চন্দ্ৰৰ স্থিতি তথা জ্যোতিৰ্বিজ্ঞানৰ ওপৰতো দখল আছিল। প্ৰাচীন বিদেহ ৰাজ্যৰ ৰজা জনকৰ ৰাজসভাৰ নৱৰত্নসকলৰ মাজত এগৰাকী অন্যতম ৰত্ন আছিল গাৰ্গী। বৃহদাৰণ্যক উপনিষদত বৰ্ণিত তথ্য অনুসৰি সেই সময়ত জনক ৰজাৰ ৰাজসভাত আয়োজিত এক দাৰ্শনিক তৰ্ক ব্ৰহ্মযজ্ঞত একমাত্ৰ মহিলা অংশগ্ৰহণকাৰী আছিল গাৰ্গী। তেওঁ সেই ব্ৰহ্মযজ্ঞত আত্মাৰ লগতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি তথা স্থিতিৰ ওপৰত জটিল প্ৰশ্ন উত্থাপন কৰি সম সাময়িক এগৰাকী বিদগ্ধ পণ্ডিত যাজ্ঞবল্ক্যক প্ৰত্যাহ্বান জনাইছিল। বিশেষকৈ Metaphysics আৰু সৃষ্টিতত্ত্বৰ ওপৰত তত্ত্বগধুৰ প্ৰশ্নেৰে তেখেতে নিজৰ পাণ্ডিত্যৰ পৰিচয় দিছিল।

বৈদিক যুগৰ আন এগৰাকী প্ৰখ্যাত গণিতজ্ঞ ভাস্কৰাচাৰ্য্যৰ দুহিতা আছিল লীলাৱতী। অতি কম বয়সতে নিজৰ স্বামীক হেৰুওৱা লীলাৱতীয়ে পিতৃৰ পৰামৰ্শ অনুসৰি উচ্চ গণিতৰ অধ্যয়নত মনোনিৱেশ কৰিছিল আৰু বিশেষ বুৎপত্তি অৰ্জন কৰিছিল। গণিতৰ ক্ষেত্ৰখনলৈ বিশেষকৈ পাটীগণিত আৰু বীজগণিতলৈ পিতৃৰ লগ হৈ লীলাৱতীয়ে যথেষ্ট অৱদান আগবঢ়াইছিল। ভাস্কৰাচাৰ্য্যৰ এখন অন্যতম শ্ৰেষ্ঠ গ্ৰন্থ সিদ্ধান্ত শিৰোমণিৰ তৃতীয় খণ্ডটিৰ ৰচনা লীলাৱতীয়ে কৰিছিল বুলি জনা যায়। তদুপৰি নিজৰ জীয়ৰীৰ নামেৰে পাটীগণিত তথা বীজগণিত বিষয়ত ভাস্কৰাচাৰ্য্যৰ ৰচিত গ্ৰন্থ 'লীলাৱতী' ৰচনাৰ ক্ষেত্ৰটো তেওঁ পিতৃক সহযোগিতা আগবঢ়াইছিল। লীলাৱতী গ্ৰন্থখনত কবিতাৰ আকাৰত উপস্থাপন কৰা কিছুমান বীজগণিতীয় সমস্যাই লীলাৱতীৰ উচ্চগণিতৰ ওপৰত থকা প্ৰৱল বুৎপত্তিকে প্ৰতিফলিত কৰে। তেনেকুৱা এটি উদাহৰণ হ'ল—

মৌমাখিৰ এটা জাকৰ এক পঞ্চমাংশ কদমৰ ফুলৰ ওপৰত জিৰণি ল'বলৈ আহিছিল, নয়নতৰা ফুলত এক তৃতীয়াংশ।

এই সংখ্যা দুটাৰ মাজৰ পাৰ্থক্যৰ তিনিগুণ
কামিনী কাঞ্চন ফুলৰ ওপৰেৰে উৰি গ'ল,
আৰু এটা মৌমাখি অকলে বতাহত থাকিল উৰি
ফুলি থকা খৰিকাজাইৰ সুগন্ধিৰ দ্বাৰা হৈ আকৰ্ষিত।
মোক কওঁক, ধুনীয়া ছোৱালীজনী
কিমানটা মৌমাখি বাৰু জাকটোত আছিল?

যদি আমি মৌমাখিৰ সংখ্যাক অজ্ঞাত চলক হিচাপে চিহ্নিত কৰোঁ, আমি সমস্যাটো এক ৰৈখিক সমীকৰণৰ আকাৰত উপস্থাপন কৰিব পাৰোঁ আৰু লীলাৱতীৰ জাকত ১৫ টা মৌমাখি থকাটো চাবলৈ সমস্যাটো সমাধান কৰিব পাৰোঁ। কোৱা হয় যে লীলাৱতী তেওঁৰ দেউতাকৰ এনে বহুতো গাণিতিক শ্লোকৰ ৰচনাৰ ক্ষেত্ৰত সক্ৰিয় সহযোগী আছিল।

বিজ্ঞান আৰু গণিতৰ জগতখনত সুখ্যাতি অৰ্জন কৰা আন এটি পিতৃ-কন্যাৰ যুটি হ'ল বৰাহমিহিৰ আৰু খনা। বাস্তৱিকতে খনা আছিল বৰাহমিহিৰৰ বোৱাৰী। তেওঁলোকৰ দক্ষতাৰ ক্ষেত্ৰ আছিল জ্যোতিৰ্বিজ্ঞান। খনা (খোনা)ৰ কাহিনী বংগ আৰু ভাৰতৰ পূব অংশত জনপ্ৰিয়, আৰু তেওঁ খ্ৰীষ্টপূৰ্ব ৫ম শতিকাত বাস কৰিছিল বুলি বিশ্বাস কৰা হয়। বৰাহমিহিৰ আছিল ৰজা দ্বিতীয় চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ ৰাজসভাৰ গুৰুত্বপূৰ্ণ সদস্য। তেখেত এগৰাকী মহান গণিতজ্ঞ আৰু জ্যোতিৰ্বিজ্ঞানী আছিল। তেখেতে Pancasiddhantika আৰু বৃহৎ সংহিতা নামৰ গ্ৰন্থ ৰচনা কৰিছিল। এটা কাহিনী আছে যে, এদিন বৰাহমিহিৰ চিন্তাক্লিষ্ট মনেৰে ঘৰলৈ উভতি আহিছিল। সেইদিনা ৰাজসভাত ৰজাই আকাশত থকা তৰাৰ সংখ্যা জানিব বিচাৰিছিল আৰু বৰহমিহিৰে ইয়াৰ উত্তৰ দিব পৰা নাছিল। খনাই সমস্যাটো সমাধান কৰিছিল বুলি কোৱা হৈছিল, আৰু বৰাহমিহিৰে ৰাজসভাত ৰজাৰ সৈতে উত্তৰটো ভাগ বতৰা কৰি উচ্চ প্ৰশংসিত হৈছিল।

প্ৰাচীন ভাৰতত অধিবিদ্যা আৰু দৰ্শনৰ সৈতে বিজ্ঞান আৰু গণিতক আগুৱাই নিয়াৰ ক্ষেত্ৰত ভাৰতীয় নাৰীৰ অৱদানৰ ওপৰত কিছু আলোকপাত কৰা হ'ল। ভাৰত নামৰ এই সুন্দৰ আৰু প্ৰাচীন ভূমিৰ অস্তিত্বৰ পৰৱৰ্তী অধ্যায়লৈ যাওঁতে, আমি সদায় এই ভাৰতীয় মহিলাসকলৰ কৃতিত্বক সন্মানসহকাৰে স্মৰণ কৰাটো বাঞ্চনীয়।

পৰৱৰ্তী পৰ্যায়তো বহুতো মহান ভাৰতীয় গণিতজ্ঞই তেখেতসকলৰ অৱদানেৰে বিশ্বৰ গণিতৰ ক্ষেত্ৰখনত ভাৰতৰ নাম বিশেষভাৱে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত মহিলা গণিতজ্ঞৰ সংখ্যাও কম নহয়। এইসকল মহিলাই গণিতত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে আৰু ক্ষেত্ৰখনৰ আন মহিলাসকলৰ বাবে পথ প্ৰশস্ত কৰাত সহায় কৰিছে। তাৰ ভিতৰত এগৰাকী বিশেষ মহিলা গণিতজ্ঞ হ'ল শ্ৰীশকুন্তলা দেৱী।

ভাৰতীয় গণিতজ্ঞ শকুন্তলা দেৱীৰ জন্ম ১৯২৯ চনৰ ৪ নৱেম্বৰত কৰ্ণাটকৰ বাংগালোৰত এটা কানাড়া ব্ৰাহ্মণ পৰিয়ালত হৈছিল। তেওঁ খুব কম বয়সতে গণিতৰ জগতখনত এক অস্বাভাৱিক প্ৰতিভা প্ৰদৰ্শন কৰিছিল। তেওঁৰ দেউতাক চি ভি সুন্দৰৰাজ ৰাও চাৰ্কাছত ট্ৰেপিজ শিল্পী (Trapezde artist), টাইট্ৰঅপ ৱাকাৰ আৰু যাদুকৰ হিচাপে কাম কৰিছিল। তেওঁ তেওঁৰ ছোৱালীজনীৰ প্ৰায় তিনি বছৰ বয়সত তাচৰ কৌশল শিকোৱাৰ সময়ত সংখ্যা মনত ৰখাৰ সামৰ্থ্য আৱিষ্কাৰ কৰিছিল। ইয়াৰ পিছত দেউতাকে চাৰ্কাচ এৰি তেওঁক ৰোড শ্ব'ত লৈ গৈছিল, য'ত তেওঁ গণনাত নিজৰ সামৰ্থ্য প্ৰদৰ্শন কৰিছিল। কোনো আনুষ্ঠানিক শিক্ষা অবিহনে তেওঁ আশ্চৰ্য্যকৰভাৱে এইটো কৰিছিল। ছয় বছৰ বয়সত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ত নিজৰ গাণিতিক ক্ষমতা প্ৰদৰ্শন কৰিছিল। ১৯৭৭ চনত, তেওঁ ২৮ ছেকেণ্ডত দুটা ১৩-অংকৰ সংখ্যাৰ পূৰণফল সঠিকভাৱে গণনা কৰি মানসিক গণনাৰ বিশ্ব অভিলেখ গঢ়িছিল। দেৱীয়ে তেওঁৰ গাণিতিক প্ৰতিভা প্ৰদৰ্শন কৰি পৃথিৱীৰ কেইবাখনো দেশ ভ্ৰমণ কৰিছিল। ১৯৮৮ চনত বাৰ্কলেৰ কেলিফৰ্নিয়া বিশ্ববিদ্যালয়ৰ শৈক্ষিক মনোবিজ্ঞানৰ অধ্যাপক আৰ্থাৰ জেনছেনৰ দ্বাৰা নিজৰ অবিশ্বাস্য গাণিতিক সামৰ্থ্য অধ্যয়ন কৰাবলৈ তেওঁ আমেৰিকা ভ্ৰমণ কৰিছিল। জেনছেনে তেওঁ প্ৰদৰ্শন কৰা কেইবাটাও মৌখিক গণনাৰ পৰীক্ষা কৰিছিল, যাৰ ভিতৰত আছে বৃহৎ সংখ্যাৰ গণনা। তাৰ ভিতৰত প্ৰধানকৈ আছিল ৬১,৬২৯,৮৭৫ ৰ ঘনমূল আৰু ১৭০,৮৫৯,৩৭৫ৰ সপ্তম মূল গণনা কৰা। জেনছেনে জনাইছিল যে জেনছেনে তেওঁৰ টোকাবহীত সেই সংখ্যাবোৰ লিপিবদ্ধ কৰাৰ আগতেই দেৱীয়ে ওপৰোক্ত সমস্যাবোৰৰ সমাধান (ক্ৰমান্বয়ে ৩৯৫ আৰু ১৫) কৰি উলিয়াইছিল। জেনছেনে ১৯৯০ চনত একাডেমিক জাৰ্নেল ইণ্টেলিজেন্সত তেওঁৰ এই ফলাফল প্ৰকাশ কৰিছিল। ১৯৭৭ চনত, চাউদাৰ্ণ মেথডিষ্ট বিশ্ববিদ্যালয় (Southern Methodist University) ত, তেওঁ ৫০ ছেকেণ্ডত এটা ২০১ তা অংকৰ সংখ্যাৰ ২৩ তম মূল গণনা কৰি উলিয়াইছিল, যাৰ উত্তৰ আছিল ৫৪৬,৩৭২,৮৯১। ইয়াৰ শুদ্ধাশুদ্ধ পৰীক্ষা কৰিবলৈ US Bureau of Standards ত UNIVAC-1101 কম্পিউটাৰত এটা বিশেষ প্ৰ'গ্ৰাম লিখিব লগা হৈছিল আৰু উক্ত গণনা কাৰ্য কৰিবলৈ কম্পিউটাৰে যিমান সময় লৈছিল তাতকৈ কম সময়তে শকুন্তলা দেৱীয়ে শুদ্ধকৈ এই গণনা মৌখিকভাৱে কৰি উলিয়াইছিল। ১৯৮০ চনৰ ১৮ জুনত, তেওঁ দুটা ১৩-অংকৰ সংখ্যা ৭,৬৮৬,৩৬৯,৭৭৪, ৮৭০ আৰু ২,৪৬৫,০৯৯,৭৪৫, ৭৭৯ৰ পূৰণফল ১৮,৯৪৭,৬৬৮, ১৭৭, ৯৯৫, ৪২৬, ৪৬২,৭৭৩,৭৩০, ২৮ চেকেণ্ড সময়ত কৰি দেখুৱাইছিল। ইম্পেৰিয়েল কলেজ, লণ্ডনৰ কম্পিউটিং বিভাগৰ দ্বাৰা এই সংখ্যাবোৰ যাদৃচ্ছিকভাৱে বাছনি কৰা হৈছিল। এই অনুষ্ঠানটো ১৯৮২ চনৰ গ্ৰিনিজ বুক

অৰ ৱৰ্ল্ড ৰেকৰ্ডছত লিপিবদ্ধ কৰা হৈছিল। লেখক ষ্টিভেন স্মিথে মন্তব্য কৰিছিল, “এই গণনা ফলাফল প্ৰদৰ্শন ইমানেই উৎকৃষ্ট যে ইয়াক কেৱল অবিশ্বাস্য বুলি বৰ্ণনা কৰিব পাৰি।” এই কৃতিত্বৰ বাবে তেওঁক “মানৱ কম্পিউটাৰ” উপাধি প্ৰদান কৰা হৈছিল। বহুতো প্ৰতিষ্ঠানে শকুন্তলা দেৱীৰ প্ৰতিভাক স্বীকৃতি দিছিল, আৰু তেওঁক গোটেই জীৱনজুৰি অসংখ্য বঁটা আৰু সন্মানেৰে বিভূষিত কৰিছিল । তেওঁ গণিতৰ ওপৰত কেইবাখনো গ্ৰন্থ লিখি থৈ গৈছে। ২০১৩ চনত তেওঁৰ মৃত্যু হয়, কিন্তু তেওঁৰ অবিস্মৰণীয় গাণিতীক প্ৰতিভাই বিশ্বজুৰি গণিতজ্ঞসকলক অনুপ্ৰাণিত কৰি আহিছে।

বৰ্তমান সময়ত উচ্চ পৰ্যায়ৰ গণিতৰ গৱেষণা কাৰ্যত নিয়োজিত হৈ থকা কেইগৰাকীমান ভাৰতীয় মহিলা গণিতজ্ঞ হ'ল - ড° নীনা গুপ্তা , ৰমন পৰিমালা, সুজাতা ৰামদোৰাই আদি। ড° নীনা গুপ্তা আৰু ৰমন পৰিমালাই বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনত আগবঢ়োৱা দেশৰ সন্মানীয় শান্তিস্বৰূপ ভাটনাগৰ বঁটা লাভ কৰাৰ বিপৰীতে ৰামদোৰাই লাভ কৰিছে সন্মানীয় ৰামানুজন বঁটা।

এনেদৰে বিভিন্ন সময়ত ভাৰতীয় মহিলা গণিতজ্ঞসকলে বিশ্বৰ গণিত ক্ষেত্ৰখনত নিজস্ব প্ৰতিভাৰে উজ্জ্বলি উঠাৰ লগতে উত্তৰসুৰীসকলোকো গণিত অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে।

> মানুহৰ সংগই যেতিয়া মানুহক বেছি নিসঙ্গ কৰি তোলে, তেতিয়া সেই নিসঙ্গতাই হৈ পৰে আটাইতকৈ অসহ্য আৰু যন্ত্ৰনাময়, নিঃসঙ্গতা।
>
> **— হোমেন বৰগোহাঞি**

# Women Empowerment through the Lenses of G20 Summit

**Dr. Madhusmita Devi**
Assistant Professor
Dept. of Education
B. Borooah College, Guwahati

The word empowerment stresses upon overall development and authority or power given to someone to do something. Though women encompasses around half of the world population, the major decision making and other related avenues are all controlled by men and we do live in a male dominant society. The process by which women gain power and control over their own lives and acquire the ability to make strategic choices is real women empowerment. With five components, women empowerment deals with women's sense of self-worth, right to take part in decision making process, right to have access to opportunities and resources, right to have power to control their own lives, both within and outside the home and ability to influence the direction of social change to create a more and just social and economic order, nationally and internationally. To build a society as per the aspirations based on reality, women must contribute richly in the development of the society in a meaningful way. True women empowerment will happen when women are encouraged to take active part in social, educational, economic, political and psychological dimensions. The nation will develop when women will be the leader in real sense pertaining to economy and society. From agriculture, industry and service sectors to name a few, there contribution will be of immense help in building a beautiful society with no gender disparity and biasness. The goal of inclusive growth and human development cannot be attained without empowerment of women.

Though traditionally playing as a home maker, the women can climb the ladder of success in any avenues alongside their male counterparts. India has a rich tradition of women empowerment through education where persons like Gargi and Maitreyee were qualified and noted luminaries alongside the darker gender of that era. With advent of medieval era, women education took back foot and went into oblivion in the Indian society. Though feminism is a much sought after word in women empowerment, its roots can be

traced way back in 18th century and can be divided into four waves. The first wave comprised women;s suffrage movements to demand right to vote followed by the second wave from 1960 onward on women's liberation movement for legal and social equality. By late 20th century, a third wave ushered with focus on individuality and diversity. The last wave, if we agree upon flowed during second decade of 21st century through social media to combat sexual harassment and violence against women.

India is marching ahead with the flow of time and has shown its strength in the communities of nation in not only United Nations but also in various forums and groups. A part of BRICS and G20 besides SAARC, BIMSTEC to name a few, India has been able to strongly showcase itself as one of the major economic power and gradual development of human development indexes. The 2023 is a special year for India as the nation has taken over the presidency of G20 countries and lots of hopes and aspirations are to be put on focus for overall development of the society. To make this year long event a grand success, we as the responsible citizen of this nation has got immense responsibility towards fulfilment of the ultimate goal of this important group. The theme of Indiá's G20 Presidency is "Vasudhaiva Kutumbakam" or "One Earth, One Family, One Future" is drawn from Maha Upanishad and is further referred to in the Hitopsadesha and other ancient literary works of India. The theme is quite relevant in today's world and role of women is crucial in every aspects of development.

To boost the goal of G20, inception meetings comprising various sectors of society are being organised and recently Ministry of Women and Child Development organised a meeting on Empowerment and Progression of the Women's Economic Representation (EMPOWER) where three areas are being focussed upon i.e. "Women's Entrepreneurship: A win-win for Equity and Economy", "Partnership for promoting women's leadership at all levels including at grassroots" and "Education, the key to women's empowerment and equal workforce participation". India's G20 Presidency can be marked as inclusive, equitable, ambitious, decisive and action - oriented pushing forward transformative changes for women's economic development. As per the chairperson of G20 EMPOWER, the very motto of this year's presidency will not be fulfilled without active participation of all women who have positions of power and men who understand the value of gender equity in building an equitable world with collaborative and concerned action. Through this EMPOWER initiative, important and radical steps are to be taken towards galvanising women centric policies across G20 countries.

Though Government of India and various state governments are implement-

ing various women and girl centric schemes, like Beti Bachao Beti Padhao, Women helpline, Ujjwala scheme, Nari Shakti Poraskar, Matritva Sahayog Yojana, Sukanya Samriddhi, Stree Shakti scheme, National Mission for Empowerment of Women, Maternity Benefit programme etc., the basic objective of women empowerment will be fulfilled when there will be change of mindsets amongst each and every citizen of the country towards women upliftment from the clutches of the age old traditions of a patriarchal society. The goal will be fulfilled when we as the world citizens will reach a gender neutral society where there will be no works relating or specific to people of one particular gender anymore.

The G20 Presidency by India will definitely usher a positive atmosphere in building trust and forging new strategic relations amongst not only the group but around the whole world so that the real essence of Vasudhaiva Kutumbakam is realised in its most real sense. .

"A woman with a voice is by definition a strong woman. But the search to find that voice can be remarkably difficult."

**– Melinda Gates**

# Delightsome Dirang

**Kabita Chiring**
M. Phil., Ph.D.
Assistant Professor
Department of English, B. Borooah College

Guwahati's location in Northeast India is such that the thought of a short trip from the city more often than not results in traversing hills and valleys. On one such getaway in January 2022, I visited Dirang in West Kameng District, Arunachal Pradesh along with my husband. We took the Tezpur-Bhalukpong-Tenga route to Dirang during our onward journey. The climate was getting warmer here but we knew that bouts of cold weather awaited us at our destination. With bags overpacked with winter wear of all sorts, we drove our two and a half year-old Baleno to the hills.

It is possible to reach Dirang from Guwahati on the same day, the distance between the two places being 320-350 kms, depending on the routes taken. However, given half of this distance is hilly in nature, we halted at Tezpur for the night. Beginning our journey early next morning, we reached Bhalukpong, the last point on the side of Assam at the Assam-Arunachal Pradesh border. There is a check gate at Bhalukpong where inner line permits(which can be applied for online) and identity proofs of travelers are checked. On entering Arunachal Pradesh and travelling up north towards the Himalayas, the landscape begins to transform. We passed through towns and settlements and, urged by empty, excited stomachs, stopped at a roadside stall for breakfast in a place called Sessa. The momos and soupy noodles at the squeaky-clean shop teamed with the owner's warmth helped us cope with the constantly reducing temperature. By this time, my hurriedly purchased flashy mittens from Tezpur were out adorning my hands.

After driving for about 80 kms into Arunachal Pradesh on roads in impeccable condition, we reached the expansive Tenga region situated by the Tenga river.Being a military base camp, the town of Tenga has a recreational center managed by the Indian army. Located right off the highway, the center has a restaurant, washrooms, an artifact and souvenir shop, etc. After stretching our weary legs and buying a few items there, we resumed our journey, the road getting curvier by the minute. About 18 kms from Tenga is the famous town of Bomdilla, frequently used by travelers as a pitstop while journeying to Tawang. We were now high up in the mountains and even cursory glances outside provided us with

unparalleled views of life in the hills. Deviating from the direct road to Dirang, our car entered Bomdilla. As the last and highest leg of the journey was yet to be completed, we had time only to briefly walk around the town, grab lunch at an eatery, and visit the Bomdilla monastery.Set against vast mountains and deep valleys, the monastery is bound to transport even the most atheist onto a spiritual plane. Young, carefree monks were playing football, their crimson robes forming shapes in the air as they ran; the more childlike ones were simply running around. Here and there, one could spot senior monks walking, engrossed in deep thought. The fact that it had recently snowed added to the serenity of the place. The yellow daylight was giving way to an ashen evening, and the increasing speed of the raindrops made us hurry on our path ahead.

As we got closer to Dirang, images of the riverside accommodation we were headed to became more and more distinct in my mind. Dirang Boutique Cottages is a family run stay consisting of aesthetically designed boutique huts overlooking the Dirang river. The accommodation is located a few kilometers before reaching Dirang town. We diverted from the highway to a smaller road running along the river, surrounded by well-built houses with orange-laden trees. To reach Dirang Boutique Cottages, vehicles must be parked in the designated area before crossing a bridge on foot. It was quite an experience to drag our luggage on the sturdy but moving iron bridge generously decked with prayer flags. The gurgling water of the Dirang river was gushing below and the wind was blowing at a speed sufficient to push one hither and thither if not careful. As we disembarked from the bridge and entered our accommodation, staff members from the all-women team came to help us with our luggage. It was getting darker but that did not prevent us from noticing the artistry and attention to detail inherent to the place. The grounds were dotted with flower lanes, fruit trees and vegetable beds; the grey stonework of the cottages acted as an appropriate contrast to the colorful local items of decor. We concluded the day by proceeding to the dining hall to relish a simple but wholesome meal, covered head to toe in woolens. The owner lives with her staff in the first cottage that also houses the reception and the dining hall, and dinner is served early.

When city dwelling night owls are made to sleep early, they wake up doubly energized and with an attitude close to taking on the world. Morning revealed in full glory picturesque vistas, snippets of which we had witnessed the previous evening in furtive light. It was the day of our much-anticipated trip to the neighboring Mandala Top, and hopes of seeing our first ever snowfall were rekindled. The owner of the cottages arranged a cab for us to visit Mandala Top, situated on the top of a hill that can be reached via 30 kms of a possibly slippery road. As the journey began, the driver of the self-owned car began handing out packets as and when possible to people we encountered. Soon, we too were presented with a packet each - a plastic bag

containing food items like chips, chocolates, juices, snacks, etc. The man had recently lost his young wife, and handing out such packets was part of the death rituals in their culture. The poignancy caused by such a revelation was alleviated only when it became evident that it was indeed snowing up ahead. The random ice gathered on roadside shrubs soon gave way to mounds of snow. At certain points, the road itself was covered in sheets of ice, making us congratulate ourselves on controlling our latent adventurism and making the rational decision of leaving our own car behind. Situated at an altitude of over 10,000 ft. above sea level, Mandala Top is a beauty. Cutting across gentle snowfall, we entered the vicinity of 108 stupas arranged in a circular manner. There was snow all around: falling on us, gathering on the stupas, pavements and walls, blanketing the flowers and trees, and adding a white, ethereal character to the entire area. Our joy multiplied manifold when the two young men at the food joint devoid of customers let us interrupt their reverie by making us coffee. Situated near the restaurant were two comfortable looking cottages for travelers. As we returned, I could not help imagining how sublime it would feel to stay overnight in such a secluded place atop a hill when it snowed! Back at our lodgings, I rested on the hammock outside watching the mountains and listening to the sound of the river below. The evening was spent roasting smoked pork and sipping warm drinks on our cottage verandah before we called it a day.

The first half of our third day in West Kameng was spent sauntering in the nearby valley of Sangti. A short drive from Dirang, Sangti Valley is a rural area characterized by extensive riverside fields that accommodate diverse grazing cattle. Even in winter it could be fathomed how the valley would blossom into a blissful site of green grass, lush plants and blooming flowers in spring. We also spotted a number of lone camps on the riverside - perhaps the temporary abode of those in search of meaning, purpose, peace or seclusion. We headed back to Dirang, had local lunch at a highway hotel, and our inquisitiveness getting the better of us, proceeded to the Unesco-fortified village of Thembang. It was a steep drive of 25 kms up a hill, and the higher we reached, the narrower and bumpier the road became. But the destination was wholly worth the rigorous drive, with one of us even running a temperature.Thembang, a settlement of the Monpas, is a village within a fortified area and comprises several ancient and historical structures. Although the entire area features interesting stone houses of all kinds, the fortified Dzong constructed using traditional technology of the region is the most attractive aspect of the village. I walked across the entire stretch from the front gate to the back inside the Dzong, and had the lifetime opportunity of exchanging a few words with residents. Chances are slim that life will present me with another opportunity of visiting such a place again.

I read somewhere that 'no one needs a holiday more than a person who

just had one'. Remaining true to the spirit of this quote, we attempted to elongate our trip by exploring a few new places during our return journey as well. At the bifurcation ahead of Tenga Valley, instead of returning by the Bhalukpong route, we took the road passing through Rupa, Shergaon, Kalaktang, Balemo, Mazbat, and Orang to reach Tezpur. The newly constructed road offers some dramatic views of rocky mountains.We reached Shergaon, located at a distance of 80 kms from Dirang, early in the day. Zengbu Gompa is one of the most visited attractions in the newly popular town of Shergaon. We also went to the Choksorong waterfall that can be reached with a moderate amount of trekking. The waterfall, located inside an enclosed area open to travelers, also has kiwi and apple orchards as well as fisheries in its vicinity. It was not the season of kiwis and apples; much to my disappointment the fruit- bearing abundant trees of Shergaon widely seen on the internet were thus nowhere to be found. Towards the end of our Shergaon visit, we had sumptuous momos at a touristy restaurant and bought fresh oranges and local fruit wines. Harboring hopes of seeing kiwis and apples hanging from branches sometime in the future, we resumed our drive back to Assam. Crossing Balemu, the last point on the side of Arunachal Pradesh, we entered Assam via Mazbat and reached Orang around dusk where we connected to NH 15, one of the most significant roads of Assam.It would have been possible to continue driving, but we spent the night at Tezpur, not too far from Orang, and proceeded to Guwahati the next day. The trip was memorable and thrilling in more ways than one. Its most notable aspect for me, however, was driving 130 kms from Shergaon to Orang on mountainous, winding, cloudy roads. The fact that I drove such a long distance in the hills for the first time boosted my self-confidence as a driver.

"Life is not easy for any of us. But what of that? We must have perseverance and, above all, confidence in ourselves. We must believe we are gifted for something and that this thing must be attained."

**– Marie Curie**

# Removal of Two Fourth Walls in Pirandelio's *Six Characters in Search of an Author - A Comedy in Making*

**Swarnali Roy**
PGT English
Faculty Higher Secondary School, Guwahati

The concept of the fourth wall as the imaginary wall at the front of the stage in a traditional three-box set in a proscenium theatre was established by Diderot. The fourth wall illusion is often associated with naturalist and realist theatre of the mid-19th century. Pirandello's dramas oscillate between the lying nature of the appearance and the truth of the lie. This marks a direct ridge between the essence of naturalism and the 20th century Pirandellian "new" reality. Thereby, the naturalistic belief, associated supremely with Henry James, that the one merit on which all others "helplessly and submissively depend" is the writer's capacity to produce the 'illusion of life', met its greatest challenge in Pirandello.

In *Six Characters in Search of an Author*, the emphasis always lies on mutability. This makes truth indeterminate, conflicting all accounts. The naturalistic faith in the determinism of natural (inherited) or contrived (environmental) forces is rejected. Certainty about one's role or purpose in life is unattainable.

Theatre des Champs-Elysees in Paris staged *Six Characters in Search of an Author* in 1923 under the direction of Georges Pitoeff. The "actors" entered in everyday clothes and walked through the auditorium, breaking the traditional rule of the 19th-century theatre that actors should know their place. When they climbed on the stage, there was nothing on it.Then came the sensation when it was the moment for the six Characters to enter. They were flooded with a green light wearing masks of eternal expressions as opposed to the transient "naked faces" of the actors and lowered to the stage in an old cage-lift, a stage elevator previously used for scenery. This made their entrance mechanical but still provoked a wild reaction from the audience of Paris. This dramatic statement was enough to mark the status of the play as an investigator in an illusion without trying to deceive the audience. For it is the general tendency of the audience to want to be deceived and believe what it sees- a tendency

termed by the Romantic poet, Coleridge as "willing suspension of disbelief". But Pirandello believed that his play was "a sustained satire" on all such romanticism.

Pirandellian drama was working a fresh vein of theatre, one which would be explained as "meta-theatre" in the current time. Meta-theatre makes its audience conscious of the theatre's element to work. In *L'umorismo* Pirandello had insisted that comedy must make us "perceive the opposite" and that humor must make us "feel the opposite". And comedy during his time was a term synonymous with play. Therefore, his plays may investigate the act of artistic creation, or the human personality, or the existence of the individual will, or the incidence of truth and reality, but his achievement as a playwright rests on his ability to make an audience experience these things. In his notable 1925 preface to *Six Characters*, Pirandello thought of his imagination as a "nimble little maidservant called Fantasy", a creature who was a little puckish and malicious.

His most successful moments are those when the stage succeeds in asserting full control. The achievements of the milliner's shop scene lie in that. The fictional Father and the Stepdaughter are to perform on the most profound level of realism. Then, "without seeming false in any way", as Pirandello's direction insists, the Leading Man and the Leading Lady are simply to repeat their words. This in itself accounts for a brilliant device as no matter how well they act, they must always seem false. The plain fact is that when actors imitate, it always sounds as if the "actors" are putting the "characters" down. And if the difference is only slight, to perceive it is to be convinced that the copy is wrong. Such inevitability was another of Pirandello's tricks, and the pain of the Father and Stepdaughter had inevitably to give way to laughter. Criticism of the art of the theatre is built into the arrangement and the audience is forced to conclude- not consciously- that the "actors" are of little importance.The "actors" no longer stand back stupefied but rush wildly off the stage into the auditorium. This physical association arouses the audience's uncertainty. All these suggest that Pirandello was aware, well ahead of his time, that to break out of the proscenium arch was to induce a new level of dramatic experience.

The greatest trick in the *Six Characters* of 1925 was to extend the shock ending. In the revision, Pirandello did not disclose the fate of the two children until the last possible moment. In this way, the drowning of the little Girl and suicide of the Boy came as a complete shock, so that their unreality was left far more in question. When the Director called for lights, Pirandello didn't allow the curtain to fall because this was the moment when the audience was expected to return to their familiar reality which presented Pirandello with the opportunity to exercise his ultimate grasp on them. Thus, he devised an unexpected green light preceded by a total blackout which turned the Characters minus the little Girl and Boy into bizarre silhouettes. The four Characters step forward and halt except for the Stepdaughter who burst into

strident laughter and run up the aisle through the audience. This was done for the pursuit of proving that illusion is not only inseparable from reality, but often is reality.

As we understand from the staging of Pirandello's plays, no matter how little he may portray the actors as a conceptual entity; in real life, the actors play both the “characters” and “actors” in *Six Characters* and his other plays must require meticulous talents to perform. As A. Richard Sogliuzzo writes, it was necessary for an actor to "function skillfully within these various levels of reality while appearing to be confused as to the distinctions between fact and fiction, art and life, and his identity as character or actor".

Hence, we see that Pirandello was quite successful in breaking or removing the two fourth walls at both the levels- on stage and off stage. He has dexterously depicted the actor-character-audience coalesce where one entity directly affects and acknowledges the other. The penetration of such boundaries marks his uniqueness and holds him as a major proponent of modernism especially for the absurdists to find a skeletal structure to rest on.

“there is no limit to what we, as women can accomplish” -Michelle Obama We realize the importance of our voices only when we are silenced.

**– Malala Yousafzai**

# এক অনাকাংক্ষিত যাত্ৰাৰ অন্তত

**ড° অনু ৰাণী দেৱী**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, বি. বৰুৱা কলেজ

জ্যোৎস্না, ৰামাইয়া, সন্ধ্যা, ৰঞ্জিতা, শুভলক্ষ্মী আদিকে কৰি বহুকেইগৰাকীৰ মুখত কেৱল অনু মেম। ভবাই নাছিলোঁ চেন্নাইৰ এখন ব্যক্তিগত হাস্পাতালত মই ইমান আপোন হৈ পৰিম। যেতিয়া সকলোৱে অনু মেম বুলি মাতিছিল তেতিয়াই মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰীসকললৈ মনত পৰিছিল, সিহঁতে যেন মোৰ ওচৰত ঘূৰি ফুৰিছিল। দিনে-ৰাতিয়ে কেৱল কলেজখনৰ সপোন দেখিছিলোঁ, অসমীয়া বিভাগটোলৈ খুব মনত পৰিছিল। মাজে মাজে ভাবিছিলোঁ বিৰিঞ্চিদা, অমূল্যদা, ইন্দু বাইদেউ, গীতাশ্ৰী বাইদেউ, গীতাঞ্জলি, অঞ্জনা, ৰীপা বাইদেউ, ৰূপা বাইদেউহঁতে বা কি কৰি আছে। ক্লাছৰ চিন্তা, ঘৰৰ চিন্তা, নিজৰ চিন্তাই মাজে মাজে মনটো সেমেকাই তুলিছিল।

২০২১ চনৰ ১৩ নবেম্বৰ। ৰাতিপুৱা চকু দুটা জোৰকৈ মেলি নিজৰ হাত দুখনেৰে নিজকে চুই চাইছিলোঁ। অনুভৱ কৰিছিলোঁ মই জীয়াই আছোঁ। চেষ্টা কৰিও বিছনাৰ পৰা উঠিব পৰা নাছিলোঁ। চকু ফুৰাই লাহে লাহে এফালৰ পৰা নিজকে চাবলৈ চেষ্টা কৰিছিলোঁ। হাত দুখনেৰে ডিঙিটো চুই চাইছিলোঁ, ঘূৰণীয়াকৈ বেণ্ডেজ লগোৱা আছিল। মুখৰ ভিতৰভাগ মানে প্লাষ্টিক চাৰ্জাৰী কৰি আচল জিভাখন কাটি নতুন জিভা এখন লগাই দিছিল। ডাক্তৰক ধন্যবাদ দিব লাগিব কিয়নো বৰ্তমান অত্যাধুনিক চিকিৎসা পদ্ধতিৰ বাবে এনেকুৱা জটিল ৰোগৰ পৰা ভাল হৈ মানুহ জীয়াব পাৰিছে। ভৰিখন ভালদৰে লৰচৰ কৰিব পৰা নাছিলোঁ, দুয়োখন ভৰিত মৌজাৰ দৰে এযোৰ পিন্ধাই দি ভৰিৰ তলুৱাত এটা মেচিন লগাই বিছনাত বান্ধি থৈছিল। ডিঙি আৰু ভৰি মিলি পাঁচ ঠাইত সৰু সৰু পাইপ লগাই থৈছিল। লেলাৱতী জাতীয় কিবাকিবি অহৰহ মুখখনৰ পৰা ওলাই আছিল। অনবৰতে মুখখন মচি থাকিবলগীয়া হৈছিল। এনেচথেচিয়াৰ জাৰ কটাই নাছিল বাবে বাৰে বাৰে চকুকেইটা মুদ খাই আহিছিল, যদিও তাৰ মাজতে জীয়াই থকাৰ আনন্দ অনুভৱ কৰিছিলোঁ। হয়তো এনেকুৱা যন্ত্ৰণাবোৰ মানুহৰ জীৱনলৈ নাহিলে মানুহে জীয়াই থকাৰ কথা বা জীৱন যে খুব সুন্দৰ সেই কথা গভীৰভাৱে উপলব্ধি কৰিব নোৱাৰে।

আমি গুৱাহাটীৰ পৰা ২৮ অক্টোবৰৰ সন্ধিয়া ৫ বজাত ঘৰৰ পৰা যাত্ৰা কৰিছিলোঁ। আমি মানে বৌ, মই আৰু ডাঙৰ ভতিজা ময়ূখ। ডাঙৰ মামাৰ ল'ৰাৰ বন্ধু বিশ্ব চেন্নাইত থাকে। গতিকে বিশ্বৰ লগত মই কথা পাতিছিলোঁ, চিন্তা কৰিব মানা কৰি বিশ্বই থকা ঠাইৰ পৰা আৰম্ভ কৰি ডাক্তৰৰ এপইণ্টমেণ্টলৈকে সকলো ঠিক কৰি দিছিল। ৰাতি ১০.৩০ বজাত চেন্নাই এয়াৰপৰ্টৰ বাহিৰৰ পৰা বিশ্বই পঠিয়াই দিয়া গাড়ীত উঠি লজ পাইছিলোঁ। ২৯ অক্টোবৰ ৰাতিপুৱা গা-পা ধুই ওচৰতে থকা মন্দিৰটোত মূৰ দোঁৱাই এ'পল কেন্সাৰ হাস্পাতাললৈ ৰাওনা হৈছিলোঁ। বতৰটো সেমেকা,

সৰু-সুৰা দুই এজাক বৰষুণ দি আছিল। চেন্নাই চহৰখনত আগতে মাৰ অসুখৰ বাবে আহিছিলোঁ, তেতিয়া গছ-গছনি কম আছিল। এইবাৰ বিভিন্ন গছ-গছনি দেখি মনটো ভালে লাগিছিল আৰু আচৰিতো হৈছিলো। লাহেকৈ অট'খন কেন্সাৰ হাস্পাতালৰ চৌহদত সোমাই গৈছিল। ভিতৰত সোমাই গণেশ আৰু সাইবাবাৰ মন্দিৰ দুটা একেলগে দেখি মনটো ভাল লাগিছিল। মূৰ দুপিয়াই আগবাঢ়িছিলোঁ হাস্পাতালৰ ব্লকলৈ। হাস্পাতালত ABC তিনিটা ব্লক আছে। বিশ্বই আগৰ পৰা C ব্লকত আমাৰ বাবে ৰৈ আছিল। মোৰ নাম পঞ্জীয়ন কৰাই প্ৰথম মহলালৈ বিশ্বই আমাক লৈ গৈছিল। ডাঃ ভেংকটে প্ৰথম মহলাত ৰোগী চায়। খুব শৃংখলাৱদ্ধভাৱে এজন এজনকৈ ৰোগী মাতি আছিল। ভয় ভয়কৈ ডাঃ ভেংকটৰ ৰুমলৈ সোমাই গৈছিলোঁ। খুব গহীন-গম্ভীৰ ৫০ৰ পৰা ৫৫ বছৰীয়া এজন ভদ্ৰলোক ডাঃ ভেংকট। তেখেতে মোক ৰোগী বুলি গম পাই তেওঁৰ ওচৰতে থকা চকীখনত বহিবলৈ ইংগিত দিছিল। তেওঁ মোৰ সমস্যাবোৰৰ কথা ভালদৰে শুনি মুখখন মেলিব দি জিভাখন ভালদৰে পৰীক্ষা কৰিছিল। গুৱাহাটীৰ ডাক্তৰে পৰীক্ষা কৰা কাগজ-পত্ৰবোৰ চাই তেওঁ নিজাববীয়াকৈ তেজৰ কিছু পৰীক্ষা কৰিব দিছিল। বেমাৰ হোৱাৰ প্ৰায় দুমাহ আগৰে পৰা মই গুৱাহাটীৰ ডাক্তৰক দেখুৱাইছিলোঁ। বহুত পৰীক্ষা কৰিছিলোঁ যদিও আচল বেমাৰ ধৰা নপৰি ফাংগেল হোৱা বুলি ঔষধ দিছিল। পিছত বন্ধু এজনৰ পৰামৰ্শমতে ENT বিভাগৰ বিশেষজ্ঞ চিকিৎসক এজনক দেখুৱাত তেওঁ MRI এখন কৰিব দিছিল। MRI ৰিপ'র্ট চাই সন্দেহ ওপজাত তেওঁ বায়োপচি কৰিব দিছিল। তেতিয়া মই ভবাই নাছিলোঁ মোৰ কিবা জটিল বেমাৰ হ'ব পাৰে বুলি। ইফালে দুৰ্গা পূজা আৰম্ভ হৈছিল, যদিও মনত আনন্দ নাই। দুৰ্গা গোসাঁনীৰ ওচৰত আঁঠু লৈছিলোঁ যাতে ঘৰখনলৈ একো বিপদ নাহে। প্ৰায় বিশ দিন পিছত বায়োপচিৰ ফলাফল আহিল। মই অকলে গৈছিলোঁ ভঙাগড়ৰ অলকেয়াৰ পৰীক্ষাগাৰলৈ। ছোৱালীজনীৰ হাতৰ পৰা বায়পচিৰ ৰিপ'র্ট লৈ অট'ত উঠি লৈ লেফাফাটো মেলি লৈ কাগজখনত চকু ফুৰাই মোৰ মূৰটো ঘূৰাব ধৰিছিল। অট' চালকজন চিনাকি, মোক কিবাকিবি সুধি আছিল, কাণেৰে একো শুনা নাছিলোঁ। অট'ৰ পৰা নামি দেখিলোঁ বাৰান্দাত দেউতা আৰু ভাইবোৱাৰী বহি আছে। মই কাগজখন লৈ ৰুমত সোমাই যাওঁতে ভাইবোৱাৰী পলাশী আৰু ভতিজা ধ্ৰুৰ্বাক ৰুমলৈ সোমাই আহিল। মোৰ হাতৰ পৰা ভতিজাটোৱে কাগজখন টানি লৈছিল। মই মূৰটো টেবুলখনত পেলাই দিছিলোঁ, চকুৰে দুধাৰি লোতক বৈ আহিছিল। ভতিজাটোৱে পিঠিত হাতখন দি মোক কৈছিল ভাল হৈ যাব দিয়া পেহী, ডাক্তৰক সোনকালে দেখুৱাব লাগিব। দশমমান শ্ৰেণীত পঢ়া ল'ৰাটোৱে মোৰ বেমাৰটো বুজি পাইছিল। কেৱল দেউতাক ক'বলৈ বাধা দিছিলোঁ। সৰুকৈ জিভাত কিবা এটা হৈছে বুলি দেউতাক জনাইছিলোঁ। হয়তো দেউতাই বুজি পাইছিল। সেইদিনা সন্ধিয়া আমাৰ কলেজৰ ৰাজনীতি বিভাগৰ অধ্যাপিকা ড° সুমনা দাসৰ ঘৰলৈ পলাশী আৰু মই গৈছিলোঁ। সুমনাৰ গিৰিয়েক ডাঃ গণেশ দাস এজন এই বিভাগৰে বিশেষজ্ঞ চিকিৎসক। তেওঁ মোক পৰীক্ষা কৰি লগে লগে তেওঁৰ এজন বন্ধু ডাঃ বি. চি. ৰয়ৰ ওচৰলৈ লৈ গৈছিল। অপাৰেশ্যনটো সৰু নহয় বুলিও কৈছিল। ঘৰলৈ ঘূৰি আহি ভিনদেউহঁতৰ পৰামৰ্শমতে চেন্নাইলৈ যাবলৈ সিদ্ধান্ত লৈছিলোঁ। ডাঃ ভেংকটে মোৰ আগত মোৰ বেমাৰৰ বিষয়ে আলোচনা কৰিব খোজা নাছিল। তেওঁ মোক বাহিৰত বহিব কৈছিল, কিন্তু মই নিজে সকলো কথা শুনিম বুলি তেওঁক জনাইছিলোঁ। মই তেওঁক সুধিছিলোঁ মোৰ বেমাৰটোৰ চিকিৎসা আছেনে নাই? তেওঁ কৈ গৈছিল জিভাখনত কেন্সাৰ হোৱা কিছুদিন হৈ যোৱা বাবে গোটেই জিভাখন কাটিব লাগিব। অৱশ্যে প্লাষ্টিক চাৰ্জাৰীৰ সহায়ত নতুন জিভা এখন

লগাব পাৰিব। সেইদিনা ভাবিয়েই থাকিলোঁ কেনেদৰে নতুন জিভা এখন বনাব? সঁচাকৈয়ে চিকিৎসা বিজ্ঞানৰ এনেধৰণৰ অভূতপূৰ্ব সাফল্য মানিবলগীয়া। লগতে ডাক্তৰে মোক আগৰ দৰে টান বস্তু খাব নোৱাৰিম বুলিও কৈছিল। সকলোবোৰ কথা গম পোৱাৰ পিছত অদম্য সাহসেৰে যুঁজখন দিবলৈ সাজু হৈছিলোঁ। কেৱল ডাক্তৰক এটা কথাই বাৰে বাৰে সুধিছিলোঁ যে মই কথা ক'ব পাৰিম নে নাই। কথা কোৱাটো মোৰ জীৱিকা, যদি কথা ক'ব নোৱাৰোঁ তেন্তে বাচি থকাতকৈ মৰি যোৱাই ভাল। তেওঁ পিঠিত চপৰিয়াই সান্ত্বনা দি ভগৱানৰ ওপৰত বিশ্বাস ৰাখিব কৈছিল। ডাক্তৰৰ ৰুমৰ পৰা ওলাই আহি বাহিৰত কিছুসময় বহি পৰিছিলোঁ। বৌ আৰু ভতিজাই সান্ত্বনা দিছিল, সৰ ঠিক হৈ যাব বুলি। ভতিজাটোৰ মুখখনলৈ চাই বুকুত শোকে খুন্দা মাৰি ধৰিছিল, মাত্ৰ এবছৰ আগতে সি দেউতাকক হেৰুৱাইছিল। তথাপি নিজকে নিজে সান্ত্বনা দি তাক কৈছিলোঁ— ব'লা কিবা খাওঁগৈ। যিহেতুকে অপাৰেশ্যনলৈ সময় আছে গতিকে দক্ষিণ ভাৰতীয় খাদ্যৰ জুটি ল'ব লাগিব। ইদলী, দোচা আদি খাই বৰ ভাল পাওঁ বাবে কলেজৰ ৰসায়ণ বিজ্ঞানৰ অধ্যাপক ড° দিগন্ত চৌধুৰীয়ে প্ৰায়ে মোক ধেমালি কৰি সুধিছিল বাইদেউ, উদলেগু ৰেষ্টুৰেণ্টলৈ গৈছিল নেকি? চেন্নাইৰ সংগীতা ৰেষ্টুৰেণ্টৰ দোচা খাই ভাল লগাত দুদিনমান তাত গৈ গৈ খাইছিলোঁ।

অপাৰেশ্যনৰ আগৰ দিনকেইটাত লগৰ বন্ধু-বান্ধৱী, আত্মীয়-স্বজনৰ লগত ফোনযোগে কথা পাতিছিলোঁ। তেওঁলোকে মোক অপাৰেশ্যনৰ কথা পাহৰাই ৰাখিবলৈ চেষ্টা কৰিছিল, সাহস দিছিল। প্ৰায় চৈধ্য ঘণ্টীয়া এটা ব্যয়বহুল অপাৰেশ্যন হ'ব বুলি ডাক্তৰে আমাক জনাইছিল। কলেজৰ অধ্যক্ষ মহোদয়ৰ লগতে মোৰ সহকৰ্মীসকলে ফোন কৰি সাহস দি অপাৰেশ্যনৰ বাবে প্ৰস্তুত হ'বলৈ কৈছিল। সকলোৰে সহায়-সহযোগিতা তথা শুভকামনা শিৰত লৈ ১১ নৱেম্বৰৰ সন্ধিয়া হাস্পাতালৰ A ব্লকৰ পঞ্চম মহলাত ভৰ্তি হৈছিলোঁ। গোটেই ৰাতিটো মোৰ টোপনি নাহিল, মনলৈ ভাব আহিছিল এই ৰাতিটো মোৰ বাবে শেষ ৰাতি হ'ব নেকি? বৌৰ লগত কথা পাতিয়েই ৰাতিটো পাৰ কৰিছিলোঁ। পিছদিনা ৰাতিপুৱাই নাৰ্চ এগৰাকী আহি অপাৰেশ্যনৰ আগতে কৰিবলগীয়া যাৱতীয় কামবোৰ কৰাই ৬.১৫ বজাত লিফটেৰে পঞ্চম মহলাৰ পৰা দ্বিতীয় মহলালৈ লৈ গ'ল। অপাৰেশ্যন থিয়েটাৰৰ সমুখত ভিনদেউ, ভতিজা আৰু বৌ ৰৈ আছিল। অপাৰেশ্যন থিয়েটাৰৰ বাহিৰতে এনাচথেচিয়াৰ বেজী দি ডাক্তৰে মোক ভিতৰলৈ লৈ গৈছিল। ভিতৰ সোমাই দেখিলোঁ ডাঙৰ ডাঙৰ লাইটবোৰ জ্বলি আছে কিন্তু পিছমুহূৰ্ততে মোৰ চকু মুদ খাই গৈছিল। ডাঃ ভেংকট প্লাষ্টিক চাৰ্জন ডাঃ ৰাজনকে ধৰি তেওঁলোকৰ সহকাৰী এটা দলে মোৰ অপাৰেশ্যন কৰিছিল। প্লাষ্টিক চাৰ্জন ডাঃ ৰাজনে মোক কাগজ এখনত আঁকি ভালদৰে বুজাই দিছিল মোৰ শৰীৰৰ কোন অংশৰ পৰা কাটি নি জিভাখন পুনৰ নিৰ্মাণ কৰিব। এনেধৰণৰ অপাৰেশ্যন এবাৰত সফল নহ'লে কেতিয়াবা পুনৰ কৰিবলগীয়া হয় বুলিও কৈছিল।

যেতিয়া মোৰ জ্ঞান ঘূৰি আহিছিল, তেতিয়া ICU ৰ বিছনাখনত শুই ইফাল-সিফালে চাই ওচৰতে থকা নাৰ্চগৰাকীক কিবা ক'ব খুজিছিলোঁ, পিছে মুখখন লৰচৰ কৰিব পৰা নাছিলোঁ। নাৰ্চগৰাকী দৌৰি মোৰ ওচৰলৈ আহি গা-মূৰ পিহি কথা ক'বলৈ মানা কৰিছিল। নাৰ্চগৰাকীয়ে মোৰ হাতত সৰু মাৰি এডাল দি প্ৰয়োজন হ'লে বিছনাখনত শব্দ কৰি দিব কৈছিল। মাজে মাজে ওঁঠখন শুকাই যায় তেতিয়া মই বিছনাত শব্দ কৰি দিছিলোঁ আৰু নাৰ্চে আহি মোৰ ওঁঠখন তুলাৰে লাহে লাহেকৈ মচি দিছিল। প্লাষ্টিক চাৰ্জাৰীৰ ডাক্তৰৰ দল এটাই মোৰ জিভাখনত দিনটোত দুবাৰকৈ ডাঙৰ বেজী এটা লৈ কিবা পৰীক্ষা কৰি চাইছিল। মই বেজীৰ খোচ অনুভৱ কৰা নাছিলোঁ, কেৱল খুচিছিল বুলি গম

পাইছিলোঁ। অনুভৱ নকৰাটো হেনো ভাল কথা বুলি ডাক্তৰে কৈছিল। তিনিদিন তেনেদৰে পৰীক্ষা কৰাৰ পিছত মোক শুভেচ্ছা জনাই সকলো ঠিকে আছে বুলি কৈছিল। মোৰ মুখত হাঁহি বিৰিঙি উঠিছিল। অপাৰেশ্যনৰ তিনিদিন পিছত ৰিকভেৰী ৰুমলৈ নি এৰাতি ৰাখি পিছদিনা কেবিনত দিছিল। কেবিনত সোমাই দেখিছিলোঁ বৌৰ লগত এজনী মৰমলগা ছোৱালী। বৌৱে লগে লগে চিনাকি কৰি দিছিল ছোৱালীজনী পিংকী বুলি। বঙালী সম্প্ৰদায়ৰ ছোৱালী, তাই বায়েকৰ লগত চেন্নাইতে থাকে। বিশ্বৰ চিনাকি বাবে পিংকী আহিছে মোৰ লগত থাকিবৰ বাবে। ময়ূখৰ পৰীক্ষাৰ বাবে বৌহঁত গুৱাহাটীলৈ গুচি আহিবলগীয়া হৈছিল। হাস্পাতালৰ পৰাই বৌ আৰু ময়ূখক বিদায় দিছিলোঁ সেমেকা চকুৰে। তেতিয়া ঘৰৰ মানুহ হিচাপে ভিনদেউ চেন্নাইত ৰখীয়া হৈ আছিল। বৌহঁত গুচি যোৱাৰ পিছত পিংকীকে নিজৰ ছোৱালীৰ দৰে আঁকোৱালি লৈছিলোঁ। ইতিমধ্যে নাকত লগোৱা পাইপেৰে মোৰ খোৱা-বোৱা আৰম্ভ হৈছিল। পিংকীয়ে নাৰ্চৰ পৰা শিকি লৈ কম সময়ৰ ভিতৰতে সকলো কাম আয়ত্ত কৰি লৈছিল। হাস্পাতালত এটাই মোৰ খুব ভাল লাগিছিল যে ডাক্তৰ-নাৰ্চকে ধৰি ৰুম চাফা কৰা, বাথৰুম চাফা কৰা সকলো কৰ্মচাৰীয়ে খুব দায়িত্বশীল আৰু মৰমিয়াল। সকলোৰে লগত আকাৰে-ইংগিতে কথা পাতিছিলোঁ। মই বঙালী ভাষা জানো বাবে ভিনদেউৱে আনি দিয়া বহীত পিংকীক কথাবোৰ লিখি দিছিলোঁ। তেনেদৰে পিংকীয়ে ডাক্তৰ বা নাৰ্চক মোৰ অসুবিধাবোৰৰ বিষয়ে জনাইছিল। দিনটোত ভিনদেৱে এবাৰ হাস্পাতালত যেনে-তেনে আহি খবৰ লোৱাৰ লগতে হাস্পাতালৰ যাৱতীয় কামবোৰ কৰিছিল। ডাঃ ভেংকটৰ লগতে তেওঁৰ জুনিয়ৰ ডাক্তৰসকলে দিনটোত দুবাৰ-তিনিবাৰকৈ আহি খবৰ কৰি গৈছিল। গোটেই হাস্পাতালখন অসমীয়া আৰু বাংলাদেশৰ পৰা অহা মানুহেৰে ভৰি আছিল। বহুতৰ লগত চিনাকি হৈছিলোঁ। মানুহবোৰ দেখি এনেকুৱা লাগিছিল যেন পৃথিৱীৰ বেছিভাগ মানুহ এই বেমাৰত আক্ৰান্ত। আনকি মৰম লগা শিশুসকলো বাদ পৰি যোৱা নাছিল। ডাক্তৰে কয় তামোল-পাণ, চাধা, বিড়ি, চিগাৰেট, গুটখা আদি খালে এই বেমাৰ হয়, কিন্তু মইতো তামোল এখনো নাখাওঁ; তেন্তে এই বেমাৰ কিয় হ'ল বুজিয়েই নাপালোঁ।

এসপ্তাহ পাৰ হৈ যোৱাৰ পিছত শৰীৰৰ পৰা এডাল এডালকৈ পাইপবোৰ খোলা আৰম্ভ হৈছিল। ফিজিওথেৰেপিষ্টে মোক খোজকঢ়াৰ পৰা সাধাৰণ ব্যায়াম কৰোৱা শিকাইছিল। অলপ খোজকাঢ়িব পৰা হোৱাৰ পিছত প্ৰথমবাৰ বাথৰুমলৈ গৈ নিজৰ মুখখন আয়নাত চাইছিলোঁ। ভয়ে ভয়ে মুখখন মেলি জিভাখন চাই ভয় খাই গৈছিলোঁ, বেঙুনীয়া ৰঙৰ সূতাৰে চিলাই কৰি নতুন জিভাখন লগাই থৈছিল। জিভাৰ চিলাইবোৰ কাটিব নালাগে, নিজে নিজে মিলি যাব বুলি ডাক্তৰে জনাইছিল। অপাৰেশ্যনৰ বাৰ দিনৰ দিনা মোক হাস্পাতালৰ পৰা আমি ভাড়া লোৱা ঘৰলৈ আহিবলৈ ডাক্তৰে অনুমতি দিছিল। সেইকেইদিন চেন্নাইত যথেষ্ট বৰষুণ হৈ আছিল বাবে আমি গৰম অনুভৱ কৰা নাছিলোঁ। আমাৰ এটা ডাঙৰ অভিজ্ঞতা হৈছিল বানপানীৰ। অকল অসমতে নহয়, চেন্নাইৰ দৰে ডাঙৰ মহানগৰী এখনত পানী দেখি ভয় খাইছিলোঁ। অৱশ্যে আমাৰ ইয়াৰ দৰে বেছি সময় পানী তাত জমা হৈ নাথাকে, ডাঙৰ ডাঙৰ পাইপেৰে পানী উলিয়াই নলাত পেলাই দিছিল। হাস্পাতালৰ পৰা বিশ্বই ঠিক কৰি দিয়া গাড়ীখনত বানপানীৰ মাজে মাজে আগবাঢ়িলোঁ ভাড়াঘৰটোলৈ। আমাৰ বাবে ভাড়াঘৰত ৰৈ থকা জয়ন্তই ধূপ জ্বলাই মোক আদৰি ভিতৰলৈ লৈ গৈছিল। মোৰ বন্ধু এজনে আমাৰ অসুবিধাৰ কথা গম পাই তেওঁৰ লগত থকা জয়ন্ত নামৰ ল'ৰাটোক চেন্নাইত নিজে লৈ গৈ থৈ আহিছিল। বন্ধুজনৰ মৰমক কেতিয়াও পাহৰিব নোৱাৰোঁ। বেলেগ এখন ঠাইত আহি পিংকী

আৰু জয়ন্তক পাই ভগৱানক ধন্যবাদ দিছিলোঁ।

হাস্পাতালৰ পৰা অহা দহ দিনৰ পিছত চেকআপৰ বাবে পুনৰ এ'পল পালোঁগৈ। ডাঃ ভেংকটে পৰীক্ষা কৰি স্পীচ থেৰাপিষ্ট ডাঃ বিজয় ৰাজনৰ ওচৰলৈ পঠিয়াই দিছিল। ইমান মৰমিয়াল ডাক্তৰ আগতে মই লগ পোৱা নাই। তেওঁ মোক ডিঙিটো হাতেৰে চেপি ধৰি ABCD মাতিব দিছিল। মই এফালৰ পৰা লাহে লাহে কৈ গৈছিলোঁ ABCD ...। তেওঁ মোক সুধিছিল মই শিক্ষকতা কৰোঁ নেকি? মই মূৰ দুপিয়াই দিয়াত মোক সাহস দি কৈছিল মোক হেনো এগৰাকী ভাল শিক্ষক যেন লাগিছে। ডাঃ বিজয় ৰাজনে পিংকীক সকলোবোৰ শিকাই দিছিল, কেনেদৰে মোক খুৱাব লাগিব। পিংকীয়ে ডাক্তৰৰ পৰামৰ্শমতে খুৱাই দিছিল যদিও মোৰ প্ৰায়েই ওকালি আহিছিল। তেতিয়া মনটো খুব বেয়া লাগিছিল তথাপিও খোৱাৰ বাবে যুঁজখন চলাই গৈ আছিলোঁ। মনতে ভাবিছিলোঁ এই যুঁজখনো এদিন শেষ হ'ব জয় বা পৰাজয়ৰে।

বেমাৰ হোৱাৰ পিছত এটা কথাই বৰকৈ অনুভৱ কৰিছিলোঁ মানুহে দেখোন মোক বহুত মৰম কৰে। অনবৰতে মেছেজ দি, ভিনদেউক ফোন কৰি মোৰ খবৰ লৈছিল। তেনেদৰে নৱেম্বৰ মাহ পাৰ কৰি ডিচেম্বৰ মাহত ভৰি দিছিলোঁ। ডাঃ ভেংকটে ৰেডিয়েচন বিশেষজ্ঞ ডাঃ ৰত্না দেৱীৰ ওচৰলৈ পঠিয়াই দিছিল। ডাঃ ৰত্না দেৱীয়ে মোক এমাহ Ray ল'ব লাগিব বুলি পৰামৰ্শ দি A ব্লকলৈ পঠিয়াই দিছিল Ray প্ৰাৰম্ভিক কামবোৰৰ বাবে। Ray লোৱাটো যে বৰ সহজ কথা নহয় তাত গৈহে গম পাইছিলোঁ। Ray দিয়াৰ আগতে মোক এটা ৰুমলৈ মাতি নি মুখৰ জোখ-মাপ লৈ এখন মুখা বনাইছিল। তাৰ পিছত এখন চিটি স্কেন কৰি পিছদিনাৰ পৰা Ray ল'বলৈ মাতিছিল। পিছদিনা গৈ পোৱাৰ পিছত ৰুমলৈ মাতি নি মুখাখন মুখত লগাই দিয়াৰ পিছত এনেকুৱা লাগিল যেন গোসাঁনীৰ আগত বলি দিবলৈহে লৈ গৈছিল। মুখাখন ইমান টান আছিল যে কোনোমতে উশাহ লৈ প্ৰথমদিনা Ray লোৱা কামটো শেষ কৰিছিলোঁ। নিজৰ দুৰ্দশাৰ কথা ভাবি ৰুমলৈ আহি খুব কান্দিছিলোঁ, তেতিয়া পিংকীয়ে মোক সাহস যোগাইছিল। তাই ডাক্তৰৰ লগত কথা পাতি মুখাখন অলপ ঢিলাকৈ লগাব কৈছিল। ডাঃ ৰত্না দেৱীৰ সহকাৰী ডাঃ সুভদ্ৰা আৰু ডাঃ লছমীয়ে মোক জনাই থৈছিল Ray লোৱাৰ পিছত বিভিন্ন পাৰ্শ্বক্ৰিয়া আৰম্ভ হ'ব। সেয়েহে নাকত লগোৱা পাইপডালেৰে খাব কৈছিল কাৰণ মুখত ঘা হোৱাটো নিশ্চিত। গতিকে ডায়টিচিয়ানৰ পৰামৰ্শমতে আগৰ দৰে দিনে ছয়বাৰকৈ প্ৰটিন পাউদাৰ খাই থাকিলোঁ। Ray আৰম্ভ হোৱাৰ দিনাখনে ডাঃ ৰত্না দেৱীয়ে কেমোৰ বাবে ডাঃ ৰাজাৰ ওচৰলৈ পঠিয়াই দিছিল। ডাঃ ৰাজাই সকলো পৰীক্ষা কৰি ছয়টা কেমো ল'ব লাগিব বুলি আমাক জনাইছিল। Ray লৈ থকা সময়তে ৰোগীসকলক কেমো ল'বলৈ ডাক্তৰে উপদেশ দিয়ে। মই সন্মতি জনাই প্ৰথমটো কেমো ল'বলৈ হাস্পাতালত ভৰ্তি হৈছিলোঁ। বৰ উৎকণ্ঠাৰে অপেক্ষা কৰিছিলোঁ কেনেদৰে বা কেমো দিয়ে। কেমো লোৱাৰ আগতে কিছু পৰীক্ষা কৰি লৈছিল। তাৰ আধাঘণ্টামান পিছত কেমোৰ ঔষধখিনি চেলাইনৰ জৰিয়তে শৰীৰত সোমাই দিছিল। সদায়ে একো একোটা নতুন অভিজ্ঞতা। ঘৰৰ সকলোৰে ভয় খাইছিল মই কেমো ল'ব পাৰিম নে নাই কাৰণ কেমো লোৱাৰ পিছত দেহত বিভিন্ন পাৰ্শ্বক্ৰিয়া হয়। প্ৰথম কেমোটোৱে মোৰ একো ক্ষতি কৰা নাছিল, কিন্তু দ্বিতীয় কেমোটো লোৱাৰ দুদিন পিছৰ পৰা জ্বৰ, বমি আৰম্ভ হৈছিল। জ্বৰ নকমাত আকৌ হস্পিতালত ভৰ্তি হৈছিলোঁ। ক'ভিড, ডেংগী পৰীক্ষা কৰাৰ পিছতো জ্বৰ নকমিল। লাহে লাহে দেখিলোঁ হাত-ভৰিবোৰ ৰঙা পৰিল, মুখেৰে তেজ ওলাব ধৰিছিল। বিভিন্ন পৰীক্ষা কৰাত ধৰা পৰিল যে তেজত থকা প্লেটলেটৰ পৰিমাণ কমি গৈ ৮০০০ হৈছিল। এজন মানুহৰ বাবে প্লেটলেট ইমান কমি যোৱাটো সাংঘাতিক কথা। মোক প্লেটলেট

দিবলগীয়া হৈছিল। তেনেকুৰা সময়তে ভিনদেউৰ গা বেয়া হোৱাত তেওঁ গুৱাহাটী গুচি আহিবলগীয়া হৈছিল। লগতে হাস্পাতালৰ পইচা-পাতি খৰচৰ সকলোবোৰ দায়িত্ব তেওঁৰ আছিল। চলচলীয়া চকুৰে তেওঁকো বিদায় দিছিলোঁ। তেতিয়া পিংকী আৰু জয়ন্ত হৈ পৰিছিল মোৰ আপোন মানুহ। ঘৰৰ মানুহ লগত নাথাকিলে মনৰ অৱস্থা কি হ'ব পাৰে আগতে উপলব্ধি কৰা নাছিলোঁ। মাজে মাজে ভাবিছিলোঁ চেন্নাইত যদি মোৰ মৃত্যু হয় তেতিয়াহ'লে মোৰ মৃতদেহ কেনেদৰে ঘৰলৈ নিব, ঘৰখনত মানুহো নোহোৱা হৈছিল। পিংকীক কৈ থৈছিলোঁ মোৰ কিবা হ'লে যাতে চেন্নাইতে শেষকৃত্য কৰে। মোৰ অৱস্থা দেখি তাই ৰুমৰ বাহিৰলৈ ওলাই আহি আহি কান্দিছিল। পিংকীৰ মুখত মোৰ প্লেটলেট কমি গা খুব বেয়া হোৱা খবৰ পাই দেউতা ৰ'ব নোৱাৰিলে। তেওঁ, ভাইবোৱাৰী পলাশী, সৰু ভতিজা বুবু আৰু ভাইবোৱাৰীৰ বৌৱেক জুপিক লৈ চেন্নাই পাইছিল। দেউতাক দেখি মোৰ ভালো লাগিছিল, দুখো লাগিছিল। ভগৱানক প্ৰাৰ্থনা কৰিছিলোঁ এই মানুহজনে যেন আৰু কষ্ট নাপায়। মোৰ কিবা হ'ব লাগিলে তেওঁ কেনেদৰে জীয়াই থাকিব। হয়তো জীয়াই থকাৰ অদম্য হেঁপাহৰ বাবে হাস্পাতালৰ পৰা পুনৰ ভাড়াঘৰলৈ উভতিব পাৰিছিলোঁ। দুদিনমান থকাৰ পিছত বুবুৰ মেট্ৰিক পৰীক্ষাৰ বাবে দেউতাহঁত গুৱাহাটীলৈ উভতি আহিছিল। তেতিয়া মোৰ চকুৰে নীৰৱে চকুপানীবোৰ আপোনা-আপুনি বৈ আহিছিল। বহুত সময় পিংকীহঁতে মোক মাতিব সাহসে কৰা নাছিল।

কিছুদিন পাৰ হোৱাৰ পিছত লাহে লাহে গাটো অলপ ভাল হৈ অহাত পুনৰ Ray আৰম্ভ হৈছিল। ডাঃ ৰাজাই মোক কেমোৰ প্ৰয়োজন নাই বুলি বহুত দামৰ দুটা ইনজেকচন ল'ব দিছিল। কথা ক'ব নোৱাৰাটো মোৰ ডাঙৰ অসুবিধা আছিল যদিও মনটো অলপ ভাল হৈছিল কিয়নো Ray শেষ হ'লে ঘৰলৈ আহিব পাৰিম। মনৰ ফূৰ্তিতে ৰুমৰ ওচৰত থকা শিৱ মন্দিৰটোলৈ গৈ সেৱা জনাইছিলোঁ। বহুত দিনৰ পিছত মন্দিৰটোলৈ গৈ মনটো পবিত্ৰ লাগি গৈছিল। বিশেষকৈ হালধীয়া আৰু বগা ৰঙৰ ফুলবোৰৰ সুন্দৰ সুবাসে মনটো আলোড়িত কৰি তুলিছিল। হাস্পাতাললৈ যাওঁতে প্ৰায়ে দক্ষিণ ভাৰতীয় তিৰোতাবোৰে মূৰত লগোৱা বগা ফুলবোৰে মোক মোহাচ্ছন্ন কৰিছিল। পিংকীয়ে প্ৰায়েই চাহ-বিস্কুট খোৱা দোকানখনৰ তিৰোতাজনীয়েও সুন্দৰকৈ দীঘলীয়া চুলিখিনিত বগা ফুলৰ থোপা ওলোমাই লৈছিল। মনতে ভাবিছিলোঁ এটা সময়ত মোৰ চুলিখিনিও তেওঁৰ দৰে দীঘলেই আছিল। পিংকীক চাহ-বিস্কুট খোৱা দেখিলে কেতিয়াবা মোৰো বৰকৈ খাবৰ মন গৈছিল। পিছমুহূৰ্ততে নিজকে নিজে সান্ত্বনা দি কৈছিলোঁ জীৱনত বহুত খাইছোঁ, এতিয়া কেৱল জীয়াই থাকিবৰ বাবে খাব লাগিব। ভগৱানে হয়তো তাকে বিচাৰিছে, মানি ল'বই লাগিব।

জানুৱাৰী মাহৰ দ্বিতীয় সপ্তাহৰ পৰা মনটো বেছিকৈ ঘৰলৈ উৰা মাৰিছিল। অসমীয়া মানুহৰ প্ৰাণৰ আপোন মাঘ বিহুলৈ বেছি দিন নাছিল। অৱশ্যে ভাইটি আৰু দাদা নোহোৱা হোৱা বাবে আমাৰ ঘৰত মাঘ বিহু বুলি কোনো উৎসৱ নহয় যদিও ভতিজা দুটা থকা বাবে ময়েই অলপ হাহাকাৰ কৰি বজাৰ-সমাৰ কৰিছিলোঁ। এইবাৰতো তাকো নহ'ব বুলি ভাবি প্ৰাণে হাহাকাৰ কৰি উঠিছিল। ঘৰৰ পৰা বাৰে বাৰে ফোন কৰি সেইবোৰ চিন্তা কৰাৰ দৰকাৰ নাই বুলি কৈছিল। জয়ন্তৰ বাবে দুখো লাগিছিল, বিহুৰ সময়ত সি ঘৰ যাব পাৰিব বুলি আশা কৰি আছিল, কিন্তু নোৱাৰিলে। উৰুকাৰ দিনা জয়ন্ত আৰু পিংকীক জোৰ কৰিয়েই মাছ-মাংস আনিবলৈ বজাৰলৈ পঠিয়াই দিছিলোঁ। পিংকীয়ে মাংসৰ অলপ পাতলকৈ চুপ বনাই নাকৰ পাইপেৰে মোক খুৱাই দিছিল। কি যে খাইছিলোঁ গমকে পোৱা নাছিলোঁ। তেনেদৰে নাকৰ পাইপেৰে খোৱা চুপেৰে মোৰ মাঘ

বিহু পাৰ হৈছিল। তাৰ মাজতে তামিলনাডুত প্ৰতিবছৰে অনুষ্ঠিত হৈ অহা পুঙ্গল উৎসৱ নিজ চকুৰে দেখা পাই খুব ভাল পাইছিলোঁ। আমি থকা ঘৰটোৰ ওচৰ-পাঁজৰৰ মানুহখিনিয়ে ১৩ জানুৱাৰীৰ দিনাখনেই ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি পিঠাগুৰি আৰু বিভিন্ন ৰঙেৰে ৰংগুলি আঁকিছিল ঘৰৰ দুৱাৰমুখত। বয়সীয়াল তিৰোতাবোৰে ইমান সুন্দৰকৈ ৰংগুলি আঁকিছিল তাক বুজাব নোৱাৰিম। ওচৰতে থকা এজনী তিৰোতাৰ লগত আমাৰ ঘনিষ্ঠ সম্বন্ধ হৈছিল। আমাক চিলিণ্ডাৰৰ যোগান তেৱেঁই ধৰিছিল। পুঙ্গলৰ কথা সোধাত তেওঁ আমাক কাহিনী এটা কৈছিল। ভীমে হেনো মকৰ সংক্ৰান্তিৰ দিনা বকাসুৰক বধ কৰিছিল। সেয়েহে তামিল লোকসকলে উক্ত দিনটোত গোটা ফল-মূল, পাচলি, আদা, নহৰু আদি ভগৱানলৈ আগবঢ়ায়। হালধি, আদাৰ গছ আৰু কাঁচকল এই উৎসৱৰ অপৰিহাৰ্য অংগ। আমাৰ গৰু বিহুৰ দিনাৰ দৰে তেওঁলোকে এই উৎসৱত গৰুক গা ধুৱাই শিঙত হালধি আৰু সেন্দূৰৰ ফোঁট দিয়ে। নতুন চাউল, গাখীৰ, গুড়, কাজু বাদাম আদিৰে মাটিৰ নতুন পাত্ৰত আমাৰ পায়সৰ দৰে পুঙ্গল বনাই গৰুক খাব দিয়ে। তাৰ পিছত সকলোৱে পিঠা-পনা, পুঙ্গল নিজেও খাই, আনকো খাবলৈ দিয়ে। আমাকো ওচৰৰে চিলা বাইদেৱে খাবলৈ দিছিল। জয়ন্ত আৰু পিংকীয়ে পুঙ্গল আৰু পিঠা খুব ভাল পাইছিল, মইহে খোৱাৰ সৌভাগ্যৰ পৰা বঞ্চিত হৈছিলোঁ।

সন্ধিয়া সময়ত প্ৰায়েই পিংকী আৰু মই গান শুনিছিলোঁ, জয়ন্তই ধূপ জ্বলাই প্ৰাৰ্থনা কৰি এপাক ফুৰি আহিছিল। মাজে মাজে পিংকীৰ ঘৰুৱা কথাবোৰ শুনিছিলোঁ। কষ্ট কৰি তাই মাক আৰু ভায়েকলৈ পইচা পঠিয়াইছিল। পঢ়া-শুনা কৰা ছোৱালী, সৰু-সুৰা কাম কৰিবলৈ তাইৰ লাজ নাই। ছোৱালীজনীৰ কথাবোৰ শুনি শুনি তাইৰ প্ৰতি মোৰ মৰম দিনক দিনে বাঢ়ি গৈছিল। তাই মোক সান্ত্বনাও দিছিল, বেছিদিন নাই অতি সোনকালে গুৱাহাটীলৈ আহিব পাৰিম। ভালো লাগিছিল ঘৰতো ঘৰেই। সকলো কথাৰে শেষ আছে বুলি ভাবি আগবাঢ়িছিলোঁ। কিন্তু দাতাই দিলেও বিধাতাই নিদিয়াৰ দৰে Ray শেষ হ'বলৈ মাত্ৰ এদিন বাকী থাকোঁতে আকৌ জ্বৰ আৰম্ভ হৈছিল। জ্বৰ হ'লে Ray নিদিয়ে। ডাক্তৰক জনোৱাত দুদিনৰ ঔষধ দি ঘৰতে জিৰণি ল'ব দিছিল। ভাবিছিলোঁ জ্বৰ কমিব, কিন্তু কাহ আৰু কফে মোক যথেষ্ট দুৰ্বল কৰি তুলিছিল। ডাক্তৰে ক'ভিড পৰীক্ষা কৰিব দিছিল। অৱশেষত ইমান সাৱধানে থকা সত্বেও ক'ভিড হোৱা বুলি ৰিপৰ্ট আহিল। ক'ভিডৰ ঔষধ দি ৰুমতে জিৰণি ল'ব দিলে যদিও জ্বৰ-কাহ বেছি হৈ নাকেৰে তেজ ওলাব ধৰিছিল। ডাক্তৰক ফোন কৰাত হাস্পাতালত ভৰ্তি হ'বলৈ কৈছিল। তেতিয়া বিশ্বৰ লগত আলোচনা কৰি এপলত ভৰ্তি নহৈ এখন বেলেগ হাস্পাতালত ভৰ্তি হৈছিলোঁ। কভিডৰ সময়ত বিশ্বই মোৰ বাবে যিখিনি কৰিলে, হয়তো ভগৱানে আন এজন ভাতৃক মোৰ ওচৰলৈ পঠিয়াইছিল বুলি ক'ব লাগিব। হাস্পাতালত ভৰ্তি হোৱাৰ প্ৰথম দিনা ৰাতি অক্সিজেন কমি যোৱাত আকৌ এবাৰ মৃত্যু ভয় মোৰ মনলৈ আহিছিল। ৰাতিয়েই ঘৰলৈ ফোন কৰি কথাটো জনাইছিলোঁ। বাইদেউ-ভিনদেউৱে ফোন কৰি ধৈৰ্য ধৰিব কৈছিল। মোৰ ভগ্নীসম কল্পনাৰ কথাও মই ক'বই লাগিব তাই মোক বহুত সাহস দিছিল। সাধাৰণতে ক'ভিড ৰোগীৰ লগত কাকো থাকিব নিদিয়ে কিন্তু বিশ্বই ডাক্তৰক অনুৰোধ কৰি পিংকীক মোৰ ৰুমতে থকাৰ ব্যৱস্থা কৰি দিছিল। ডাক্তৰ, নাৰ্চ আৰু পিংকীৰ শুশ্ৰূষাত লাহে লাহে ভাল হৈ উঠিছিলোঁ। ক'ভিড ৰোগীক ডাক্তৰে দূৰৰ পৰা চাই বুলি শুনিছিলোঁ, কিন্তু মোকটো একেবাৰে ওচৰলৈ আহি হাতেৰে চুই চুই পৰীক্ষা কৰি চাইছিল। মই আচৰিত হৈছিলোঁ ৰোগীৰ লগত ডাক্তৰৰ সম্পৰ্ক দেখি, তেওঁলোকৰ কথা-বতৰাই কিছু বেমাৰ কমাই দিছিল। সেইবাবে হয়তো ছয় দিনতে পুনৰ ভাড়াঘৰলৈ উভতি আহিছিলোঁ। ক'ভিডৰ সময়ত তামিলনাডু চৰকাৰে লোৱা পদক্ষেপ প্ৰশংসনীয়। আমি

থকা ঘৰটোত চৰকাৰৰ মানুহ আহি চেনিটাইজ কৰাই দিছিল। বিনামূলীয়া ঔষধ-পাতিৰ যোগান ধৰিছিল। চৈধ্য দিনৰ দিনা পুনৰ ক'ভিড পৰীক্ষা কৰোৱাত নিগেটিভ ফলাফল আহিছিল। ভাল হোৱাৰ দুদিনমান পিছত এপ'ল হাস্পাতাললৈ গৈ এবাৰ ডাক্তৰক লগ ধৰাত তেওঁলোকে তিনিমাহৰ পিছত চেকআপৰ বাবে মাতিছিল।

ইতিমধ্যে ভিনদেউৱে ফেব্ৰুৱাৰী মাহৰ শেষৰ ফালে আমাক নিবলৈ আহিব বুলি জনাইছিল। ঘৰত অহাৰ ফূৰ্তিতে পিংকী আৰু জয়ন্তক লগ ধৰিছিলোঁ সাগৰৰ পাৰলৈ বুলি। কথামতে কাম। অট' এখন লৈ জয়ন্ত, পিংকী আৰু মই মেৰিনা বিচ পাইছিলোঁ। অট'ৰ পৰা নমাৰ পিছতেই সাগৰৰ চেঁচা বতাহজাকে মন-প্ৰাণ আলোড়িত কৰি তুলিছিল। এখোজ-দুখোজকৈ আগবাঢ়িছিলোঁ সাগৰ অভিমুখে। "সাগৰৰ তীৰত পৰি ৰ'লো মই"— ড° ভূপেন হাজৰিকাৰ গানটোলৈ মনত পৰি গৈছিল। সাগৰ পাৰত অজস্ৰ মানুহ, সৰু সৰু ল'ৰা-ছোৱালীবোৰ হাতত খেলা-বস্তু লৈ দৌৰি ফুৰিছিল। এই পখিলা খেদা বয়সটো আটাইতকৈ ভাল। সিহঁতক দেখি শৈশৱলৈ মনটো উৰা মাৰিছিল। দাদা, ভাইটী, মই আৰু বাইদেউ সৰুতে হেঁপাহ পলুৱাই খেলিছিলোঁ। দাদা আৰু ভাইটী অকালতে আমাক এৰি গুচি গ'ল। এনেতে মোৰ হাতত কোনোবাই টনা দেখি ঘূৰি চাই দেখিলোঁ বাদাম বিক্ৰী কৰিব অহা তিৰোতা এজনী। তাইতো নাজানে মই বাদাম খাব নোৱাৰোঁ বুলি, উপাই নাপাই পিংকী আৰু জয়ন্তৰ বাবে বাদাম কিনি লৈছিলোঁ। পিংকীয়ে সাগৰৰ ঢৌৰ লগত জঁপিয়াই ফুৰিছে, জয়ন্তই কিন্তু মোৰ লগ এৰা নাছিল। নাও এখনৰ চুক এটাত বহি একেথৰে সাগৰখন চাই ৰৈছিলোঁ। সাগৰৰ উত্তাল তৰংগই মোৰ যন্ত্ৰণাবোৰ কিছু সময়ৰ বাবে নাইকিয়া কৰিছিল। মাজে মাজে পিংকীয়ে ফটো তুলিছিল, ভিডিঅ' কৰিছিল। বহুত দিনৰ পিছত বাহিৰৰ পৃথিৱীখনলৈ ওলাই আহিছিলোঁ বাবে ৰুমলৈ উভতি যাবৰ মন যোৱাই নাছিল। শেষৰ কেইদিনত জয়ন্ত আৰু পিংকীৰ লগত কিছু ফুৰিছিলোঁ, খোজ কাঢ়ি নিজকে পৰীক্ষা কৰিছিলোঁ।

ফেব্ৰুৱাৰীৰ শেষত ভিনদেউ আমাক মানে জয়ন্ত আৰু মোক নিবলৈ চেন্নাই পালেহি। আমি বহুত বস্তু কিনিছিলোঁ, আটাইবোৰ পিংকীক দি আহিছিলোঁ, অনাৰ উপায়ো নাছিল। কান্দি-কাটি পিংকীয়ে আমাক বিদায় দিলে। আমিও বিশ্বই ঠিক কৰি দিয়া গাড়ীত উঠি চলচলীয়া চকুৰে পিংকীক এৰি এয়াৰপোৰ্ট পাইছিলোঁ। বৰ্ডিংপাচ লৈ ইণ্ডিগ' উৰাজাহাজৰ ছীটত বহোঁতেই মনটো উৰা মাৰিছিল আপোন চহৰ গুৱাহাটীলৈ। মাজে মাজে পিংকীলৈ মনত পৰিছিল, তায়ো আমাৰ লগত আহিলে খুব ভাল লাগিলহেঁতেন। উপায় নাই, এই পৃথিৱীত কোনো কাৰো লগৰীয়া হৈ সদায় নাথাকে। সেই সময়ত ৰবীন্দ্ৰ নাথ ঠাকুৰৰ 'পোষ্টমাষ্টৰ' গল্পটোলৈ মনত পৰিছিল। 'ৰতন'ক এৰি যাবলগীয়া হোৱাত পোষ্টমাষ্টৰৰ মনত খুব দুখ পাইছিল কিন্তু পিছমুহূৰ্ততে তেওঁ অনুভৱ কৰিছিল 'এই পৃথিৱীতে কে কাহাৰ।' মোৰো অৱস্থা তেনেকুৱাই হৈছিল। গুৱাহাটী এয়াৰপৰ্টৰ পৰা গাড়ীখনেৰে যেতিয়া উলুবাৰী অভিমুখে আগবাঢ়িলোঁ তেতিয়া গুৱাহাটী চহৰখন ইমান ধুনীয়া লাগিছিল যেন সেই সৌন্দৰ্য মই কাহানিও দেখাই নাছিলোঁ। গুৱাহাটীক্লাৱ পাৰ হৈ মোৰ সপোনৰ বি. বৰুৱা কলেজৰ দুৱাৰমুখ পাওঁতে ড্ৰাইভাৰক অলপ সময় ৰখিব দি কলেজখন চাই সেৱা এটা জনাইছিলোঁ। মনতে ভাব আহিছিল এই সুন্দৰ পৃথিৱীখন চাবলৈ মই হেজাৰ প্ৰত্যাহ্বানক নেওচি জীয়াই থাকিব লাগিব। ড° নিৰ্মলপ্ৰভা বাইদেৱে মোৰ অট'গ্ৰাফ বহীত লিখি দিয়া বাক্যশাৰীলৈ বৰকৈ মনত পৰিছিল— "জীৱন জীৱন বৰ অনুপম, মৰণ বিজয়ী সাধনা।"

# সংস্কাৰ

**স্মৃতিমালা শৰ্মা**
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান বিভাগ, বি. বৰুৱা কলেজ

কলেজলৈ বুলি লৰালৰিকৈ ওলাইছে মধুচন্দা। নটা পঞ্চল্লিচত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ক্লাছটো। ৰাতিপুৱাৰে পৰা তাইৰ কামৰ অন্ত নাই। দুয়োটা ল'ৰা-ছোৱালীলৈ টিফিন ৰান্ধি বেগত সুমুৱাই, অলপ অলপ ভাত খুৱাই চাৰে সাত বজাত দুয়োটাকে বাছত উঠাই দিলে। আজি ময়ূখো ঘৰত নাই। কোম্পানীৰ কামত মুম্বাইলৈ গৈছে। তাই নীলা মিচিং ফুল দিয়া বোৱা কাপোৰযোৰ পিন্ধিলে। তাইক প্ৰায়ে অনা-নিয়া কৰা চিনাকি অটোখনৰ শব্দ তাইৰ কাণত পৰিল। শাহুৰেকক মাত লগাই তাই দৌৰাদৌৰিকৈ ওলাই গ'ল। অটোত বহিহে তাই হাততে লৈ যোৱা কাণফুলিযোৰ পিন্ধিলে। বেগত সদায় থকা সৰু আইনাখন উলিয়াই পাতলকৈ লিপষ্টিককণ লগালে। কলেজৰ গেটৰ মুখত নামি অটোচালকজনক ভাড়াটো দি তাই অফিচলৈ সোমাই গ'ল। ৰেজিষ্টাৰত চহী কৰি তাই বিভাগৰ কমনৰুমত এপাক মাৰি ক্লাছলৈ গ'ল।

দ্বিতীয় মহলাত থকা ক্লাছ ৰুমটোলৈ তাই খৰধৰকৈ সোমাই গ'ল। ক্লাছ ৰুমটোত সোমাই তাইৰ মনটো বেয়া লাগি গ'ল। এশ বিশজন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত বিশজন মানহে ছাত্ৰ-ছাত্ৰী আছিল। তাই সুষম বৃত্তীয় গতিৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলে। হুৰমূৰকৈ বিশজনমান ছাত্ৰ-ছাত্ৰী সোমাই আহিল। তাই ব্লেকবৰ্ডত এটা চিত্ৰ আঁকি পুনৰ বুজাবলৈ আৰম্ভ কৰোঁতেই আকৌ বহুত ছাত্ৰ-ছাত্ৰী সোমাই আহিল। বাৰে বাৰে পঢ়োৱাৰ মাজত প্ৰতিবন্ধকতা আহি থকাত তাইৰ বিৰক্তি লাগিল যদিও একো নোকোৱাকৈ তাই বুজাই থাকিল। আকৌ বিশজনমান ছাত্ৰ-ছাত্ৰী দুৱাৰমুখত দেখি তাইৰ খং উঠি গ'ল। তাই ক'লে, "এইটো ক্লাছৰ আগত তোমালোকৰ আৰু এটা ক্লাছ নাছিল। সোনকালে আহিব নোৱাৰা ক্লাছলৈ।"

"মেম, আগৰ ক্লাছটো বিৰাট ব'ৰ। সেইকাৰণে কৰা নাই।" ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা কোনোবা এজন ছাত্ৰৰ মাত ভাহি আহিল। লগে লগে হাঁহিৰ শব্দ শুনিবলৈ পালে তাই। ইমান কষ্ট কৰি শিক্ষকে পঢ়াবলৈ আহে, ছাত্ৰ-ছাত্ৰীৰ কি সংস্কাৰ। এনেকুৱা অদ্ভুত মানসিকতা। মধুচন্দাৰ খঙটো বাঢ়ি গ'ল। কোনোমতে নিজকে চম্ভালি তাই আজি পঢ়াম বুলি ভাবি অহা টপিকটো শেষ কৰিলে। বেল পৰিলেই। এটেনডেঞ্চটো লৈ তাই লাহে লাহে ক্লাছ ৰুমৰ পৰা ওলাই আহিল। পিছে পিছে ছাত্ৰ-ছাত্ৰীবোৰো নামি আহিল। কোনোবা এজনে চিঞৰি কোৱা শুনিলে, "তোৰ প্ৰক্সি মাৰি দিছোঁ দেই।" তাই ভাবি আহি আছে, ল'ৰা-ছোৱালীবোৰ কিয় এনেকুৱা হৈ গৈছে। যুগৰ পৰিবৰ্তনৰ লগত মানসিকতা এনেকৈ সলনি হয়নে? আকৌ কোনোবা এটাই কোৱা শুনিলে, "প্ৰেক্টিকেলত এটেনডেঞ্চটো দিয়েই পলাম।" এই কথাবোৰে বৰ আমনি কৰে মধুচন্দাক। সৰুতেই পিতৃহাৰা হোৱা মধুচন্দাই মাকৰ সৈতে বৰ কষ্টেৰে পঢ়া-শুনা কৰি আজিৰ পৰ্যায়টো পাইছেহি। তাই বিশ্বাস কৰে জীৱনত সফলতা লাভ কৰিবলৈ অলপ কষ্ট কৰিবই লাগিব। আজিৰ যুৱচামৰ পঢ়া-শুনাৰ প্ৰতি

অনীহা দেখি তাই সিহঁতৰ ভৱিষ্যতলৈ শংকিত হৈ পৰে। চিন্তা কৰি কৰি তাই নিজৰ বিভাগটো পালেগৈ।

"গুড মর্ণিং ছাৰ।" বিভাগৰ মুৰব্বী মহন্ত ছাৰক দুৱাৰমুখতে দেখা পাই মধুচন্দাই স্মিত হাঁহিৰে সম্ভাষণ জনালে।

"তোমাক বিচাৰি পুলিচ আহিছিল। আকৌ আহিব।"

"পুলিচ, মোক বিচাৰি কিয় বা?"

"তুমিহে জানিবা, ক'ত বা কি কৰি থৈ আহিছা" কৌতুক মিশ্রিত হাঁহি এটা মাৰি মহন্ত ছাৰ কমন ৰুমৰ ফালে গুচি গ'ল। মধুচন্দাই নির্দিষ্ট ঠাইত ৰেজিষ্টাৰখন আৰু ডাষ্টাৰটো থৈ বেচিনত হাতখন ধুলে। চকবোৰ লাগি থাকিলে হাতত খজুৰতি হয় তাইৰ। সেয়েহে সদায় ক্লাছ কৰি আহি তাই হাত দুখন চাবোনেৰে ধুই পেলায়।

বিভাগৰ কোঠাটোত কোনোৱে নাই। সকলোৱে ক্লাছত গৈছে। তাই নিজৰ টেবুলখনৰ ওপৰত থকা পানী বটলটোৰ পৰা পানী অলপ খাই চকীখনত বহি লৈ ৰুটিনখন চালে। বাৰ বজাৰ পৰা প্রেক্টিকেল এটাও আছে। এনেতে তাইৰ ফোনটো বাজি উঠিল। লৰালৰিকৈ ফোনটো উলিয়াই তাই ৰিচিভ কৰিলে।

"অ, ত্রিদিশা, কোৱা।"

"আপুনি বিভাগতে আছেনে?"

"আছোঁ, কোৱাচোন কিবা কথা আছিল নেকি?"

"নহয় মানে, বসুন্ধৰা আহিছিল। আপোনাক লগ কৰিবলৈ বিচাৰিছিল।"

"কোন বসুন্ধৰা? মোৰ মনত পৰা নাই।"

"আমাৰ বিভাগত অলপদিন গেষ্ট ফেকাল্টি আছিল। এতিয়া এপিএছ পালে তাই।"

"অকে....আহিবলৈ কোৱা মই বিভাগতে আছোঁ।"

মধুচন্দাৰ অলপো মনত পৰা নাই ছোৱালীজনী। কিয় বা লগ কৰিব বিচাৰিছে। তাই চিন্তা কৰি একো উৱাদিহ নাপালে।

ত্রিদিশা আৰু এগৰাকী পুলিচৰ ইউনিফর্মত সুন্দৰী যুৱতী সোমাই আহিল।

"বাকী মানুহবোৰ নাই নেকি মধু বা ?"

"নাই অ'। ক্লাছত সকলো।"

"বসুন্ধৰাক চিনি পাইছেনে?"

"মই পাহৰিছোঁ অলপ। বহাচোন ত্রিদিশা। আপুনিও বহক।" এইবুলি তাই চকী দুখন আগুৱাই দিলে।

"বা, মোক আপুনি ক'ব নালাগে। মই ত্রিদিশা বাৰো তিনিবছৰ জুনিয়ৰ।"

"ঠিক আছে। কোৱাচোন এতিয়া ক'ত থাকা?"

"মোৰ প্রথম পোষ্টিং কৰিমগঞ্জত আছিল। পোন্ধৰদিন আগতেহে গুৱাহাটীলৈ ট্রান্সফাৰ হৈছে। আজি মই পঢ়া আৰু দুমাহমান চাকৰি কৰা কলেজখন চাই যাওঁ বুলি আহিলোঁ।"

"অহ....চাহ একাপ খোৱা। ময়ো খাওঁ।" এইবুলি মধুচন্দাই বিভাগৰ চকীদাৰজনক চাহ চাৰিকাপ আৰু মিঠাই আনিবলৈ পইচা দিলে।

"আচলতে বা, আপোনাক মই বিশেষ কথা এটা ক'বলৈহে আহিছিলোঁ।"

"কোৱাচোন কি কথা।"

"আপোনাৰ বা মনত আছেনে নাই। মই ইয়াত চাকৰি কৰি থাকোঁতে এবাৰ আপোনাৰ লগত পৰীক্ষাৰ ডিউটি দিছিলোঁ। আপোনাক যে দেখাত ইমান সৰু যেন লাগে, মই আপোনাক আমাৰ লগৰে বুলি ভাবিছিলোঁ। পৰীক্ষাৰ তিনিঘণ্টা সময় মই আপোনাক তুমি তুমিকৈ কথা পাতি থাকিলোঁ। বহুত দিন পিছতহে গম পালোঁ যে আপুনি ছিনিয়ৰ হয়। চ'ৰি ক'বলৈ সময়ে নাপালোঁ। কথাটো মনত পৰিলে মোৰ বৰ গিল্টী ফিল হয়। বৰ লাজ লাগে মোৰ।"

"হ'ব দিয়া বসুন্ধৰা। মোৰ মনতেই নাই কথাটো।"

"তথাপি বা, মই জানি-বুজি এনেকুৱা ভুল নকৰোঁ। ভুলতে কৰিলোঁ, মনটো বেয়া লাগি আছিল। ফেচবুকতো বিচাৰিছিলোঁ আপোনাক। নাপালোঁ। গুৱাহাটীলৈ ট্ৰান্সফাৰ হওঁতেই ভাবিছোঁ, আপোনাক লগ কৰি চ'ৰি ক'বই লাগিব।"

"তুমি ইমান চিৰিয়াচ হৈ গৈছা। চোৱা বসুন্ধৰা, মানুহৰতো ভুল হৈয়ে।"

"আপোনাক কথাখিনি কৈহে মোৰ মনটো ভাল লাগিছে বা।"

"চাহ ঠাণ্ডা হৈ যাব। খাই লোৱা।"

চকীদাৰজনে দি যোৱা চাহ তিনিওজনীয়ে খালে।

"বা, গৈ থাকোঁ। এই খন মোৰ কাৰ্ড। যোগাযোগত থাকিব। আপোনাক লগ পাই বহুত ভাল লাগিল।"

"মোৰো ভাল লাগিল। আকৌ লগ পাম।" বসুন্ধৰা আৰু ত্ৰিদিশা যাবলৈ ওলাল।

মধুচন্দাই বসুন্ধৰা যোৱাৰ ফালেই চাই থাকিল। তাই ভাবিলে, কি সুন্দৰ সংস্কাৰ, মহানগৰখনৰ দায়িত্বশীল আৰক্ষী বিষয়াগৰাকীৰ। ৰাতিপুৱা ছাত্ৰ-ছাত্ৰীৰ আচৰণ আৰু মানসিকতাক লৈ উদ্বিগ্নতাৰ ডাৱৰে আৱৰি ৰখা মধুচন্দাৰ মনটো হঠাতে ফৰকাল হৈ উঠিল।

যি জাতিৰ মানুহে মাতৃজাতিক সন্মান কৰিব শিকে, সেই জাতিৰ ভিতৰতে মানুহ জন্মে।

**— কমলাকান্ত ভট্টাচাৰ্য**

# যাদুকৰী পেঞ্চিলডাল

উৎস কিতাপ ঃ 'Lihe the flowing river'

লেখক ঃ পাওলো কোয়েলহো
ভাবানুবাদ ঃ নিজৰা কোঁছ
সহকাৰী অধ্যাপক, গণিত বিভাগ, বি. বৰুৱা কলেজ

কণমানি নাতিটোৱে আইতাকে অতি মনোযোগেৰে চিঠি এখন লিখি থকা দেখি সুধিলে— “আইতা, তুমি কি লিখিছা ? সাধু লিখিছা নেকি ? কাৰ বিষয়ে লিখিছানো ? আমাৰ বিষয়ে লিখিছা নেকি ?”

অ' মোৰ পোণাকণ। তোমাৰ বিষয়েই লিখিছোঁ। কিন্তু চিঠিত মই লিখি থকা শব্দবোৰতকৈ এই পেঞ্চিলডালৰ গুৰুত্ব বহুত বেছি— চিঠিখন লিখিবলৈ এৰি পেঞ্চিলডাল দেখুৱাই আইতাকে ক'লে। “তুমি যেতিয়া ডাঙৰ হ'বা, তুমিও এই পেঞ্চিলডালৰ দৰেই গুণবোৰ আহৰণ কৰাটো মই বিচাৰোঁ।”

কৌতূহলেৰে নাতিয়েকে পেঞ্চিলডাললৈ চালে। কিন্তু তাৰ দৃষ্টিত সেই পেঞ্চিলডাল আনবিলাকতকৈ একো বিশেষ হৈ ধৰা দিয়া নাছিল।

—মই দেখোন এইডাল একো বেলেগে দেখা নাই আইতা।

—সেইয়া নিৰ্ভৰ কৰিব তোমাৰ দৃষ্টিকোণৰ ওপৰত পোণা। অৰ্থাৎ তুমি কি ধৰণে চাইছা তাৰ ওপৰত। এই যে পেঞ্চিলডাল দেখিছা, ইয়াৰ পাঁচটা বিশেষ গুণ আছে। তুমিও যদি এই গুণকেইটা আয়ত্ত কৰিব পাৰা, সদায় এটা সুখময় আৰু শান্তিময় জীৱন যাপন কৰিব পাৰিবা।

**প্ৰথম গুণ ঃ** তুমি বহুত মহান কৰ্ম কৰিবলৈ সক্ষম। পেঞ্চিলডালক যিদৰে প্ৰতি মুহূৰ্ততে এজন গৰাকীয়ে পৰিচালনা কৰে, তেনেদৰে তুমিও এইটো পাহৰিলে নহ'ব যে তোমাৰ প্ৰতিটো খোজ এখন অদৃশ্য হাতে প্ৰতি পল নিয়ন্ত্ৰণ কৰে। সেই হাতখনেই হ'ল পৰমপিতা পৰমাত্মা অৰ্থাৎ ভগৱান। তেওঁ সদায়ে সত্যত থাকি বিশ্বকল্যাণৰ বাবে সকলোকে পৰিচালনা কৰে।

**দ্বিতীয় গুণ ঃ** পেঞ্চিলডালেৰে কাম কৰোঁতেও মাজে-সময়ে থমকি ৰ'ব লাগে আৰু আকৌ ধাৰ দিব লাগে। তেনে কৰিলে পেঞ্চিলডালে কষ্ট পায়, কিন্তু পুনৰাই তীক্ষ্ণ হৈ পৰে। তেনেদৰে তুমিও জীৱনত হেলাৰঙে দুখ-কষ্ট অতিক্ৰম কৰিবলৈ শিকিব লাগিব আৰু এই গুণে তোমাক কালিতকৈ আজি এজন বেছি ভাল মানুহ হোৱাত সহায় কৰিব।

**তৃতীয় গুণ ঃ** পেঞ্চিলে সদায়ে নিজৰ ভুলবোৰ মোহাৰিবলৈ এডাল ৰবৰ বা তেনে বিশেষ যতনক মঞ্জুৰ কৰে। ইয়াৰ অৰ্থ যে আমি কৰা ভুলক স্বীকাৰ কৰি শুধৰণি কৰাটো একো বেয়া কথা নহয়। এই গুণে আমাৰ প্ৰত্যেককে ন্যায়ৰ পথত অচল হৈ থাকিবলৈ সহায় কৰে।

**চতুৰ্থ গুণ ঃ** এডাল পেঞ্চিলৰ যিদৰে বাহিৰৰ অৱয়বটোতকৈ ভিতৰৰ গ্ৰেফাইটখিনিহে বেছি গুৰুত্বপূৰ্ণ, তেনেদৰে প্ৰত্যেকে নিজৰ ভিতৰখনৰ স্থিতিৰ ওপৰতহে বেছি মনোযোগ প্ৰদান কৰিব লাগে। ই এক বিশেষ গুণ।

এডাল পেঞ্চিলৰ পঞ্চম গুণটো হৈছে ই সদায় এটা সাঁচ ৰাখি থৈ যায়। তেনেদৰে তোমালোক প্ৰত্যেকে জ্ঞাত হোৱা উচিত যে তুমি জীৱনত যিয়ে নকৰা কিয়, সদায় এটা সাঁচ থাকি যায়। সেয়েহে নিজৰ প্ৰতিটো কৰ্ম সজ্ঞানে আৰু সুস্থ চিন্তাৰে কৰিব লাগে।

# প্ৰাণী বিজ্ঞান বিভাগ আৰু ভৱিষ্যত সম্ভাৱনা

**ড° তৰালি কলিতা**
সহকাৰী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ, কটন বিশ্ববিদ্যালয়

জীৱবিজ্ঞান (Bioligy) বা জীৱৰ বিষয়ে অধ্যয়ন কৰা বিষয়টোক মূলতঃ দুটা ভাগত ভগাব পাৰি— প্ৰাণী বিদ্যা য'ত প্ৰাণীৰ বিষয়ে অধ্যয়ন কৰা হয় আৰু উদ্ভিদবিদ্যা য'ত উদ্ভিদৰ বিষয়ে অধ্যয়ন কৰা হয়। উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান শাখাত জীৱবিদ্যা বিষয়সহ উত্তীৰ্ণ হোৱাৰ পিছত প্ৰাপ্ত নম্বৰৰ ওপৰত ভিত্তি কৰি বিভিন্ন শিক্ষানুষ্ঠানত এই বিষয়ক প্ৰধান বিষয় হিচাপে লৈ স্নাতক শ্ৰেণীত নামভৰ্তি কৰিব পাৰে। কিন্তু কথা হ'ল, খুব কমসংখ্যক ছাত্ৰ-ছাত্ৰীৰহে জীৱবিদ্যা (কিছুমান বিশ্ববিদ্যালয়ত প্ৰাণী বিজ্ঞান বা উদ্ভিদ বিজ্ঞান একেলগে নাথাকি জীৱবিদ্যা, Life Science হিচাপেহে থাকে) বা প্ৰাণী বিজ্ঞান বিষয়ত মেজৰ লৈ পঢ়া আৰু ভৱিষ্যতে সেই বিষয়ত নিজকে আগবঢ়াই নিয়াৰ সপোন থাকে। উচ্চতৰ মাধ্যমিকত জীৱবিদ্যা পঢ়া বেছিভাগৰে লক্ষ্য হ'ল চিকিৎসা বিজ্ঞান পঢ়া। কিন্তু প্ৰয়োজনীয় প্ৰস্তুতিৰ অভাৱতেই হওক বা চেষ্টা আৰু মেধাক ভাগ্যই সংগ নিদিয়াৰ ফলতেই হওক বহুতৰ সেই সপোন পূৰণ নহয় আৰু তাৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলে আহি নামভৰ্তি কৰে প্ৰাণী বিজ্ঞান বিভাগ বা অন্যান্য বিষয়ৰ স্নাতক শ্ৰেণীত।

প্ৰাণী বিজ্ঞান বিভাগৰ শিক্ষক হিচাপে স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ- ছাত্ৰীসকলৰ মুখলৈ চালেই আমি বুজিব পাৰোঁ সিহঁতৰ মাজতে কেইজনমানে যে কিমান সপোন ভঙাৰ বেদনা লৈ বহি থাকে। সেইখিনি সময়ত মেডিকেলৰ প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ নোহোৱাটোতেই জীৱন বিফল যেন অনুভৱ কৰে। সিহঁতৰ বয়সত সেয়া নিতান্তই স্বাভাৱিক। মোৰ নিজৰো সেই একেই অনুভৱ হৈছিল। আজি কিন্তু ভাবি হাঁহি উঠে। কিছুমানৰ মাক-দেউতাক বা পৰিয়ালৰ ফালৰ পৰা বহুত চাপ থাকে যে মেডিকেলত আসন পাবই লাগিব। কিছুমানক আকৌ তুলনাত্মক কথাবোৰে দুখ দিয়ে যে, "অমুকে পাইছে মেডিকেল তুমি কিয় নোপোৱা?" মেডিকেলৰ প্ৰৱেশ পৰীক্ষাত অনুত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ বা ছাত্ৰীগৰাকীয়েনো কি বিষয় ভাল পায়, চিকিৎসকৰ বাহিৰে ভৱিষ্যতে কি হ'ব বিচাৰে, ভৱিষ্যতে কি কি পঢ়িব পৰা সম্ভাৱনা আছে, এইবোৰ কথা আলোচনা কৰাৰ সলনি অভিভাৱকে আনি নামভৰ্তি কৰি দি কয়, "Zoology পঢ়।" উপায় নাপাই ল'ৰা বা ছোৱালীজনীয়ে হয়তো পঢ়িবও, কিন্তু যিকোনো এটা বিষয় পঢ়ি উন্নতি কৰিবলৈ হ'লে, বিষয়টো ভাল পাব লাগিব। নহ'লে মুখস্থ কৰি কিবা কৈ হয়তো ভাল মাৰ্কশ্বিট এখনো পাব কিন্তু তাৰ পিছত আৰু সেই বিষয়ত বিশেষ একো উন্নতি কৰিব নোৱাৰিব। কাৰণ বিষয় এটা ভাল পালেহে সেই বিষয়ত নিজা ধ্যান-ধাৰণা ব্যৱহাৰ কৰি কাম কৰিব পাৰিব আৰু উন্নতি লাভ কৰিব পাৰিব।

ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিকৰ পিছত মেডিকেল ইঞ্জিনিয়াৰিঙৰ বাদেও আৰু কি কি পঢ়িব পৰা সুবিধা আছে সেই বিষয়ে গাইড দিয়াৰ যথেষ্ট প্ৰয়োজন আছে। উচ্চতৰ মাধ্যমিকৰ পিছত বিশেষকৈ বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীখিনিৰ বাবে এটা বৰ ডাঙৰ ৰূপান্তৰৰ সময়। গতিকে আগৰে পৰাই সিহঁতক বিভিন্ন সম্ভাৱনাসমূহ দেখুৱাই দি বিভিন্ন পৰীক্ষাসমূহত অৱতীৰ্ণ হৈ বিভিন্ন পাঠ্যক্ৰম পঢ়াৰ দুৱাৰবোৰ কেনেকৈ খোলা ৰাখিব পাৰি তাৰ বাবে সহায়-সহযোগিতা আগবঢ়াই মানসিকভাৱে প্ৰস্তুত কৰিব লাগে যে মেডিকেল ইঞ্জিনিয়াৰিঙতেই জীৱন শেষ নহয়।

এইখিনিতে কিছুমানে এটা ভুল কৰে বুলিয়ে ক'ব লাগিব যে, স্নাতক শাখাত কোনো এটা বিষয়ত মেজৰ লৈ নামভৰ্তি কৰে আৰু সমান্তৰালকৈ মেডিকেল বা ইঞ্জিনিয়াৰিঙৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই যায়। এই অৱস্থাটো আচলতে দুই নাৱত দুই ভৰিৰ দৰে। কাৰণ প্ৰৱেশ পৰীক্ষাৰ বাবে কোচিং ক্লাছবোৰ কৰিব গৈ স্নাতক শ্ৰেণীৰ কিছুমান শ্ৰেণীত অনুপস্থিতত থাকিবলগীয়া হয় যিয়ে পাঠ্যক্ৰম আয়ত্ত কৰাত বাধা দিয়ে। আনহাতে দুয়োটা পাঠ্যক্ৰমৰে পঢ়াৰ ধৰণ বেলেগ বেলেগ। সেয়ে সমতুল্য বজাই ৰখা বৰ সহজ কথা নহয়। যদি কোনোবা দুই এজনে পাৰে তেন্তে ভাল কথা। কিন্তু মই আকৌ কৈছো, এয়া বৰ সহজ কথা নহয়। পিছৰ বছৰত যদি প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হয় বৰ ভাল কথা কিন্তু প্ৰয়োজনীয় গুৰুত্ব বা সময় দিব নোৱাৰি যদি CGPA কমি যায়, তেন্তে পিছৰ যাণ্মাসিকসমূহত সেই নম্বৰ বঢ়োৱা সহজ নহয়, যিয়ে ভৱিষ্যতৰ স্নাতক শেষান্ত পৰীক্ষাৰ পিছত পোৱা মাৰ্কশ্বিটখন প্ৰভাৱিত কৰে। গতিকে মই ভাবোঁ, কোনোবাই যদি মেডিকেলৰ প্ৰৱেশ পৰীক্ষা আকৌ এবাৰ দিব বিচাৰে, তেওঁলোকে সেই পৰীক্ষাটোৰ বাবেই নিজক সম্পূৰ্ণকৈ নিয়োজিত কৰা উচিত আৰু তাৰ পিছতো যদি উত্তীৰ্ণ নহয়, মেডিকেলৰ প্ৰৱেশ পৰীক্ষাক একেবাৰে বিদায় জনাই নিজৰ পছন্দৰ বিষয়ত স্নাতক শ্ৰেণীত অধ্যয়নৰ বাবে মনোনিৱেশ কৰা উচিত।

প্ৰাণী বিজ্ঞান বিষয়টোৰ ওপৰত ক'বলৈ হ'লে ক'ব লাগিব যে বৰ্তমান সময়ত প্ৰাণী বিদ্যা মানে জীৱ-জন্তুৰ বাহ্যিক আৰু আভ্যন্তৰীণ গঠনৰ বিষয়ে এয়া কেৱল পৰম্পৰাগত বৈজ্ঞানিক অধ্যয়ন নহয়। এক কথাত ক'বলৈ হ'লে জুল'জি মানে এতিয়া গৰৈ মাছ বা ভেঁকুলী কটাৰ যুগ নহয়, নহয় বিজ্ঞান শাখাৰ সহজতম বিষয় যি কেৱল মুখস্থ কৰি পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰি, জুল'জি মানে এতিয়া ছোৱালীৰ বিষয়ও নহয়। বৰং এতিয়া জীৱবিজ্ঞান এক অতি আকৰ্ষণীয় আৰু প্ৰচুৰ সম্ভাৱনীয়তা থকা বিষয়। কাৰণ বৰ্তমান জীৱবিজ্ঞানৰ সৈতে জড়িত হৈছে ৰসায়ন বিজ্ঞান, পদাৰ্থবিজ্ঞান, গণিত, কম্পিউটাৰ বিজ্ঞান আদি। শেষত কঁব পাৰি বিজ্ঞানৰ অন্যান্য বিষয়সমূহৰ তুলনাত অতি দ্ৰুতগতিত অগ্ৰগতি লাভ কৰি থকা বিষয়টোৱেই হৈছে জীৱবিজ্ঞান। গতিকে প্ৰত্যেক দিনেই জ্ঞানৰ পৰিসৰ বৃদ্ধি হৈ থকা এই বিষয়টো অধ্যয়ন কৰি ভৱিষ্যতে এই ক্ষেত্ৰখনত নিজকে প্ৰতিষ্ঠিত কৰা সম্ভাৱনা যথেষ্ট আছে।

জুল'জি বা প্ৰাণী বিদ্যাৰ মূল গছজোপাৰ বিভিন্ন শাখাসমূহ হৈছে- Biochemistry, Physiology, Cell Biology, Entomology, Fishery, Ecology, Wildlife Biology, Biostatistics, Genetics, Evolutionary Biology, Biotechnology, Bioinformatics, Microbiology, Virology, Embryology, Reproductive Physiology, Marine Biology ইত্যাদি। স্নাতক পৰ্য্যায়ত এই বিভিন্ন আনুসঙ্গিক বিষয়সমূহৰ ওপৰত এক সম্যক ধাৰণা দিয়া হয়। প্ৰাণী বিদ্যা এতিয়া এখন মহাসাগৰৰ দৰে। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে এই সকলো আনুষংগিক পাঠ্যক্ৰম ভাল

পোৱাটো বা পাৰ্গত হোৱাটো তেনেই অস্বাভাৱিক কথা। গতিকে প্ৰথমৰে পৰাই পৰীক্ষাভিত্তিক সকলোবোৰ বিষয় সামৰি অধ্যয়ন কৰাৰ লগতে নিজৰ পছন্দৰ শাখাটো চিনাক্ত কৰি ভৱিষ্যতেনো সেই বিষয়ত ক'ত কেনেকৈ অধ্যয়ন কৰিব পাৰি বা ক'ত কেনেকৈ প্ৰতিষ্ঠিত হ'ব পাৰি সেই বিষয়ে তথ্য সংগ্ৰহ কৰিব লাগে আৰু নিজকে সেই ধৰণে আগবঢ়াই নিব লাগে। আজিকালি প্ৰাণী বিজ্ঞানৰ আনুষংগিক বিষয় বা Allied Scienceৰ বিষয়সমূহত স্নাতক পাঠ্যক্ৰম আছে যদিও ভৱিষ্যত সংস্থাপনৰ দিশলৈ লক্ষ্য ৰাখি প্ৰাণী বিজ্ঞান মুখ্য (Zoology Core) বিষয়ত স্নাতক শাখাত অধ্যয়ন কৰিলে বেছি সুবিধা হয়।

কিন্তু চিন্তা কৰিবলগীয়া কথা এইটো যে, আজিকালি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিতাপ পঢ়াৰ প্ৰৱণতা খুব ক'ম। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে, শিক্ষকে দিয়া নোটছ, PPT ৰ ওপৰত বেছি নিৰ্ভৰশীল আৰু কৰ্ব নোৱাৰাকৈয়ে তেওঁলোকৰ মাজত Spoon Feeding ৰ প্ৰৱণতা গঢ়ি উঠিছে। বিষয়বস্তুৰ ওপৰত সম্যক জ্ঞান অৰ্জনৰ বাবে কিতাপ পঢ়াটো লাগিলে সেয়া PDF য়ে হওক অতি আৱশ্যক। আনহাতে তেওঁলোকে শ্ৰেণীকোঠাৰ পাঠদানক আওকাণ কৰি কোনো এটা বিষয় আয়ত্ত কৰিবলৈ ইন্টাৰনেটত উপলব্ধ তথ্যৰ সহায় লয়। কিন্তু এইখিনিতে ছাত্ৰ-ছাত্ৰীসকলে বুজা উচিত যে, ইণ্টাৰনেটত ভুল-শুদ্ধ সকলো থাকে আৰু শ্ৰেণীকোঠাত শিক্ষকৰ পাঠদানে, সেই ভুল-শুদ্ধসমূহ চিনাক্ত কৰিবলৈ সহায় কৰে। ছাত্ৰ-ছাত্ৰীসকলে বুজা উচিত যে, কিতাপ পঢ়া হ'ল জ্ঞানৰ ভেটি গঢ়াৰ আহিলা, আৰু ইন্টাৰনেট হ'ল নব্য নতুন অগ্ৰগতিৰ বিষয়ে জ্ঞাত হোৱাৰ আহিলা।

স্নাতক পৰ্যায়ৰ পিছত কি বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰিব সেইটো নিৰ্ভৰ কৰিব ছাত্ৰ বা ছাত্ৰীগৰাকীৰ নিজস্ব পছন্দ আৰু ভৱিষ্যত সম্পৰ্কে নিজৰ পৰিকল্পনাৰ ওপৰত। ধৰি লওক কোনো এজন ছাত্ৰই প্ৰাণী বিজ্ঞানত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত Marine Biology ত স্নাতকোত্তৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিলে। কিন্তু তেওঁ যদি পুনৰাই অসমলৈ ঘূৰি আহি অসমত সংস্থাপনৰ বাট বিচাৰে সেয়া নিশ্চয় কঠিন হ'ব বা অন্য বিভাগলৈ স্থানান্তৰিত হ'ব লাগিব। গতিকে স্নাতকোত্তৰ পাঠ্যক্ৰম নিৰ্বাচন কৰোঁতে এই সকলোবোৰ কথা মনত ৰখা অতি আৱশ্যক।

তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে স্নাতক পঢ়ি থকাৰ পৰাই, প্ৰত্যেকদিনাই অন্তত দহমিনিট সময় লৈ ইন্টাৰনেটত বিভিন্ন তথ্যসমূহ বিচাৰি চাই প্ৰণালীবদ্ধ ভাৱে লিখি থ'ব লাগে যাতে, স্নাতক শ্ৰেণীৰ শেষ পৰ্যায়ত ক'ত যাওঁ? কি পঢ়ো? ভাবি ৰাতি টোপনি ক্ষতি কৰিব লগা নহয়। এইক্ষেত্ৰত চাব লাগিব, নিজৰ পছন্দৰ বিষয়টো কি আৰু সেয়া অধ্যয়ন কৰিব পৰা কি কি শিক্ষানুষ্ঠান আছে, সেই শিক্ষানুষ্ঠানসমূহৰ সৰ্বভাৰতীয় বা বিশ্ব পৰ্যায়ত স্থান কেনেকুৱা, কিমান আসন আছে, আসন সংৰক্ষণৰ কি ব্যৱস্থা আছে, প্ৰৱেশ পৰীক্ষা কেতিয়া অনুষ্ঠিত হয়, চাকৰিত নিয়োজনৰ সম্ভাৱনা কিমান আদি তথ্য গোটাই নিজকে সেই ধৰণে প্ৰস্তুত কৰিব লাগে। আৰু এটা কথা ঠিক যে কেৱল এটা বিষয়তে নিজকে সীমিত কৰিব নালাগে। দুটা তিনিটা বিষয় পঢ়িব পৰাকৈ সুবিধাটো ৰাখিব লাগে, অৰ্থাৎ এটাই মাত্ৰ প্ৰৱেশ পৰীক্ষা নিদি দুই-তিনিটা প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'লে দুৱাৰ কেইবাখনো খোলা থাকে, আৰু শেষত নিজৰ পছন্দৰ দুৱাৰখন নিৰ্বাচন কৰা সুবিধা হয়।

প্ৰাণী বিজ্ঞান বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে যদি মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিব বিচাৰে তেতিয়া তেওঁলোকে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ লগতে নেট বা শ্লেট পৰীক্ষাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক।

বৰ্তমান অত্যধিক প্ৰতিযোগিতাৰ যুগত নেট/শ্লেটৰ লগতে পিএইচডি থাকিলে নিয়োগৰ সম্ভাৱনা অধিক হয়। পৰৱৰ্তী পৰ্য্যায়ত পিএইচডি শিক্ষক পদৰ বাবে বাধ্যতামূলক কৰা হ'ব। এইখিনিতে উল্লেখ কৰিব খোজোঁ যে, শিক্ষকতাৰ বাবে হেঁপাহ থকাসকলে মূল বিষয় প্ৰাণী বিজ্ঞানতে স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰাটো সুবিধাজনক। কিয়নো প্ৰাণী বিজ্ঞানৰ স'তে সংলগ্ন আন আন বিষয়সমূহত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম সৰহসংখ্যক মহাবিদ্যালয় বা কিছুমান বিশ্ববিদ্যালয়তো আৰম্ভ হোৱা নাই। আনহাতে ভাৰতৰ কিছুমান ৰাজ্য যেনে কেৰেলাত জৈৱপ্ৰযুক্তি বিদ্যা বা বায়'টেকনল'জিত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলেও যদিহে কোনোবাই স্নাতক পৰ্য্যায়ত প্ৰাণী বিজ্ঞান বা উদ্ভিদ বিজ্ঞানত স্নাতক শাখাত অধ্যয়ন কৰিছিল, তেন্তে শিক্ষকতা পদৰ বাবে প্ৰাণী বিজ্ঞান বা উদ্ভিদ বিজ্ঞানত আৱেদন কৰিবলৈ যোগ্য বিবেচনা কৰা হয়, যিটো অসমৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।

ছাত্ৰ-ছাত্ৰীসকলে মন দিয়া উচিত যে, নেট বা শ্লেট পৰীক্ষাত যাতে তেওঁলোকে স্নাতকোত্তৰ পঢ়ি থকা সময়তে সমান্তৰালভাৱে প্ৰস্তুতি চলায় আৰু স্নাতকোত্তৰ শিক্ষা সমাপ্ত হোৱাৰ সময়ত তেওঁলোকৰ হাতত নেট বা শ্লেট অন্ততঃ এটা পৰীক্ষাত হ'লেও উত্তীৰ্ণ হোৱাৰ প্ৰমাণ পত্ৰখন হাতত থাকে। ইয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল বৃদ্ধি কৰাত সহায় কৰে। এই পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ সহায় হোৱাকৈ আজিকালি অনলাইন আৰু অফলাইন মাধ্যমত বিভিন্ন কোচিং প্ৰতিষ্ঠান আছে। CSIR য়ে সৰ্বভাৰতীয় পৰ্য্যায়ত অনুষ্ঠিত কৰা নেট পৰীক্ষাত যোগ্যতা অৰ্জনৰ দুটা মাপকাঠি থাকে আৰু সেয়া হ'ল LS (Lecturrrship) আৰু JRF (Junior Research Fellow)। দুয়োটাৰে cut off mark বেলেগ বেলেগ আৰু LS তকৈ JRFৰ cut off mark অলপ বেছি আৰু এয়া কোনো পূৰ্বনিৰ্ধাৰিত নম্বৰ নহয় বৰং প্ৰত্যেক বছৰে সলনি হৈ থাকে। যিসকলে LS ৰ নম্বৰ লাভ কৰে, তেওঁলোক মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত শিক্ষকতা পদৰ বাবে আবেদন কৰিবলৈ যোগ্যতা অৰ্জন কৰে। আনহাতে, JRF ৰ বাবে প্ৰয়োজনীয় নম্বৰ লাভ কৰিলে ছাত্ৰ বা ছাত্ৰী গৰাকী তেওঁলোকে শিক্ষক পদৰ বাবে আবেদন কৰিবলৈ যোগ্যতা অৰ্জনৰ লগতে, পিএইচডি কৰিবলৈ জলপানি লাভ কৰে। CSIR ৰ লগতে DBT, DST, ICMR আদিয়েও পিএইচডিৰ বাবে জলপানি দিবলৈ নিজা নিজা পৰীক্ষা অনুষ্ঠিত কৰে। পিএইচডি সদায় উচ্চমান বিশিষ্ট শিক্ষানুষ্ঠান বা গৱেষণা প্ৰতিষ্ঠানত কৰিব লাগে, য'ত গৱেষণাগাৰৰ আন্তঃগাঁঠনি উন্নত হয় আৰু যিয়ে গৱেষণাৰ মানদণ্ড উন্নত হোৱাত সহায় কৰে। লগতে পিএইচডি যাতে জলপানি লৈ কৰিব পাৰি তাৰ বাবে গুৰুত্ব দিব লাগে। ইয়ে আৰ্থিকভাৱে সহায় কৰাৰ লগতে নিজৰ বায়'ডাটা উন্নত কৰাত সহায় কৰে। যিসকলে ভৱিষ্যতে গৱেষণাৰ ক্ষেত্ৰত নিজকে নিয়োগ কৰিব বিচাৰে, তেওঁলোকে মূল বিষয় প্ৰাণী বিজ্ঞানতকৈ আনুষংগিক ব্যৱহাৰিক বিষয়বোৰৰ ওপৰত স্নাতকোত্তৰ ডিগ্ৰী আৰু পিএইচডি লাভ কৰিলে অধিক সুবিধা হয়। এটা কথা মনত ৰখা উচিত পিএইচডি গৱেষণা কেৰিয়াৰ আৰম্ভণি আৰু ভেটি। ভেটি মজবুত হোৱাটো নিতান্তই প্ৰয়োজনীয় কিন্তু অত্যধিক সময় পিএইচডিত পাৰ কৰাটোও কেৰিয়াৰৰ পক্ষে লাভজনক নহয়।

শেষত প্ৰাণী বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকললৈ অনুৰোধ এই বিশাল সাগৰৰ ৰূপসুধাই আগ্ৰহীসকলক হাতবাউল দি মাতি আছে, তেওঁলোকে মাথোন তাক অনুধাৱন কৰি নিজকে আগবঢ়াই লৈ যোৱা উচিত।

# Reconstructing Sita in Chitra Banerjee Divakaruni's *The Forest of Enchantments* - A Search for Selfhood

**Meghali Gogoi**
Assistant Professor
Department of English, B. Borooah College

Patriarchal society has oppressed the women in many ways.Patriarchy has made a trend to underestimate the contribution of women. Traditional gender roles attach women as emotional,irrational,weak ,nurturing and submissive. This paper studies the representation of female agency in Chitra Bannerjee Divakaruni's *The Forest of Enchantments*. In this novel ,the author attempts to redefine the female 's identity as an agency and revolutionary character challenging the traditional role of female presented in The Ramayana. Divakaruni rewrites the story of Ramayana from Sita's perspective in order to foreground her subjectivity and individuality which is neglected by original epic Ramayana. The novel narrated by Sita, the wife of Rama demonstrates the role of females in the epic as important as male counterparts which are otherwise silenced and marginalised.

Sita is highly regarded as one of the most influential subject of interests for many feminist studies. This is mainly due to the confusion over her banishment, which gives birth to Divakaruni's version of the epic that aims to demystify Sita and other ostracised women in the Ramayana. She attempts to clear the misconceptions about these women by giving them a chance to speak out and voice their side of the story. Despite being one of the leading character in Ramayana ,Sita's perspective about her exile to the forest is not explored in the epic. Therefore Divakaruni empowers Sita through her retelling: "Write our story too. For always we've been pushed into corners, trivialized, misunderstood, blamed, forgotten – or maligned and used as cautionary tales" (Divakaruni, 2019, p.4). *The Forest of Enchantments* dwells in the notion of women's struggle, honour and search for selfhood that are still very much relevant and common in current times.

*The Forest of Enchantments* is a new way to inspect the story of Ramayana; this time it is Sitayana. While Ramayana is the story of a male told by a male and tells the story of a great war between the two great

male warriors of that time. *The Forest of Enchantments* is a story told by a woman about a woman. This Sitayana gives words to many questions arising in the minds of women since eternity. For instance, through the words of the protagonist, "But as I dipped my quill into the inkpot, they rose inside me voices. Some clamoring, some tentative, some whispering so that I had to still my breath to hear them. Kaikeyi, second queen of Ayodhya, who wrested our throne from us out of blind devotion to her son, only to be hated by him for it; Ahalya,her beauty turned to stone by a husband's jealous fury; Surpanakha, wild enchantress of the forest, whose gravest crime was to desire the wrong man; Mandodari, wife of the legendary demon king forced to watch her kingdom fall into ruin and her beloved son perish because of her husband's obsession with another woman; Urmila, my sweet sister, the forgotten one, the one I left behind as I set off with blithe ignorance on my forest adventures with my husband" (Divakaruni, p.4). Sita states that the purpose of her writing is to challenge the foundational frameworks of patriarchal ideology and phallocentric projections which aims to keep the voices of the women suppressed. Overall Divakaruni's Sitayana makes the readers rethink and reflect on these questions. Sita feels that the suppressed voices of the women are speaking to herself from within urging her to write their raw tales of sustained suppression. Divakaruni wants to reconsider these characters which have been either used to dictate women the code of conduct or to frighten them with the possible fate they could be destined to if they don't follow certain imposed rules. Cixous warns us of such a confining and restricting space which denounces femininity with passivity and where "either woman is passive or she doesn't exist". Sita seeks to do away with this space to reclaim an alternative space for femininity.

The mere beginning of the novel proves that it is going to be a feminist text. Sita reads Valmiki's Ramayana and finds herself completely absent in it. She questions Valmiki's words where he has sung praises of Ram's valor but has totally forgotten about what happened to Sita. In response she starts writing her autobiography. She chooses the color red ink to write it because, "How else could I write my story except in the color of menstruation and childbirth?" (Divakaruni, p.4). Sita's words talks about Helen Cixous' the 'ecriture feminine'. Divakaruni through Sita's own language attempts to doubly deconstruct the rigid masculine framework and it reminds us of Cixous' words, "Women must write through their bodies, they must invent the impregnable language that will wreck partitions, classes and rhetorics, regulations and codes, they must submerge, cut through get beyond the ultimate reverse-discourse, including the one that laughs at the very idea of pronouncing the word "silence" (Cixous',1976.p.5). Sita's character goes on raising questions against social taboos and patriarchy. She wants to lead her life as a spinster and rule over Mithila as there is no male heir though her mother tells her that it is not possible, "Even if you were a goddess among women… The kingdom of Mithila can

be ruled only by a man. This has been the custom of the country since before the scribes began to write it's history". (Divakaruni,p.14)

When life is often stripped of its identity, spirituality, due to modernity, retelling myth can break this monotony through the stimulation of the imagination and spread ancient wisdom.Myths are an important factor in creating meaning in life. Vayu Naidu asserts that retelling of mythologies induces cultural memory as "the function of memory as a metaphor for remembering a dismembered story because it is told to us infrequently and in parts and for experiencing culture through its epic characters" (Naidu,2012, p.170). Sita through many modern stories remains to challenge and question our beliefs about her journey and personality. Thus story that gives us new perspectives to uncover ignored truths should be allowed to understand what is valued across cultures and traditions.

The country is "built upon an age-old belief the citizens of Mithila hold: no woman is strong enough or wise enough to guide them" (Divakaruni, 2019, p.14). However, Sita's fate is not that of an ordinary princess and even Shiva's Haradhanu, a sacred bow bestowed to protect Sita, sometimes reminds her that "I (Sita) was no ordinary person but one with a complicated destiny. My great sacrifice, it (the bow) indicated, would save the world" (Divakaruni, 2019, p.27). Paula Richman (2008) highlights, "Valmiki's Ramayana tends to affirm the values of the social order of his day, thus helping to uphold institutionalised power" (Richman, 2008. P.9). The text narrates the unconventional way Sita grows up, she is perceived to be unique and unlike Mithila princesses. Her mother pointed out that " I sense that your future's going to be different from that of most princesses" (Divakaruni,2019, p.9). Sita is an atypical princess who dares to say what she thinks and defies convention with her intelligence and wit. For example, in a Swayamvara, Sita proves to Ram that she is more than just a girl. Like her mother,her strong personality is illustrated in the following excerpt : "But deep inside me someone – was it the goddess? – said, it's important to speak your mind to the man you're going to marry. What kind of relationship would you have if you couldn't do that?" (Divakaruni, 2019, p.36).

Sita in Ramayana is revered for her dedication to her dharma (duty) as wife and mother and for the sacrifices she made to achieve this vocation. She is considered as a symbol of femininity and is an ideal to imitate for other women. Though she is a Goddess herself, the incarnation of Goddess Lakshmi, Sita is often viewed as an extension of Lord Ram, but not an aspired individual with vision. Sita is often seen as the epitome of perseverance. It is often equated with submissiveness, yielding and gentleness and is cited as an example of the socialization of girls in Indian culture. A woman's devotion to her husband, under all circumstances, is preserved as the incarnation of righteous conservatism. Divakaruni in *The Forest of Enchantments* maintains the core identity

of Sita ,which is her ability to endure inexplicable and innumerable pain. However, in this text the notion of endurance is not seen as weakness but it is associated with the strength though in our times, endurance in women is interpreted as the attribute of a victim, but Sita has resourcefulness, bravery and an ocean of love despite being placed in circumstances. (Naidu, 2012. p.182). During her contemplation in the forest, Sita dreams about Sunaina, Ahalya, Mandodari, Sarama, Kaikeyi, Tara and even Surpanakha who advises her to endure. In the dream, they suggest Sita to endure as we do. Endure your challenges" (Divakaruni, 2019, p.322). As Sita contemplates meaningfully over the word 'endurance', she understands the true meaning of it, "It meant taking the challenges thrown at us and dealing with them as intelligently as we knew until we grew stronger than them" (Divakaruni 2019, p 322)

Therefore, the text propagates a new sense of empowerment through endurance that ultimately leads women to challenge the obstacles and strive in triumph. Another imperative incident in the novel that support this notion is when Sita decides to accompany Ram to the forest. Ram objects by undermining her capability as a woman; "What folly is this? You can't possibly come with me. You 're a woman" (Divakaruni, 2019, p.111). Sita refrains from speaking out but she wanted to counter Ram's belief "not all women are weak and helpless like you think. For all you know,I might be of help to you" (Divakaruni, 2019.p.111). In the forest their meeting with Ahalya, allows us to see the silent suffering of another woman from different angle from Divakaruni's Sita. Ahalya is turned into stone by her husband for not fault of hers. Ahalya is saved by Ram and according to sage Gautam,she has taken a vow of silence (Divakaruni,131). Sita questions Ahalya because she is perplexed with the injustice prevailed in the whole situation and Ahalya replies : "I tortured myself with these same thoughts many times as I lay stone- bound. Yes that was part of the curse – that I should feel every moment of my internment…when you put your hand in the fire, knowingly or unknowingly, do you not get burned? Such is the ancient law of the universe. Of Karma and it's fruit. The idea of motive is irrelevant to it" (Divakaruni,p.134). She is shocked by Ahalya's reply as she always believes that " motive was more important than action, more even than destiny" (Divakaruni,2019.p.134). Sita's prophetic dream about Ahalya's punishment allows her to see things from another perspective where Ahalya's vow of silence serves as a reminder that punishes Gautam for what he has done.

She is an independent and free soul. She has desires and dreams like any common woman. She is extraordinary in her treatment of nature. She has a deep understanding of people. She has a strange gift with plants. For she knows, "Perhaps it was because, like them, I was earth-born. May be for the same reason, when I

touched a plant, I knew it's healing properties. I could tell which grasses cured headaches and colds, which seeds fended off infections, which herbs to give women when their monthly blood flowed too long, and which potions healed the shaking sickness or gladdened a long- depressed heart". She possesses an indomitable spirit that does not bow in front of evils. She admits her love for martial arts lessons. Even her mother Queen Sunaina supported her who was her only spectator. She says, "Now I am as much at ease as a mother can be, sending her daughter out into the wild world".

The last scene of the novel brings the climax and message of the story. Sita was expected to enter the flames again to prove her piousness. For Sita, it was the time to take a stand, not for herself but for the generations to come. She decided that she wouldn't enter the flames nor would she return to the ashram she lived for so many years. "No, I say. I will not run away. I will meet Ram just as he wishes. But not like this, dressed up as a queen. Because I am not a queen any longer. I am Sita,the forest dweller. Sita, daughter of earth. And yes. Sita, daughter of fire as well.' (Divakaruni, p.352) Sita, the protagonist gives her speech and questions the validity of Ram's decision: "O King of Ayodhya! I address you in this way because you've always placed your role as a king ahead of your role as a husband…I ask you this, for I have been a citizen of Ayodhya too: Did you act justly when you sent me away to the forest, knowing I was innocent of what gossip- mongers whispered?....Were you fair to your unborn children when you sentenced to a life of hardship perhaps even death in the wilderness?...You care so much about the citizens of Ayodhya, did you think of the impact of your actions would have on the women of the city (Divakaruni, p.356). She further says, "But I must refuse. Because if I do what you demand, society will use my action forever after to judge other women . Even when they aren't guilty, the burden of proving their innocence will fall on them. And the society will say ,why not? Even Queen Sita went through it. I can't do that to them. For the sake of my daughters in the centuries to come, I must now stand up against this unjust action you are asking to me…. I bless my daughters, who are yet unborn. I pray that, if life tests them – as sooner or later life is bound to do- they'll be able to stand steadfast and think carefully, using their hearts as well as their heads, understanding when they need to compromise and knowing when they must not….this is one of those times." (Divakaruni, p.357)

While Sita and other women of Ramayana remain central to the story, Divakaruni has remained fair to her male characters, especially Ram and Ravan. In her rendition of Sita, Divakaruni has retained Janaki's core values. She questions, she counters, she stands up for her and other women's rights but with a quiet dignity. Her love for Ram is limitless but not at the cost of her self- respect.

In the end, Divakurani's Sita is a

multifaceted personality who will find resonance in today's times. A dutiful daughter,protective sister,loving wife, gentle daughter in law , nature lover,healer, skilled warrior,able administrator and a strong single mom. Sita transcends across centuries as a perfect role model from women of Treta yug to that of 21st century.Not just her own story,she writes the Sitayan to do justice to Urmila, Kaushalya, Ahalya, Mandodari and even Surpanakha, Kaikeyi and Manthra always pushed into corners, misunderstood, blamed and used as cautionary tales for without them. Thus this text clearly reflects the true essence of feminist criticism in which the women as a writer attempts to address their inner desires, experiences and their spontaneous mode of self-discovery.

**References:**


Cixous, H. *The Norton Anthology of Theory and Criticism.* Ed. Vincent B. Leitch. New York : London: W.W. Norton & Company, 2001.

Divakaruni, B.C. *The Forest of* Enchantments. Harper Collins Publishers, 2019

Naidu,V. *Sita's Ascent*. Penguin Books, 2012

Richman,P. "*Introduction: Whose Ramayana Is it?" Ramayana Stories in Modern South India: An Anthology* (Paula Richman ed). Indiana University Press, 2008.


"The woman who follows the crowd will usually go no further than the crowd. The woman who walks alone is likely to find herself in places no one has ever been before."

**– Albert Einstein**

# Are Women Exceptionally Delicate?

**Roboni Khawbung**
Assistant Professor
Department of Education, B.Borooah College

The type of status assigned to women in any society reflects the nature of its cultural richness and the level of its civilizational standards. Swami Vivekananda once said, 'That country and that nation which did not respect women have never become great nor will ever in future.' The spirit of a civilization can be assessed by the way in which women are treated by the members of that civilization.

Most human societies attach great importance to sex differences. Though men and women have been living together from the very inception of human history on earth, every society differentiates its members on the basis of sex, treating men and women in different waysand expecting different patterns of behavior from them. In human society, differentiation based on gender seems to be a universal feature. There has been a general conception that men are supposed to be providers for the whole family; while women are expected to take almost every responsibility, from taking care of the child to attending to household duties, co-operative and supportive and are expected to have time for the guest to sit and chat, weave an effective network of mutual support and empathy.It's no doubt that domestic chores are an integral part of one's daily life but, undulya high share of work being taken by women section has a severe consequence on their upliftment in various aspects.

Gender bias particularly towards women does exist and is observed on a very large scale almost in all societies of the world. The gender analysis of some of the primary school textbooks shows men mainly in professions like doctor, engineer, driver, carpenter, and women as homemakers, and doing stereotypical role like carrying water, confining herself to the home and mostly to kitchen work; boys are shown as flying kites and girls watching them. Illustrations in textbooks which associate female characters with private, interior spaces and male characters with public, open and exterior spaces make the child believe throughout his life that women are supposed to be subtler.Our textbooks must emphasis the characters as 'pupil,' 'child' or 'person' rather than

'male' and 'female.'It is importantto portray a positive image to women just like men by emphasizing their contributions to a country's history and to its economic, social, scientific, cultural, and aesthetic wealth, etc.

Gender roles are not necessarily inborn or fixed for all time. The upbringing of our younger ones will ratherdetermineabout the role which one ought to play when grows old.For an instance when a boy child cries, he is being comfortednot to cry reminding him that'boysdo not crylike girls'and the saga remains in his thought and action throughout his entire life making him further believe that girls are meeker and are the one who are supposed to cry, and that girls are supposed to wear modest dresses andnot supposed to play rough like boys do. So, when he grows old it becomes a tradition for him to think that men are expected to express anger while women should never be angry or at least they should certainly never show it and shouldalways be humble and submissive, men should be competitive while women are supposed to be cooperative, men can be impatient whereas women must have boundless patience. This perceptionhas been existing and the ethos being adopted from generation to generation almost within every society.Different cultural expectations about males and females create the concept that women are more delicate or weaker than that of their male counterparts. The concept that women are delicate creaturewho require protection has persisted in various forms. Traces of this medieval conceptof the western world are still foundespecially in the male practice of taking hats, giving up seats in a bus, opening doors for them, 'ladies first, gents next,'dropping off to markets, and so on.

Male dominance is the norm everywhere, even thoughthere has been a high turnout of women's participation during elections, yet the actual number of women holding high portfolios is still extremely less in numbers as compared to their male counterparts. In fact, women's share in the decision-making process be it in the family or the society at large seems to be considered as incompetent. Our decision on how and what kind of dress women should put, where to go and not to go, when to get married and so on indicates that women are made to think that they are unable to take decision by themselves and makes them feel that they are indeed delicate. Long ago Sati system may have been abolished but as far as shebreathes the air of fear, exploitation,injustice, domination, susceptibleness, restrictions, andtaboos regarding menstruation, she will always think of herself as the weaker ones.So, the question arises why, it is necessary that only women must struggle.

From the biological point of view women may be weaker than men because of which they are usually not permitted to undertake certain heavy tasks- carrying heavy weights, working in deep mines and under the sea, etc.but today, women of high

caliber are found in good numbers engaging in various profession helping them build confidence andbold apart from uplifting their status in the society. It is an eye-opener that if given an opportunity or treated womenalike, theyare no less than men.

To consider women subordinate may come in different forms, sometimes as subtle or overt. Sometimes it is violent or inoffensive, but it ishere.No matter how much schemes and slogans are proposedand chanted we would not march towards progress until and unless we exterminate the age-old traditions that coiled our thoughts thinking womenas a delicate being.

If you want something said, ask a man; if you want something done, ask a woman.

**– Margaret Thatcher**

# Female Infanticide: An analysis in India

**Bithika Ray**
Assistant Professor
Department of Philosophy, B. Borooah College

From the ancient times women has often been a victim of worst forms of discrimination. There are many issues like gender bias, deep-rooted prejudices Child marriage, domestic violence. With the progress of science and technology these problems continued to increase rather than decline. Female infanticide has been a problem for centuries. In spite of the legal provisions to prevent female infanticide and foeticide it continues to occur in many parts of our country.

Female Infanticide is the intentional killing of baby girls due to the preference for male babies and from the low value associated with the birth of females. In most places female infanticide has been replaced by female foeticide. Infanticide was first known to be recorded in British rule in Tamil Nadu in the post-independence period. According to some British records and historical sources female infanticide was also confined to Northern and western regions of the country including present day Rajasthan, Punjab, Uttar Pradesh and in Bihar. Female infanticide has been increasingly reported in recent years. The state wise analysis reveals wide variation from state to state. However, very few cases of foeticide and infanticide has been reported from the north eastern states including Arunachal Pradesh, Manipur, Mizoram, Nagaland, Tripura, Assam. The highest rate of both infanticide and foeticide is found in the states of Maharashtra, followed by Madhya Pradesh, Andhra Pradesh, Rajasthan, Haryana, Bihar and Delhi.

Most of the source's states that dowry and poverty are the two main reasons for female infanticide. It was probably because they thought that it is the male who carries family lineage. Some women reported that they killed their babies under pressure of their husbands. They thought that she is an economic burden. Many times, the husbands beat up their wives. Moreover, there are some superstitious beliefs prevalent in the Hindu society that man cannot attain redemption unless he has a son to light his funeral pyre. Besides, there are some religious considerations, lack of education economic, social and emotional desires that favour male. Some parents thought that sons would provide financial support to

them, especially in their old age. In modern times, peoples are misusing the advancement of technology for detection of abnormalities of the foetus.

Hence, it has become very essential to curb female infanticide it. In an attempt to curb female feticide, the Indian government enacted the Pre-Natal Diagnostic Techniques(PNTD) Act of 1994, which prohibits sex selection and regulates prenatal techniques to prevent their misuse. In order to generate awareness and improve the efficiency of welfare services the Government of India started "Beti Bachao Beti Padhao" campaign. This campaign uses the media to raise awareness of the gender disparities creating and resulting from sex- selective abortion. The activities include rallies, posters, short videos and television commercials some of which sponsored by state and local governments and other organisations. It mainly targets the cluster in Uttar Pradesh, Haryana, Uttarakhand, Punjab, Bihar and Delhi. In terms of increasing awareness among the people Amir Khan devoted first episode Daughters are Precious of his show Satyamev Jayate to raise awareness of this widespread practice, focusing primarily on western Rajasthan, which is known to be one of the areas where this practice is common. Tamil Nadu government also introduced the 'Cradle Baby Scheme" as a measure to eradicate female infanticide. Under the scheme, cradles are presented at government hospitals, primary health centres and child care institutions to receive children who are unwanted by their parents so that they can be put through the legal adoption process.

In the early years of second wave feminism the feminist activist discovered that in some countries women were required to endure many issues like female infanticide, forced marriage. Therefore, they turned their attention in those areas of health care where the interests of women were severely neglected. Besides in the second half of the twentieth century feminist bioethics emerged as a new area of academic interest and all the feminist scholars and activists turned their attention to the rapidly expanding field of bioethics. Bio ethics is a branch of applied ethics that studies the philosophical social and legal issues arising in medicine and life sciences. Under the discipline of bio ethics moral philosophers and political theorists discussed some practical issues. It helped them to apply the knowledge of their moral theory in understanding the real-world problems. The issue of female infanticide comes under medical ethics which is mainly concerned with identifying the correct approach to moral issues, such as abortion, euthanasia, the allocation of scarce health resources, or the use of human embryos in research, surrogacy, female infanticide.

The problem of female foeticide and female infanticide is very deeply rooted in some parts of our country. Though solving these problems is a difficult task but if we try to

create awareness among people then to some extent it will be able to preserve the dignity and integrity of women. The problem of female infanticide and female feticide cannot be addressed in isolation. A holistic intervention in political, institutional, societal and individual level is necessary to abolish this practice. It is therefore essential that these socio-cultural factors to be tackled by changing the thought process through awareness generation, mass appeal and social actions There is also an urgent need to underpin awareness initiatives through effective laws and to inculcate a strong ethical code of conduct. Every woman has the right to live in dignity-free of fear, coercion, violence and discrimination.

**References :**


1. Singh V.P. "Dowry-a deep-rooted Cause of gender-based violence in India",[2005,45(2):161-168], Medicine, science and the law
2. NooribAnsari, S. (2018). "The Right To Life":Female Infanticide and Feticide: An Analysis of India. *Indian Journal of Applied Resaerch*, 2.
3. Saravanan, S. (2002). *Female infanticide in India: A review of literature.* University Heidelberg, South Asis Institute: ResearchGate.
4. Sneh Lata Tandon and Renu sharma. (2006). *Female Foeticide and Infanticide in India: An analysis of Crimes Against Girl Children.* Delhi: International Journal of Criminal Justice sciences.
5. https://plato.standford.edu


Arm yourself with knowledge.... it will be your greatest strength one day.

**– Susmita Sen**

# পেহী

**দেৱীকা ফুকন**
সহকাৰী অধ্যাপক
শিক্ষা বিভাগ, বি. বৰুৱা কলেজ

"পেহী, তুমি বিয়া নহ'লা কিয় ?" বিছনাত ওপৰলৈ মুখ কৰি বাগৰ নি থকা পাকিজাই ভৰি দুটা খিৰিকীৰ ৰেলিঙতে উঠাই পেহীলৈ নোচোৱাকৈয়ে হঠাৎ সুধি পেলালে। দুপৰীয়া ঘৰৰ সকলোৱে ভাত-পানী খাই আজৰি হৈ যেতিয়া বিছনাত এবাগৰ দিয়ে, সেই সময়খিনিতে পেহীয়ে নিজৰ চিলাই কৰা সা-সৰঞ্জাম থকা পলিথিনটো লৈ পাকিজাৰ কোঠাৰ মজিয়াত লেপেটা কাঢ়ি বহি লয়হি। মুখত বয়সৰ আঁচোৰ পৰা মিঠাবৰণীয়া এই পেহীগৰাকী এইখন ঘৰৰ সদস্য হোৱা আজি প্ৰায় বহু বছৰ হ'ল। ডিব্ৰুগড়ৰ এখন ভিতৰুৱা গাঁৱৰ পৰা আহি পাকিজাৰ মাকক ইটো-সিটো কামত সহায় কৰি দিয়া মানুহজনী সময় বাগৰাৰ লগে লাগে ঘৰৰ এজন সদস্য হৈ পৰাৰ লগতে সকলোৰে পৰা সম্বোধন পালে 'পেহী'। আনকি, পাকিজাৰ মাকেও প্ৰয়োজনত পেহী বুলিয়েই তেওঁক চিঞৰ লগায়।

পাকিজাৰ প্ৰশ্ন শুনি পেহীয়ে চিলাইৰ ফ্ৰেমটো হাতৰ পৰা ননমোৱাকৈয়ে নিৰুদ্বেগভাৱে উত্তৰ দিলে - "বিয়াৰ কথা ভাবিবলৈ আহৰি নাপালোঁ অ' পাপু।"

খিৰিকীৰ বাহিৰৰ জবাজোপাত কণমানি চৰাই কেইটামানে কিচিৰমিচিৰ শব্দ কৰি দুপৰীয়াটোৰ নিস্তব্ধতাক ম্লান পেলাইছে। পাকিজাই শোৱাৰ পৰা উঠি অলপ আঁৰ হৈ সিহঁতবোৰলৈ মন কৰিলে। জবাৰ ডালবোৰৰ তলে তলে পাতল সেউজীয়া ৰঙৰ লতা কিছুমান পাক খাই আছে। সৰু চৰাইকেইটাই হয়তো বিভিন্ন লতা-পাত আনি নতুন বাঁহ সাজিছে। পাকিজাই ভাবিব ধৰিলে, সৰুৰে পৰা তাইক ডাঙৰ কৰা এই পেহীৰ মুখত পুৱাৰে পৰা বিভিন্ন বিয়ানাম, আইনাম শুনি থাকোঁ। যিজনী মানুহে ইমান দুখলগাকৈ বিয়া নামবোৰ গাই, সেই মানুহজনীয়ে জীৱনত এবাৰো নিজৰ বিয়াৰ কথা ভাবিবলৈ আহৰি নাপালে নে? চৰাইবোৰেও দেখোন সংগ বিচাৰে। তেওঁ নিবিচাৰিলে নে সঁচাকৈয়ে!

আদহীয়া পেহীজনীৰ এটা নাম আছিল। যোগমায়া বৰুৱা। তাঁত বোৱা, ধান দোৱাৰ পৰা ঘৰৰ সকলো কাম কৰিব পৰা যোগ পেহীৰ আপোন বুলিবলৈ এজন ৰুগীয়া ভায়েক আৰু এজনী ভতিজাক। সেই দুজনৰ কাৰণেই তেওঁ আবিয়ৈ হৈ থাকি গ'ল। কেনেকৈ যে কিছুমান মানুহে আপোন মানুহৰ কাৰণে নিজৰ সকলো ইচ্ছা-আকাংক্ষা ত্যাগ কৰিব পাৰে!

"পাপু টোপনি গ'লা যেন পাওঁ দেই।" মজিয়াৰ পৰাই বেঙা মেলি পেহীয়ে পাকিজাৰ উলমি থকা ভৰিটোত হেঁচুকি দিলে।

"নাই যোৱা পেহী। তুমিয়ে দেখোন কোৱা, দিনত জীয়ৰী ছোৱালী শুব নাপায় বুলি। নুশুও নহয় মই।" পাকিজা পলকতে বাস্তৱলৈ উলটিল।

"উম্। দিনত শুলে, জীয়ৰী ছোৱালীৰ তেজ পানী হয়। মোক মোৰ আয়ে কৈছিল।" - যোগ পেহীয়ে ফুল কৰি থকা কাপোৰখন ফ্ৰেমৰ পৰা খুলি আলফুলে

মেলি চালে। পাতল গুলপীয়া পাহীৰ ফুল এপাহৰ মাজত ৰঙা মণি একোটা আঁকি চাদৰ বনাইছে।

ৰাহ, ইমান ধুনীয়া হৈছে। কেনেকৈ যে বনাব পাৰা তুমি এইবোৰ পাকিজাই এইবাৰ বিছনাত উবুৰি খাই পৰি বিছনাৰ পৰা আধা গা মজিয়াৰ ফালে ওলোমাই ভৰিৰে বেৰত খোপনি পুতি পেহীৰ চাদৰখন লিৰিকি বিদাৰিবলৈ ধৰিলে ।

"পাপু, এনেকৈ ল'ৰা মানুহৰ নিচিনা বেৰে, খিৰিকীৰে ভৰি ওলোমাই নাথাকিবাচোন। ছোৱালী মানুহৰ নিচিনা গহীন হৈ থাকিব লাগে। কাইলৈ পৰহিলৈ এঘৰৰ বোৱাৰী হ'বাগৈ। এতিয়া এইবোৰ শোভা নাপাই আই।" - পেহীৰ মুখখন ৰঙা পৰিছিল। পাকিজাৰ পেটে পেটে হাঁহি উঠিল। আৰু অলপ জোকাওঁ বুলিয়ে তাই কৈ উঠিল—

"কোন বিয়া হ'ব এইবোৰ হকাবাধা লৈ। নিজৰ বিছনাখনত যেনেকৈ মন যায় শুম। তাত আৰু বিয়াৰ কি কাৰবাৰ।"

পেহীৰ মুখখন অলপ ফুলি গ'ল। "মোৰ আই থাকিব লাগিছিল। দিলেহেঁতেন তোমাক শিক্ষা। ছোৱালীবোৰৰ মাত কথা, খোজ কাটল, আচাৰ-ব্যৱহাৰ সকলো নম্ৰ-ভদ্ৰ হ'ব লাগে, তেহে ভাল পতি, ভাল সংসাৰ কৰিব পাৰে।" - চাদৰখন আলফুলে জাপি জাপি পেহীয়ে কৈ গ'ল ।

"মোৰ আয়ে মোক সাতবছৰ বয়সতে ভাত ৰান্ধিবলৈ শিকাইছিল। আৰু তুমি মেগী পেকেট সিজাওঁতেও মোক চিঞৰা। এনেকৈ তোমাক কেনেকৈ মা-দেউতাই নতুন ঘৰ এখনলৈ পঠাব তুমি কোৱাচোন?" পাকিজাৰ উত্তৰলৈ বাট নাচাই পেহী বহাৰ পৰা উঠি থিয় হ'ল। চিলাইৰ টোপোলাটো পাকিজাৰ টেবুলতে থ'লে।

"উঠা, এতিয়া মুখ-হাত ধোৱাগৈ। মই চাহ কৰোঁগৈ। মা-দেউতাই চাহ বিচাৰিবই অলপ পিছত।"

"পাকিজাই আনকালে আবেলি এনেদৰে পেহীয়ে চাহ বনাবলৈ উঠি গ'লে টিভিটো খুলি লয়। আজি মন নগ'ল। মানুহৰ জীৱনৰ বৈচিত্ৰ্যতা দেখি তাই ভাবুক হৈ পৰিল। পেহীৰ গাঁৱৰ ঘৰখন যেন তাইৰ চকুৰ সন্মুখত ভাঁহি উঠিল। মাক-দেউতাকৰ আকস্মিক বিয়োগত কণমানি ভায়েকৰ লালন-পালনৰ দ্বায়িত্ব লৈ পেহীয়ে পাহৰি পেলাইছিল মাকে শিকোৱা বিদ্যাবোৰ। যি দুই এপদ গহনা, বোৱা কাপোৰ নিজলৈ বুলি সাঁচিছিল সেই সকলোবোৰ ভায়েকটোৰ বিয়াত হাস্যবদনে ন-বোৱাৰীক গটাই দিছিল। গাঁৱৰ সম্পৰ্কীয় কেইজনমানে কৈছিল- "ভায়েকৰ বিয়া আগত হ'ল কি হ'ল, তোলৈ এতিয়াও দৰা ওলাব।" পেহীৰ মনতো সেইসময়ত কিজানি নতুনকৈ পুনৰ সপোন এটাই বাঁহ লৈছিল। লোকৰ ঘৰত ধান বানি, কাপোৰ বৈ, ধান বেচি কষ্টেৰে ভায়েকক ডাঙৰ-দীঘল কৰি সংসাৰ পাতি দিয়াৰ পিছত তেওঁৰো মন গৈছিল, ন-ঘৰ গচকিবলৈ। মৰাণৰ বাগানৰ মহৰী এজনৰ লগত গাঁৱৰ ৰাইজে পেহীৰ বিয়াৰ কথা চলাই থাকোঁতেই অচিন ৰোগত পৰি ভায়েকটো বিছনা ল'বলগীয়া হয় আৰু তাৰ পিছৰ বছৰেই একে ৰোগত পৰি ন-বোৱাৰীয়ে শেষ নিশ্বাস ত্যাগ কৰে। লগতে পেহীৰ কান্ধত এৰি যায় ছমহীয়া ভতিজীজনীৰ দ্বায়িত্ব।

সেইদিন ধৰি ভতিজীজনীকে বুকুত বান্ধি জীৱন পাৰ কৰিছিল। মৰাণৰ বাগানৰ মহৰীৰ লগত চলা বিয়াৰ কথা-বতৰা তল পৰিছিল। মহৰীৰ কথা কেনেবাকৈ ওলালেও মানুহবোৰে বেলেগ কথা টানি আনিছিল কথাৰ মাজলৈ। পেহীৰ বুকুৰ কোনোবা এটা চুকত পৰি ৰৈছিল কথাবোৰ। সেইবোৰ কথা দিঠকলৈ আনিবলৈ তেওঁ সাহস হেৰুৱাইছিল। ভতিজী লাহে লাহে ডাঙৰ হৈ অহাত তাইৰ পঢ়া-শুনাৰ খৰচ উলিওৱাৰ তাগিদাতে পাকিজাৰ দেউতাকৰ অফিচৰ কেৰাণী এজনে এদিন পেহীক সিহঁতৰ ঘৰলৈ

আনিছিল। তেতিয়া পাকিজা নতুনকৈ স্কুললৈ গৈছে। তাইৰ বাবে স্কুললৈ নিবলৈ অনা স্কুলবেগৰ লগত পেহীৰ ভতিজী স্বপ্নালৈও দেউতাকে এটা স্কুলবেগ আনি দিছিল। প্ৰতি দেওবাৰে পেহী গাঁৱৰ ঘৰলৈ যায়। স্বপ্নাৰ বাবে খোৱা বস্তু আদি লৈ। ইতিমধ্যে ভায়েকেও দ্বিতীয় বিবাহ পাতে। গাঁৱৰ আপোনবোৰে তেওঁক কয়, এতিয়া স্বপ্নাক মাহীমাকে চাব, তুমি নিজৰ সংসাৰ পাতা। কিন্তু কথাবোৰ জানো ইমান সহজ। পেহীয়ে আশংকা কৰামতেই মাহীমাকৰ আতিশয্যত স্বপ্নাৰ কোমল শৰীৰত মাহীমাকৰ অত্যাচাৰৰ প্ৰমাণবোৰ দেখিবলৈ পালে। ভায়েকৰ যেন সেইবোৰলৈ আক্ষেপেই নাই। পেহীয়ে পাকিজাৰ মাক-দেউতাকক স্বপ্নাক নিজৰ লগত ৰখাৰ অনুমতি বিচাৰিলে। অনুমতি প্ৰদান নকৰাৰ কথাই নাছিল। পাকঘৰত কাম কৰোঁতে, কাপোৰ বোৱা-কটা কৰোঁতে পেহী পাকিজাৰ মাকৰ আগত প্ৰায়ে নিজৰ মনৰ কথাবোৰ কয়। ভায়েকে যে তেওঁ মাহৰ শেষত পইচাকেইটা নিয়ালৈহে বাট চাই, ন-ভাই-বোৱাৰীয়ে যে হাতত ভালকৈ চাউল-দাইলৰ টোপোলা এটা লৈ যোৱা নেদেখিলে গোৱাল-গালি পাৰি থাকে। এইবোৰ তেওঁ ইতিমধ্যেই পাকিজাৰ মাকৰ আগত কৈছে। অৱশ্যে এইবোৰ পাকিজাৰ দেউতাকক নক'বলৈ দঢ়াই-দঢ়াই কয় মাকক। তেওঁৰ মতে এইয়া তেওঁৰ মনৰ ভ্ৰমো হ'ব পাৰে। প্ৰকৃততে ভায়েকে নতুন মানুহ এজনীক চপাই লোৱাত তেওঁ স্বপ্নাৰ বাবে অসুৰক্ষিত অনুভৱ কৰিছিল। গোসাঁই দৌলত চাকি জ্বলাই প্ৰাৰ্থনা কৰিছিল, নতুন বোৱাৰীজনীয়ে যেন মাহীমাকৰ বেয়া ৰূপটো স্বপ্নাক নেদেখুৱায়। কিন্তু দুখীয়াৰ দুখ হয়তো কেতিয়াও যেন নুগুচেই।

পাকিজাৰ মাকে দেউতাকৰ পৰা কথা লুকুৱাব নোৱাৰে। ৰাতি বিছনাত পৰোঁতে কথাবোৰ তেওঁক কওঁতে মানুহজনে দীঘল হুমুনিয়াহ এটা কাঢ়ি কৈ উঠিল- "এনেকুৱা ঘটনাবোৰত ত্যাগ কৰাজনেই বৰ কষ্ট পাই অ' পিছলৈ। যোগমায়াই পিছত স্বপ্নাৰ পৰাও কষ্ট নাপালেই হয়।" পাকিজাৰ মাকে টোপনি নহালৈকে এই কথাবোৰেই ভাবিলে। নাই, স্বপ্নাই পেহীৰ কষ্ট-ত্যাগক অৱমাননা নকৰে। পেহীয়েও কিবা পোৱাৰ আশাত এইবোৰ কৰা নাই। তেওঁ মাত্ৰ বিচাৰে স্বপ্না 'মানুহ' হওক।

দুদিনৰ পিছতে স্বপ্নাক পাকিজাহঁতৰ ঘৰলৈ অনা হয়। পেহীৰ আচুতীয়া কোঠাত তাইৰ বাবে পঢ়া টেবুল, কাপোৰ-কানি আদি যোগোৱা হয়। পাকিজাৰ একেখন স্কুলতে তাইক নামভৰ্তি কৰোৱা হয়। পেহীয়ে নিজ দৰমহাৰে তাইৰ বাবেও টিউচনৰ ব্যৱস্থা কৰে। কিন্তু পাকিজাই স্বপ্নাক ভালপোৱা নাছিল। তাই অহাৰ পৰা পেহীৰ আজৰি সময়বোৰ স্বপ্নাৰ লগত পাৰ হৈছিল। তদুপৰি, কিবা এটা প্ৰয়োজন হ'লে স্বপ্নাই পেহীক বৰ অতীষ্ঠ লগাকৈ আমনি কৰিছিল। পেহীৰ মুখত কষ্টৰ চিন সুস্পষ্ট হৈ পৰিছিল। তথাপি তেওঁ স্বপ্নাৰ বাবে জান প্ৰাণ দি কামত লাগিছিল।

অৱশ্যে তেওঁ কৰা কষ্টৰ ফল দিবলৈও স্বপ্না অসমৰ্থ হ'ল। মেট্ৰিকত কোনোমতে উত্তীৰ্ণ হোৱা স্বপ্নাক পেহীয়ে নাৰ্চিং পঢ়িবলৈ নাম লগাই দিলে। তাই মেচত থাকি একেখন চহৰতে থাকিবলৈ ল'লে। পুনৰ আৰম্ভ হ'ল প্ৰতি দেওবাৰে পেহীয়ে টকা, খানাৰ টোপোলা লৈ স্বপ্নাৰ ওচৰলৈ যোৱাৰ প্ৰথা। সেইসময়ত পাকিজা গুৱাহাটীত অধ্যয়নৰত। এতিয়া অন্ততঃ ঘৰলৈ আহিলে তাই দুপৰীয়াবোৰ সৰুতে পেহীৰ সাধু শুনি পাৰ কৰাৰ দৰে পাৰ কৰিব পাৰে। আৰু, তেনে এক দুপৰীয়াতে পাকিজাই পেহীক সুধি পেলাইছিল, তেওঁ বিয়া নোহোৱাৰ কাৰণ। সকলোৰেই জানে যে, তেওঁ ভায়েকৰ অকৰ্মণ্যতাৰ বাবে আৰু স্বপ্নাক মানুহ কৰাৰ আশাতেই নিজৰ সংসাৰৰ কথা নাভাবিল। কিন্তু কোনোদিন, সিহঁত দুয়োকে জগৰীয়া নকৰে।

হাঁহি মুখে সকলো দায়িত্ব পালন কৰিয়ে এদিন

তেওঁ ৰোগত পৰিল। সেই সময়ত পাকিজা বিশ্ববিদ্যালয়ত অধ্যয়নৰত আৰু স্বপ্না এখন ক্লিনিকৰ পৰিচাৰিকা। পাকিজাৰ মাক-দেউতাকৰ অশেষ প্ৰচেষ্টাৰ ফলতো পেহী সুস্থ হৈ নুঠাত নিজে ইচ্ছা প্ৰকাশ কৰিলে ঘৰলৈ উলটি যোৱাৰ। এদিন আথে-বেথে তেওঁক গাঁৱৰ ঘৰত থৈ অহা হ'ল।

এবাৰ অধ্যয়ন বিৰতিৰ সময়ত ঘৰলৈ আহি পাকিজাই পেহীক চাবলৈ যোৱাৰ ইচ্ছা কৰিলে। গৈ পাই দেখিলে, গাঁৱৰ ঘৰৰ চোতালতে মুঢ়াত বহি আছিল পেহীৰ ৰুগীয়া ভায়েক। সন্মুখত ল'ৰা-ঢপৰা কৰি আছে স্বপ্নাৰ নতুন ভায়েকে। স্বপ্নাই মাহীমাকৰ লগলাগি তাঁত লগাই আছিল। নিজান দুপৰীয়াটোত পাকিজাই চাৰিওফালে চকু ফুৰাই চালে। নাই, পেহী নাই আগৰ দৰে কাম-বনত লাগি। তাইক দেখি স্বপ্নাই বহা কোঠালীলৈ লৈ গ'ল। আন্ধাৰ, জেঁকা ঘৰটোত সোমায়েই ভেকেটা-ভেকেট গোন্ধ নাকত লাগিলহি। কোনোমতে উশাহটো লৈ তাই "পেহী ক'ত" সুধিলে। স্বপ্নাই কাষৰ কোঠাৰ দুৱাৰ মুখলৈ নি ক'লে- "একেবাৰে উঠিব নোৱাৰে। বিছনাতে প্ৰস্ৰাৱ-পায়খানা কৰে। মাজে মাজে চাফা কৰি দিওঁ। সময় নহয় কামৰ পৰা এইবোৰ কৰিবলৈ। সেয়ে কমকৈ খাবলৈ দিওঁ, তেতিয়া বেছি লেতেৰা নকৰে। সোনকালে মুক্তি পালেই সকলোৰে ভাল।"

হাতত নিয়া আপেল, কমলা, হৰলিক্স ইত্যাদিবোৰ যে স্বপ্নাৰ নতুন ভায়েকৰ বাবেহে অনা হ'ল সেই কথা বুজিবলৈ পাকিজাৰ বেছি পৰ নালাগিল। কংকালসাৰ পেহীয়েকৰ মুখখনে তাইক দেখি কি অনুভৱ ব্যক্ত কৰিলে সেয়া বুজা অসম্ভৱ। পেহীৰ ভৰিতে চুই ওলগ লৈ পাকিজা উভতি আহিল ।

ঘৰলৈ আহি আবেলি চাহৰ টেবুলত পেহীৰ কথা ওলাল। মাক-দেউতাকে দুখ প্ৰকাশ কৰিলে। কাৰণ তেওঁলোকে চিকিৎসাৰ দায়িত্ব ল'ব খোজা সত্বেও ঘৰৰ মানুহে আগ্ৰহ নেদেখুৱালে। চাহৰ কাপত চুমুক দি পাকিজায়ো কৈ উঠিল- "তেওঁ যোৱাগৈয়ে ভাল সোনকালে। আনৰ ভালৰ কাৰণে নহয়, নিজৰ ভালৰ কাৰণে। যিগৰাকীয়ে ভাই-ভাতিজীৰ বাবে জীৱন উৎসৰ্গা কৰিলে, সেইগৰাকীৰ জীৱনৰ অন্তিম সময়খিনি যদি ইমান ভয়াৱহ হয়, তেওঁৰ পৰিচৰ্যাৰ বাবে যদি আপোনবোৰৰ সময়ৰ নাটনি হয়; তেন্তে তেওঁ যোৱাগৈয়ে শ্ৰেয়।"

ৰাতি ভাত খোৱাৰ আগতে ফোন আহিল, স্বপ্নাৰ পৰা— পেহী আৰু নাই। মাকে ৰন্ধা ভাত পিছপিনৰ পিতনিত পেলাই দিলেগৈ। মাকে ভাতৰ চৰু পুৰি ধুই থকাৰ কাষত ৰৈ থকাৰ পৰাই পাকিজাই ভিতৰত থকা দেউতাকক চিঞৰি ক'লে— "শ্ৰাদ্ধ পতিবলৈ পইচা বিচাৰি কোনোবা আহিলে এটকাও নিদিবা। নালাগে সিহঁতি এতিয়া পেহীৰ আত্মাক মুক্তি দিবলৈ। বহুত দেৰি হ'ল সিহঁতক কৈ দিবা।"

> ইয়ো বোলে সীতা সিয়ো বোলে সীতা
> সীতাৰ কাৰণে গোটেই জগতখন তিতা।
>
> — **প্ৰবাদ**

# গোস্বামী তুলসীদাসৰ 'ৰামচৰিতমানস'ত নাৰী চিত্ৰণ

**ড° উন্মেষা কোঁৱৰ**
সহকাৰী অধ্যাপক
হিন্দী বিভাগ, বি. বৰুৱা কলেজ

ষোড়শ শতিকাৰ ভক্তিকালীন হিন্দী সাহিত্য সমৃদ্ধিশালী কৰা অন্যতম কবি হৈছে গোস্বামী তুলসীদাস। তেখেতৰ অমৰ সৃষ্টি 'ৰামচৰিতমানস'ৰ জৰিয়তে উত্তৰ ভাৰতীয় সমাজ জীৱনত তেওঁ পূজ্য আসন লাভ কৰি আহিছে। ৰাম ভক্তিমূলক কাব্য ৰচনাৰ বাবে লোকমানসত কবি তুলসীদাস বাল্মীকিৰ দ্বিতীয় অৱতাৰ ৰূপেও পৰিচিত। অসমীয়া জনজীৱনত 'কীৰ্ত্তন ঘোষা' পুথিখনে আজিকোপতি যি উচ্চ আদৰ-সন্মান লাভ কৰি আহিছে, একেই আদৰ আৰু ভক্তিভাৱ 'ৰামচৰিতমানস'ৰ প্ৰতিও উত্তৰ ভাৰতীয় সমাজত দেখা পোৱা যায়। খ্ৰীষ্টীয় ১৬৩১ ৰ পৰা ১৬৩৩ ৰ ভিতৰত এই পুথিখন ৰচনা কৰা হয়। পুথিখন অৱধী ভাষাত লিখা। আলোচকসকলৰ মতে 'ৰামচৰিতমানস'ত বৰ্ণিত কাহিনীভাগত অধ্যাত্ম ৰামায়ণৰ প্ৰভাৱ দেখা যায়।

'ৰামচৰিতমানস' পুথিখন গোস্বামী তুলসীদাসে সাত কাণ্ডত ৰচনা কৰিছে— বালকাণ্ড, অযোধ্যাকাণ্ড, অৰণ্যকাণ্ড, কিষ্কিন্ধাকাণ্ড, সুন্দৰকাণ্ড, লংকাকাণ্ড আৰু উত্তৰকাণ্ড। সাতোটা কাণ্ডত ৰজা দশৰথৰ পুত্ৰ ৰামক মৰ্যাদাপুৰুযোত্তমৰূপে কল্পনা কৰি ৰামৰ নিৰ্মল চৰিত্ৰ আৰু আদৰ্শপৰায়ণতাৰ কথা বৰ্ণনা কৰিছে। ৰামৰ জীৱনকাহিনী বৰ্ণনা কৰি কবিজনাই ৰামায়ণত উল্লিখিত সকলো চৰিত্ৰকে সাঙুৰি লৈছে। গতিকে স্বতঃস্ফূৰ্তভাৱে পুথিখনত সীতাকে আদি কৰি কৈকেয়ী, কৌশল্যা, মন্থৰা প্ৰভৃতি অন্য নাৰী চৰিত্ৰসমূহৰো আগমন ঘটিছে। নাৰী সম্বন্ধীয় বিচাৰ ব্যক্ত কৰিবলৈ যাওঁতে অনেক সময়ত গ্ৰন্থখনত বিতৰ্কমূলক উক্তিৰ পয়োভৰ ঘটা পৰিলক্ষিত হয়। অনেক সময়ত 'ৰামচৰিতমানস'ৰ পদবোৰত নাৰী বিৰোধী মনোভাৱ ব্যক্ত হোৱা যেন লাগিলেও বিপৰীত দিশত কবিজনাই নাৰী জীৱনৰ মৰ্মবেদনাকো প্ৰকাশ কৰা দেখা যায়।

ষোড়শ শতিকাৰ পুৰুষতান্ত্ৰিক ভাৰতীয় সমাজত নাৰীৰ স্থান বহুত উন্নত নাছিল। আলোচকসকলে তুলসীদাস বিৰচিত পদসমূহত যি নাৰী বিৰোধৰ কথা ক'ব খোজে তাৰ অন্তৰালত তেওঁৰ জীৱন সম্বন্ধে প্ৰচলিত এক কিম্বদন্তিৰ প্ৰভাৱো নথকা নহয়। প্ৰচলিত আছে যে তুলসীদাস তেওঁৰ পত্নী ৰত্নাৱলীৰ প্ৰতি সাংঘাতিক প্ৰণয়াসক্ত আছিল। পত্নীক নেদেখাকৈ তেওঁ অলপ সময়ো থাকিব নোৱাৰিছিল। এবাৰ ৰত্নাৱলী কিছুদিন থকাকৈ মাতৃগৃহলৈ গ'ল। পত্নী বিৰহ সহিব নোৱাৰি তুলসীদাসো ভৰ বাৰিষাৰ ভৰা নৈ সাঁতুৰি পাৰ হৈ

ৰাতিয়েই শহুৰেকৰ ঘৰত উপস্থিত হ'লগৈ। ঘৰৰ পিছদুৱাৰেদি সোমাই তুলসীদাসে পত্নীৰ কোঠাত প্ৰৱেশ কৰে। স্বামীৰ এনে কাৰ্য্যত ৰত্নাৱলী বিতুষ্ট হয় আৰু তিৰস্কাৰ কৰে যে আপোনাৰ মোৰ প্ৰতি যি প্ৰেম আৰু আকৰ্ষণ, তাৰ তিলমানো যদি ভগৱান ৰামৰ প্ৰতি থাকিলেহেঁতেন জীৱনটো উদ্ধাৰ হ'লহেঁতেন। পত্নীৰ এনে মন্তব্যই তুলসী দাসৰ মনত গভীৰভাৱে ৰেখাপাত কৰে আৰু সংসাৰৰ মায়া-মোহ ত্যাগ কৰি তেওঁ ৰামভক্তিত বিলীন হৈ পৰে। সেয়ে কোনো-কোনো সমালোচকে পত্নীৰ প্ৰতি ৰুষ্ট মনত নাৰী বিদ্ৰোহী মনোভাৱৰ বীজ অংকুৰিত হোৱা বুলিও ক'ব খোজে।

তুলসীদাসৰ নাৰী বিৰোধী মতৰ পৰিচয় পোৱা যায় ৰামচৰিতমানসৰ সুন্দৰকাণ্ডত। ইয়াৰ এটা পদত কবিজনাই লিখিছে এনেদৰে— "ঢোল গঁৱাৰ শূদ্ৰ পশু নাৰী, সকল তাড়না কে অধিকাৰী।" অৰ্থাৎ ঢোলত চাপৰ দিলেহে বা কোবালেহে সুন্দৰ ধ্বনি সৃষ্টি হোৱাৰ দৰে গঁৱাৰ অৰ্থাৎ অশিক্ষিত, শূদ্ৰ অৰ্থাৎ দাস তথা পশু আৰু নাৰীকো শাস্তি দিলেহে উদ্দেশ্য সিদ্ধি হয়। এই সকলো 'তাড়না' অৰ্থাৎ শাস্তিৰ অধিকাৰী। তুলসীদাসৰ এই উক্তিয়ে যুগে-যুগে সমালোচকসকলৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। শব্দগত অৰ্থৰ ফালৰ পৰা এই মন্তব্য নাৰী বিৰোধী যেনেই অনুভৱ হয়। কিন্তু দকৈ চালে দেখা যায় যে এই পদটিৰ ব্যৱহাৰৰ প্ৰসংগ এনেধৰণৰ ঃ হনুমানে বন্দিনী সীতাৰ বতৰা লৈ লংকাৰ পৰা উভতি আহিছে আৰু ৰামৰ আগত সীতাৰ দুখ বৰ্ণনা কৰিছে। সীতাক উদ্ধাৰৰ বাবে অধীৰ হৈ ৰামে লংকালৈ যোৱাৰ বাট বিচাৰি সমুদ্ৰক অনুৰোধ কৰিছে। তিনিদিন ধৰি সমুদ্ৰ তীৰত অপেক্ষা কৰিও সমুদ্ৰৰ পৰা কোনো সঁহাৰি নাপাই ক্ৰোধিত হৈ ৰামে তুনীৰৰ পৰা বাণ উলিয়াই সাগৰৰ সমস্ত পানী শুকুৱাই পেলাবলৈ উদ্যত হৈছে। অৱশেষত ৰামৰ ক্ৰোধ দেখি ভয়ত ত্ৰস্ত হৈ সমুদ্ৰই ৰামৰ সমুখত আঁঠু লৈ নিজকে মূঢ়মতি, জড় তথা দণ্ডনীয় বুলি কোৱাৰ লগতে উক্ত বাক্যশাৰীও কৈছে। এনেস্থলত লক্ষণীয় কথাটো হ'ল যে কবিয়ে বিতৰ্কিত পদটিৰ ব্যৱহাৰ এক অজ্ঞানী, অহংকাৰী চৰিত্ৰৰ দ্বাৰা কৰিছে য'ত শুধৰণিৰ অৱকাশ আছে। যি শুধৰণি ৰামৰ দৰে আদৰ্শ চৰিত্ৰৰ দ্বাৰাহে সম্ভৱ।

ঠিক একেদৰে লংকাকাণ্ডত কবিজনাই লিখিছে— "নাৰী সুভাৱ সত্য সব কহহিঁ। অৱগুণ আঠ সদা উৰ ৰহহিঁ। সাহস অনৃত চপলতা মায়া ভয় অবিবেক অশৌচ অদায়া।" অৰ্থাৎ নাৰীৰ স্বভাৱৰ বিষয়ে সকলোৱে সত্যই কয় যে নাৰীৰ মাজত (হৃদয়ত) সৰ্বদা আঠটা অৱগুণ বিৰাজমান। সেয়া হৈছে সাহস, যাৰদ্বাৰা নাৰীয়ে যিকোনো অনিষ্ট সাধিবলৈ ভয় নকৰে, অনৃত অৰ্থাৎ মিছা কোৱাৰ প্ৰৱণতা, চপলতা অথবা চঞ্চলতা, মায়া, ভয়, অজ্ঞানতা আৰু অশৌচ অৰ্থাৎ অপৰিষ্কাৰ স্বভাৱ। এই পদটিৰ বক্তা হৈছে ৰাৱণ। ৰামে সসৈন্যে লংকাত প্ৰৱেশ কৰাৰ পাছত ৰাৱণৰ পত্নী মন্দোদেৰীয়ে ৰাৱণক ৰামৰ সৈতে যুদ্ধ নকৰিবলৈ উপদেশ তথা অনুৰোধ কৰে। কিন্তু বিনাশ কালে বিপৰীত বুদ্ধি হোৱাৰ বাবে উক্ত পদৰ জৰিয়তে ৰাৱণে পত্নীক তিৰস্কাৰ কৰে। গতিকে তুলসীদাসে উক্ত পদফাঁকিৰ ব্যৱহাৰ কৰি সচেতন পাঠকক পতিয়ন নিওৱাৰ চেষ্টা কৰাৰ কথা নুই কৰিব নোৱাৰি যে এনেধৰণৰ মানসিকতাই বিনাশ আনিব পাৰে। ৰাৱণৰ ইতিকিং সূচক মন্তব্যই ইয়াকে প্ৰমাণিত কৰে।

নাৰী মনৰ বিশাল ৰহস্যৰ কথা বৰ্ণনা কৰি অযোধ্যাকাণ্ডত তুলসীদাসে লিখিছে - 'বিধিহো ন নাৰী হৃদয় গতি জানি। সকল কপট অঘ অৱগুণ খানি।' অৰ্থাৎ যি নাৰী হৃদয়ৰ ৰহস্য বিধাতাইও নাজানে, সেই হৃদয় সকলো অৱগুণৰ খনি। অৰণ্যকাণ্ডত লিখিছে—"সহজ অপৱানি নাৰী পতি সেৱত শুভ গতি লহই।" অৰ্থাৎ অপৱিত্ৰা হ'লেও নাৰীয়ে স্বামীভক্তি বা পতি সেৱাৰ মাধ্যমেৰে সহজেই শুভগতি লাভ কৰে। এইক্ষেত্ৰত প্ৰথম পদটি কৈকেয়ীৰ বৰভিক্ষা সন্দৰ্ভত কৰা হৈছে য'ত এগৰাকী নাৰীৰ সৎ স্বভাৱৰ তাৎক্ষণিক পৰিৱৰ্তনে সমগ্ৰ ৰাজ্যখনলৈ বিপদ কঢ়িয়াই আনিছে। দ্বিতীয় পদত সীতাৰ উদাহৰণ দি কবিয়ে সমগ্ৰ নাৰী জাতিক উপদেশ দিয়াৰ চেষ্টা কৰা পৰিলক্ষিত হৈছে। ষোড়শ শতিকাৰ পুৰুষতান্ত্ৰিক মানসিকতাৰ প্ৰতিফলন এই দুয়োটি পদত নিশ্চয়কৈ দেখা পোৱা যায়।

নাৰীৰ বিষয়ে অনেক বিতৰ্কমূলক মন্তব্য কৰিলেও কবি তুলসীদাসে 'ৰামচৰিতমানস'ৰ বিভিন্ন কাণ্ডত নাৰীৰ মৰ্মবেদনাকো প্ৰকাশ কৰিছে। পুথিখনৰ আৰম্ভণিতে বালকাণ্ডত শিৱ-পাৰ্বতীৰ বিবাহ প্ৰসংগত মাতৃ মৈনাই সুখী জীৱন যাপনৰ বাবে পাৰ্বতীক নানা উপদেশ দিছে। লগতে কৈছে—"ক'ত বিধি সৃজি নাৰী জগ মাহী। পৰাধীন স্বপ্নেহোঁ সুখ নাহি।" অৰ্থাৎ বিধাতাই নাৰীৰ সৃষ্টি কৰিলেই বা কিয়? কাৰণ পৰাধীন জীৱন সপোনটো সুখৰ হ'ব নোৱাৰে। বৈবাহিক সম্বন্ধত নাৰী হৃদয়ৰ কৌটিকলীয়া ব্যথাত কবি হৃদয়ো উথলি উঠিছে। অথচ মৈনাৰ দৰেই এনে কথা কোৱাৰ এয়া উচিত সময় নহয় বুলি নিজকে সম্বৰণো কৰিছে।

'ৰামচৰিতমানস'ৰ উত্তৰকাণ্ডত কবিজনাই লিখিছে, "কলিকাল বিহাল কিএ মনুজা। নাহি মানত অনুজা তনুজা।" অৰ্থাৎ কলিকালে মনুষ্যক এনেদৰে বিবশ কৰি পেলাইছে যে মানুহৰ মনত ভগ্নী-পুত্ৰীৰ বিচাৰ নোহোৱা হৈ পৰিছে। এয়া কবিৰ নিজা অনুভৱ। কিষ্কিন্ধাকাণ্ডত ৰামে কৈছে- "অনুজ বধু ভগিনী সুত নাৰী। সুন সঠ কন্যা সম এ চাৰি। ইনহহি কুদৃষ্টি বিলোকই যোই। ভাহি বধে কিছু পাপ নাহি হোই।" অৰ্থাৎ সৰু তাইৰ পত্নী, ভগ্নী, পুত্ৰবধু আৰু দুহিতা এই চাৰিও সমান। এওঁলোকক যিয়ে কুদৃষ্টিৰে চাই তেওঁলোকক বধ কৰাটো পাপ নহয়। নাৰীৰ সন্মান প্ৰতিষ্ঠা কৰি অযোধ্যাকাণ্ডত কবিজনাই লিখিছে— "জননী সম জানহি পৰ নাৰী। তিনহে কে ঘন শুভ সদন তুমহাৰে।" ইয়াৰ অৰ্থ, যি পুৰুষে নিজৰ পত্নীৰ বাহিৰে অন্য নাৰীক মাতৃজ্ঞান কৰে তেওঁৰ হৃদয়তহে ভগৱানৰ বসতি সম্ভৱ। ভাৰতীয় দৰ্শনত মোক্ষ লাভ অথবা ভগৱানৰ সান্নিধ্য লাভ জীৱনৰ চৰম প্ৰাপ্তি হিচাপে গণ্য কৰা হয়। গতিকে কবিয়ে নাৰীৰ সন্মানৰ জৰিয়তেও ভগৱানক লাভ কৰাৰ পথ দেখুৱাই সমাজক সৎপথৰ সন্ধান দিছে।

এনেদৰেই ৰামচৰিতমানসৰ অনেক পদত নাৰীৰ জীৱন, অন্তৰ্মন, ব্যৱহাৰ আদিৰ বিষয়ে নানান বৰ্ণনা পোৱা যায়। পুথিখনৰ আদৰ্শ চৰিত্ৰসমূহৰ সংবাদত নাৰীৰ প্ৰতি অতি উচ্চ ধাৰণা তথা নিকৃষ্ট অথবা অহংকাৰী চৰিত্ৰসমূহৰ সংবাদত নাৰীৰ দোষৰ বৰ্ণনা পোৱা যায়। ক'ব পাৰি যে প্ৰথিতযশা কবি গোস্বামী তুলসীদাসে ৰামচৰিতমানসৰ জৰিয়তে আদৰ্শ চৰিত্ৰসমূহৰ অনুকৰণ কৰি সমাজত নাৰী সন্মানৰ কথা চিন্তা কৰাৰ এক উচ্চ আদৰ্শ প্ৰতিষ্ঠা কৰিছিল।

# শিশুৰ বৌদ্ধিক বিকাশত নিচুকণি গীতৰ ভূমিকা

**ড° উৎপলা দাস**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, বি. বৰুৱা কলেজ

শিশুৰ মনোজগতখন এখিলা উকা কাগজৰ দৰে। শিশুবোৰ বাঢ়ি অহাৰ লগে লগে চৌপাশৰ পৰিবেশৰ পৰা শিক্ষা আহৰণ কৰিবলৈ ধৰে। অভিজ্ঞতাৰ আঘাত আৰু জীৱনৰ বোজা নথকা, যুক্তি আৰু ব্যাকৰণৰ পৰা দূৰত থকা শিশুৰ জগতখনক উইলিয়াম জেম্‌ছৰ ভাষাত 'One great blooming, buzzing confusion' বোলা হৈছে। শিশুৰ মনোজগত কল্পনাৰে পৰিপূৰ্ণ, য'ত বেছিভাগ কথাই অসংলগ্ন বুলিব পাৰি। শিশুৰ সেই অসংলগ্ন জগতত থাকে কেৱলমাত্ৰ অপৰিসীম বিস্ময় আৰু কৌতূহল। ই সৰ্বকালৰ, সৰ্বদেশৰ শিশুৰ ক্ষেত্ৰত একেই। অৰ্থাৎ ই বিশ্বজনীন, চিৰসত্য।

সকলো শিশুৰ লগত এক অজান ভয়ে সহবাস কৰা দেখিবলৈ পোৱা যায়। সেই ভয়ৰ বহিৰ্প্ৰকাশ হিচাপে কিছুমান বিশেষ লক্ষণ প্ৰকাশ পায়। যেনে- সদায় দেখি থকা মানুহৰ লগত নকন্দাকৈ উমলি থকা আৰু আগতে নেদেখা কোনো লোকক দেখিলে কান্দি দিয়া, কোলাত লৈ থকা অৱস্থাত সজোৰেৰে খামুচি ধৰি থকা আদিয়েই প্ৰধান। সাধাৰণতে কথা ক'ব নোৱাৰালৈকে শিশুৱে সকলো কথা কান্দোনেৰে প্ৰকাশ কৰিবলগীয়া হয়। শিশুৰ তেনে ব্যৱহাৰ একমাত্ৰ মাতৃ, ধাইমাক বা আইতাক আদি লোকেহে সহজে বুজিব পাৰে। অথবা যি লোকে শিশুটিক সকলো সময়তে প্ৰতিপালন কৰে তেওঁলোকে বুজি পায়। কিয়নো তেনে ব্যৱহাৰক বুজি পাবলৈ সূক্ষ্ম পৰ্য্যবেক্ষণৰ প্ৰয়োজন।

বৰ্তমান সময়ত সমাজৰ প্ৰেক্ষাপট কিছু পৰিমাণে সলনি হোৱা দেখা যায়। আগৰ সময়ত শিশুবোৰৰ মাতৃ ঘৰৰ বাহিৰত কৰ্মৰত তিৰোতা নাছিল, অৰ্থাৎ ঘৰৰ চাৰিবেৰৰ ভিতৰত থাকি ঘৰৰ দৈনন্দিন কৰ্মত নিজকে ব্যস্ত কৰি ৰাখিছিল আৰু শিশুৰ সমস্ত দায়িত্ব নিজেই পালন কৰিছিল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে নাৰীসকলে ঘৰৰ বাহিৰলৈ গৈ কাম-কাজ কৰিবলৈ লয়; ফলস্বৰূপে শিশুৰ দায়িত্ব আন ব্যক্তিৰ হাতত অৰ্পণ কৰিবলগীয়া হয়। শিশু মন সদায় একেই; যাৰ লগতেই উমলি-জামলি নাথাকক কিয় সাংগীতিক লয়ৰ প্ৰতি আকৰ্ষণ সদায়েই থাকে। শিশু কোলাত লওঁতেই ইয়াৰ প্ৰথম উদাহৰণ আমি উপলব্ধি কৰিব পাৰোঁ, কিয়নো সামান্য লৰচৰ কৰি দোলন দি ল'লে শিশুৱে আৰাম অনুভৱ কৰে। সেই দোলনি বা জোলনি সকলো শিশুৰে প্ৰিয় বুলিব পাৰি ।

বৰ্তমান সময়ত শিশুৰ উমলাবলৈ বিভিন্ন সামগ্ৰী বজাৰত উপলব্ধ যদিও একশ্ৰেণীৰ শিশু উমলোৱা গীত পৰম্পৰাগতভাৱে আজিও আমাৰ সমাজত প্ৰচলিত হৈ আছে। সেই গীতৰাজিক তিনিটা ভাগত ভাগ কৰিব পাৰি- ক) টোপনি নিওৱা গীত (Lullabies) খ) নিচুকনি গীত (Nursery rhymes) আৰু গ) খেল-ধেমালিৰ লগত জড়িত গীত (Childrens game song)।

দৰাচলতে তিনিওটা ভাগৰ গীতৰ জৰিয়তে শিশুক নিচুকোৱা হয় বাবে গোটেইবোৰক একেলগে নিচুকনি গীত বা ধাইনাম বুলি ক'ব পাৰি । শিশুক বিভিন্ন প্ৰহৰত ওমলাবৰ কাৰণে, নিচুকাবৰ কাৰণে,

টোপনি আনিবৰ কাৰণে ধাইমাক বা তেনেস্থানীয় লোক বা আইতাকসকলে মুখে মুখে যি গীত গাই আহিছে সেই গীতবোৰেই নিচুকনি গীত হিচাপে অসমৰ সমাজ জীৱনত আজিও কম-বেছি পৰিমাণে প্ৰচলিত হৈ আছে। গীতবোৰ কেৱল শিশুক নিচুকাবৰ বাবে গোৱা হয় যদিও এইবোৰৰ সাহিত্যিক মূল্য অপৰিসীম আৰু সুৰ-তাল-লয় ৰক্ষা কৰি গোৱা হয় বাবে এই গীতৰ সাংগীতিক মূল্যও আছে ।

নিচুকনি গীতবোৰৰ ৰচক আৰু ৰচনাৰ কাল সম্পৰ্কে কোনো তথ্য পোৱা নাযায়। এই গীতৰাজিও অখ্যাত কবিৰ বিখ্যাত ৰচনা। অসমৰ লোকসাহিত্যৰ আপুৰুগীয়া সম্পদ এই নিচুকনি গীতবোৰ একো একোটা সুন্দৰ লোককবিতাও। এইবোৰত অসমীয়া গ্ৰাম্য জীৱনৰ ছবি প্ৰকাশিত হৈ আহিছে। নিচুকনি গীতবোৰৰ যোগেদি গ্ৰাম্য সৰল বিশ্বাস, সৰল মনৰ ৰসাল সৃষ্টিধৰ্মীতা আদিৰ নিদৰ্শন পাব পাৰি। ফলস্বৰূপে শিশুৰেও কেঁচুৱা অৱস্থাৰ পৰাই সেই সৰলতাৰ লগত একাত্ম হৈ পৰে । এই একাত্মতাই কেঁচুৱা অৱস্থাৰ পৰা শিশুৰ মনোজগতত ক্ৰিয়া কৰি যোগাত্মক ফল দিয়ে। শিশুক টোপনি নিয়াবৰ বাবে মূলতঃ এই গীতবোৰ গোৱা হয়। মাক বা আইতাকে বুকুৰ মাজত আলফুলে লৈ কেঁচুৱাক টোপনি নিয়াবৰ বাবে গায়—

'আমাৰে আইটি শুব এ
বাপেক গৈছে হাট বেহাবলৈ
জাতি কল আহি ৰুব এ
কলে থোক মেলিব, আপুনি পকিব
আইটি উঠিয়ে খাব।'

গীতটিত কৰ্মপটু পিতা এজনৰ ছবি দেখিবলৈ পোৱা যায়, যিজনে বেপাৰ-বাণিজ্য কৰি নিজৰ পৰিয়ালৰ দায়িত্ব নিয়াৰিকৈ পালন কৰে। সমান্তৰালকৈ নিজৰ সন্তানৰ প্ৰতি থকা স্নেহৰ বাবে তেওঁ হাটৰ পৰা আহিও কলৰ গছ ৰুব, যাতে নিজ সন্তানে টোপনিৰ পৰা উঠি কল খাবলৈ পায়। এনে কাৰ্যৰ যোগেদি শিশু মনত কেইবাধৰণে ক্ৰিয়া কৰে। শিশুৰে পিতৃ স্নেহৰ উমান কেঁচুৱা অৱস্থাৰ পৰাই উপলব্ধি কৰিবলৈ শিকে। ইয়াৰোপৰি খাদ্য-অখাদ্য আদিৰ বিষয়েও বুজি উঠে। একেদৰে-

'আমাৰে মইনা শুব এ
দেউতাই গৰু লৈ যাব এ
আমাৰে মইনা শুব এ
বাৰীতে বগৰী ৰুব এ
বাৰীৰে বগৰী পকি সৰিব
মইনাই বুটলি খাব।'

বগৰী এবিধ ফলাহাৰ খাদ্য; তাক পকিলে খোৱা হয়। আদি ধৰণৰ কথাবোৰ এই গীতৰ যোগেদি শিশুৰে সৰুতেই জানিব পাৰে। লগতে শিশুৰে যথাসময়ত শুলেহে সেইবোৰ খাব পাৰিব; গতিকে সময়মতে শুব লাগিব। এনেবোৰ কাৰ্যৰ যোগেদি শিশু টোপনি যাবলৈ উদ্গনি জনোৱা হয়। শিশুৰ মনত এনেধৰণৰ কথাবোৰ গজগজীয়াকৈ সোমাই দিয়া হয়। একেটা সুৰতে গোৱা গীতে শিশুক এক প্ৰকাৰৰ আমেজ প্ৰদান কৰিব পাৰে আৰু সেই আমেজ পালেই শিশুৰে টোপনি যাব লাগে বুলি ভাবিব পাৰে। একেদৰে সদায় একে সময়তে কৰা এই সাংগীতিক কাৰ্যই শিশুক বুজাই তুলে যে এই ধৰণৰ গীত গালে শুব লাগে বা শুবৰ সময় হৈছে। শুবলৈ সুন্দৰ ব্যৱস্থা এৰি দিয়া ধৰণৰ গীতো শুনিবলৈ পোৱা যায়।

ক) গা হেলি-মেলি কৰিছে আইদেউৰ
হ'ল শয়নৰে বেলি
চকু তিৰে-বিৰে কৰিছে আইদেউৰ
লোৱাহি পাটীতে লেটি ।।

খ) লাই হালে জালে আবেলি বতাহে
লফা হালে জালে পাতে
আমাৰে মইনা, হালিছে জালিছে
কালি দুপৰৰে ভাতে ।

এনে গীতবোৰৰ যাদুধৰ্মীতা আচৰ্য্যকৰ। কিছুসংখ্যক শিশুক কোলাত লৈ এনেদৰে গীত গালে খন্তেকতে টোপনি যায় আন কিছুমান শিশুৰে প্ৰথম

অৱস্থাত অলপ আমনি কৰিলেও লাহে লাহে এনেবোৰ অভ্যাসত পৰিণত হৈ শেষলৈ সুন্দৰকৈ টোপনি যোৱা দেখা যায়। এনেধৰণৰ সাংকেতিক অভ্যাস অতি দৰকাৰী, কিয়নো শিশু অৱস্থাত শিকা কথাবোৰৰে পুনৰাবৃত্তি পৰৱৰ্তী সময়ত হয়। সময় অনুসৰি যি কাৰ্য যেতিয়া কৰিব লাগে সেইবোৰ তেতিয়াই কৰে-তেনেদৰে কৰাৰ যি নিয়মানুবৰ্তিতা সেইয়া শিশু অৱস্থাতে গঢ় লয়। যন্ত্ৰৰ যুগত এনে প্ৰভাৱবোৰ নগৰীয়া জীৱনৰ পৰা ক্ৰমাৎ নোহোৱা হোৱাৰ উপক্ৰম হৈছে। ফলস্বৰূপে সমাজত শিশুৰ উচ্ছৃংখলমূলক ব্যৱহাৰ কিছু পৰিমাণে বৃদ্ধি পোৱা দেখা গৈছে।

কোনো ঠাইৰ, কোনো সাহিত্যত নথকা 'কাণখোৱা' বা 'কাণখাইতী' অসমীয়া কৃষ্টিত চিৰ বিদ্যমান। সেই কাণকাতী বা কাণখাতীৰ লগত 'শিয়ালী' এজনী হাড়ে হিমজুৰে জড়িত হৈ আছে -

শিয়ালী এ নাহিবি ৰাতি
তোৰে কাণে কাটি লগামে বাতি
কাণখাতীৰ মূৰৰে মৰুৱা ফুল
কাণখাতী পালেগৈ ৰতনপুৰ

শিয়ালী, কাণখাতী আদি অচিনাকি বস্তুবোৰক ভয়ৰ উৎস হিচাপে উপস্থাপন কৰা হয়। শিশুৰ মনত থকা চিৰন্তন ভয় প্ৰবৃত্তিক কিছু সাৰ-পানী যোগাই শিশুক স্বভাৱজাত দুষ্টামিবোৰৰ পৰা আঁতৰত ৰাখিব খোজা হয়। শিশু মনৰ কল্পনাত 'মৰুৱা ফুল' আৰু 'ৰতনপুৰে' এক সুকীয়া স্থান অধিকাৰ কৰি আছে। মৰুৱা ফুলপাহ কেনেকুৱা, কাণখাতী পলাই পোৱা ৰতনপুৰখন ক'ত আছে আদিবোৰে শিশুমনক পাখি লগাই উৰাই ফুৰায়।

অসমীয়া পৰম্পৰাগত নিচুকনি গীতবোৰৰ মাধ্যমেৰে শিশুৱে প্ৰকৃতিজগতৰ লগত সুন্দৰকৈ পৰিচিত হয়। প্ৰকৃতিয়ে যে সৰ্বস্ব, সেই কথা শিশু অৱস্থাতে বুজি উঠে। গছ-লতা, ফল-ফুল, জীৱ- জন্তু আদিৰ লগত গীতৰ মাজেদিয়েই সম্পৰ্ক গঢ়ি উঠে। আকাশৰ জোন-তৰাৰ লগতো পৰিচয় লাভ কৰে।

'এক তাৰা, দুই তাৰা
সৰগত বহি কি কৰা ?
আম-জাম লেটুক-টুক
বহি আছে ভুটুক টুক।'

গীতৰ যোগেদি শিশুৱে প্ৰকৃতিৰ সম্পদৰাজিৰ লগত কথা পাতে। ফলস্বৰূপে প্ৰকৃতি জগতৰ লগত শিশুৰ একাত্মীয়তা গঢ়ি উঠে—

'অ' ফুল অ' ফুল নুফুল কিয় ?
গৰুৱে যে আগ খায়
মইনো ফুলিম কিয় ?
অ' গৰু অ' গৰু আগ খাব কিয়
গৰখীয়াই যে গৰু নৰখে
মইনো নাখাম কিয়?'

এই গীতবোৰত জীৱজগত আৰু জড়জগত একাকাৰ হৈ পৰে। অসমত প্ৰচলিত এনেধৰণৰ গীত ভাৰতবৰ্ষৰ আন আন ৰাজ্য যেনে- উৰিষ্যা, মহাৰাষ্ট্ৰ মহীশূৰ আদিতো থকাৰ প্ৰমাণ আছে। লোককবিতা পৃথিৱীৰ সকলো ঠাইতে আছে। শিশুৰ লগত জড়িত লোককবিতাও নিশ্চয় থাকিব।

যিদৰে শিশুক উমলাৰ বাবে বা টোপনি নিওৱাৰ সময়ত মাতৃ-ধাতৃ আদিয়ে গীত গাই, ঠিক একেদৰে বিভিন্ন খেল-ধেমালিৰ লগত জড়িত একাংশ গীতো অসমীয়া সমাজত পোৱা যায়। এই গীতৰ জৰিয়তে শিশুৱে ওমলাৰ চলেৰে বহুবোৰ কথাও শিকিব পাৰে। আনহাতে অসমীয়া লোকসাহিত্য অধ্যয়ন কৰিলে সাধুবোৰৰ কথা মনলৈ আহে। দৰাচলতে সাধুকথাবোৰ নীতিশিক্ষাৰ ভঁৰাল। সেই সাধুবোৰৰ অংশবিশেষ গীতৰ সুৰত শিশুৱে গায় -

শালিকী ৰটৌ টৌ
ভাত হ'ল শাক হ'ল
শালিকীৰ মাক ক'লৈ গ'ল?
এইখিনিতে আছিলে গোৱৰ খুচৰি
কোনোৱাই লৈ গ'ল ডিঙি মুচৰি ।।

শিশু মনে মানুহ আৰু জীৱ-জন্তুৰ মাজত পাৰ্থক্য কৰিব নিশিকে। সিহঁতৰ বাবে শালিকী, কুলি-

কপৌ, বাঁহ গছ, বেঙেনা গছ, বগলী-ৰ'দালী সকলো একেই বা সমান, সেয়ে এই সকলোবোৰৰ লগত শিশুৱে কথা পাতি ওমলি থাকে। আকাশেদি উৰি যোৱা বগলীক নখত বগা ফোঁট দিবৰ বাবে শিশুৱে নিজ হাত আগবঢ়াই দিয়ে। শিশুৰ মনোজগতত এইবোৰ একো একোটা সজীৱ চৰিত্ৰ বতৰ ডাৱৰীয়া হ'লে শিশুৱে 'ৰ'দালি এ ৰ'দ দে/আলি কাটি জালি দিম/বৰ পিৰা পাৰি দিম/তাতে বহি বহি ৰ'দ দে বুলি ৰ'দ দিবলৈ আহ্বান জনায়। এনেদৰে আহ্বান জনাবলৈ পাই শিশুৱে আন কথা পাহৰি কল্পনাৰ এখন সুকীয়া জগতত প্ৰৱেশ কৰে, য'ত সিঁহতে প্ৰকৃতিৰ লগত সুকীয়া সম্পৰ্ক গঢ়ি আপোন পাহৰা হৈ পৰে। কান্দোনেৰে আমনি কৰা কণমানিহঁতক মাতৃ-ধাতৃ আদিয়ে এনেদৰে নিচুকাইছিল। ফলত শিশুৱে প্ৰকৃতি জগতৰ ন ন কথাৰ লগতে জোন-বেলি-তৰা-ৰামধেনু আদিৰ বিষয়েও কিছু কথা শৈশৱতে জানিবলৈ পাৰে। ছন্দ-লয়-মান ৰক্ষা কৰি গীত আকাৰে গোৱা এই শ্ৰেণীৰ সাহিত্যই শিশুৰ মনত এক সাংগীতিক ভাবাৱেগৰ সৃষ্টিও নিশ্চয় কৰিব পাৰে। অসংলগ্ন যেন লগা কথাবোৰো ছন্দৰ গতিত শিশুক কল্পনা জগতত দোলা দি যায়। চিৰাচৰিত সৰল মনৰ গৰাকী শিশুৰ বাবে সেইবোৰ বৃহৎ ৰহস্যৰো আকৰ। দৰাচলতে এই গীতবোৰৰ ছন্দ লাহী আৰু গতি চপল। শিশুৰ মূল আকৰ্ষণো এই খিনিতেই। ছন্দৰ গতিয়ে শিশুক অগতানুগতিক সোৱাদ দিয়ে। চঞ্চল গতিৰ এনেধৰণৰ অৰ্থহীন কবিতাবোৰ কেঁচুৱা কালৰে পৰ শুনি-গাই-আওৰাই থকাৰ বাবেই হয়তো পৰৱৰ্তী সময়ত আদিপাঠ শিকোঁতে শিশুক ক'ম পৰিমাণে হ'লেও নিশ্চয় সহায় কৰে। সেয়ে শিশু অৱস্থাত কবিতা, নেওটা আদি সকলোবোৰ মনত ৰাখিবলৈ ছন্দৰ আশ্ৰয় লোৱা হয়।

নিচুকনি গীত-মাতত যে কেৱল অসমীয় সাহিত্যই চহকী তেনে নহয়, পৰম্পৰাগতভাৱে পৃথিৱীৰ সকলো অঞ্চলতে এইবোৰৰ প্ৰচলন অৱশ্যেই আছে। উদাহৰণস্বৰূপে, ইংলণ্ডত ঊনবিংশ শতিকাত যেতিয়া Folklore Society স্থাপন হৈছিল তেতিয়াই লোকগীত-মাতবোৰৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি সংকলিত ৰূপ প্ৰদান কৰিছিল। আমেৰিকাত জনগীত-মাত সংগ্ৰহৰ যি অভিযান আৰম্ভ হ'ল তাৰ পথ প্ৰদৰ্শক আছিল স্কান্দিনেভিয়ান দেশ। তেওঁলোকে ইয়াৰ তত্ত্বগত অনুসন্ধান বহু আগতেই আৰম্ভ কৰিছিল। ভাৰতবৰ্ষত এনে লোকসাহিত্যৰ অমিয়া ৰসৰ সন্ধান কৰে কবি ৰবীন্দ্ৰনাথ ঠাকুৰে। অসমতো জোনাকী যুগৰ কবিসকলে বহুবোৰ লোকসাহিত্যক লিপিবদ্ধ কৰিবলৈ চেষ্টা কৰে। মুখপৰম্পৰাৰ পৰা আহি আহি এনেদৰে এই সাহিত্যই লিপিবদ্ধ ৰূপ লাভ কৰে। সাহিত্যিক গুণাগুণৰ ফালৰ পৰা লোকসাহিত্যৰ অন্যতম উপাদান নিচুকনি গীতৰ মূল্য অপৰিসীম। মনঃস্তাত্ত্বিক দৃষ্টিভংগীৰে বিচাৰ কৰিলে এই গীতবোৰৰ প্ৰকৃত তথ্য প্ৰকাশিত হয়। দেখাত একেবাৰে সাধাৰণ যেন লগা এই গীতবোৰৰ আছে বহুতাত্ত্বিক ভিত্তি। অভিজ্ঞতাৰ দ্বাৰা পৰিপুষ্ট একশ্ৰেণীৰ তিৰোতাই স্বতঃস্ফূৰ্তভাৱে সৃষ্টি কৰা এই গীতৰাজিয়েই শিশুক প্ৰদান কৰে নীতি শিক্ষাৰ নতুন পাঠ। আজিৰ শিশুয়েই কাইলৈৰ দেশৰ নাগৰিক সেয়েহে শিশু অৱস্থাৰ পৰাই আমি আটাইয়ে অতি সযতনে দেশৰ নাগৰিক গঢ় দিয়াত আপুৰুযাৰ্থ কৰিব লাগে। সেই সময়ছোৱাত শিশুৰ মন উকা ৰূপত থাকে, তাত যি ধৰণে আঁচ বা সাঁচ দিব বিচৰা হয় তেনে ধৰণেৰে দিব পাৰি। এনেধৰণৰ কথাবোৰৰ প্ৰতি লক্ষ্য ৰাখি আগৰ কালৰ লোকে শিশুক ঘৰতেই ইয়াৰ উপযুক্ত শিক্ষা প্ৰদান কৰিছিল। নিচুকনি গীতবোৰ ইয়াৰে অংশবিশেষ। এনেদৰে আলোচনা কৰি এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে অসমীয়া সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ থকা নিচুকনি গীতবোৰে শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সেয়ে এইবোৰৰ কেৱলমাত্ৰ সাহিত্যিক মূল্যই অপৰিসীম নহয়; বৰং দৈনন্দিন জীৱন পৰিক্ৰমাতো ইয়াৰ নান্দনিক মূল্য অনন্য।

# পোছাক আৰু বিতৰ্ক

**ড° জ্যোৎস্না টকবিপি**
সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ, বি. বৰুৱা কলেজ

ভাৰতবৰ্ষৰ দৰে এখন বৈচিত্ৰ্যতাৰ দেশত মহিলাই পৰিধান কৰা পোছাকক লৈ প্ৰায়ে টেলিভিশ্যন বা সামাজিক মাধ্যমত এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে বিতৰ্ক কৰা দেখা পাওঁ। পুৰুষ বা মহিলাই কি আৰু কেনেধৰণৰ পোছাক পৰিধান কৰিব সেয়া আমাৰ সমাজে বান্ধি দিয়া বা নিৰ্ধাৰণ কৰি দিয়া এক নিয়ম। ভাৰতবৰ্ষৰ দৰে এখন গণতান্ত্ৰিক দেশত সমাজে নিৰ্ধাৰণ কৰি দিয়া বা নিৰ্ধাৰণ কৰি লোৱা পোছাক পৰিধান নকৰিলেই মহিলাসকল বিতৰ্কৰ কেন্দ্ৰবিন্দু কিয় হয়?

বৰ্তমান যুগত পুৰুষ আৰু মহিলা সমানে সকলো ক্ষেত্ৰতে সমানে আগবঢ়ি আহিছে। যদিও অকল মহিলাসকলহে পোছাক পৰিধান কৰাক লৈ বিতৰ্কৰ সৃষ্টি হয়। পুৰুষসকলৰ পোছাক বিতৰ্কলৈ নাহে কিয়? এখন পিতৃতান্ত্ৰিক সমাজ হোৱা বাবেই মহিলাসকলৰ পোছাক বিতৰ্কৰ কাৰণ নেকি? নে ভাৰতবৰ্ষত ভূটানৰ দৰে ৰাষ্ট্ৰীয় পোছাক পৰিধান কৰাটো বাধ্যতামূলক নোহোৱাটোৱে বিতৰ্কৰ কাৰণ?

ভূটান ভাৰতবৰ্ষৰ এখন নিকটৱৰ্তী দেশ। ভূটান পৃথিৱীৰ ভিতৰত আটাইতকৈ শান্তিপ্ৰিয় আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰা, প্ৰদূষণ মুক্ত, কম জনবসতিপূৰ্ণ (২০২১ চন মতে জনসংখ্যা ৭৫৬,১০০) ৩৮,৩৯৪ বৰ্গ কিলোমিটাৰ এখন সৰু দেশ। ভূটানত পুৰুষ আৰু মহিলা উভয়ৰে ৰাষ্ট্ৰীয় পোছাক আছে। পুৰুষসকলৰ পোছাকক ঘো [Gho] বুলি কোৱা হয় আৰু মহিলাসকলৰ পোছাকক কিৰা [Kira] বুলি কোৱা হয়। ৰজা-ৰাণীকে ধৰি সকলো পুৰুষ-মহিলাই ভূটানত ৰাষ্ট্ৰীয় পোছাক পৰিধান কৰাটো বাধ্যতামূলক। গতিকে ভূটানৰ নিচিনা দেশত পোছাক পৰিধান কৰাক লৈ পুৰুষ বা মহিলা কোনেও হয়তো একো বিতৰ্কৰ সন্মুখীন হোৱা নাই। কিন্তু ভূটানৰ দৰে আমাৰ দেশত পুৰুষ বা মহিলাৰ কাৰণে ৰাষ্ট্ৰীয় পোছাক জানো আছে? ভাৰতবৰ্ষৰ প্ৰতিখন ৰাজ্যৰ লগতে প্ৰতিখন জিলাৰ ভিতৰত বসবাস কৰা প্ৰতিটো জাতি-জনজাতিৰ পুৰুষ আৰু মহিলাৰ উভয়ৰে নিজস্ব পৰম্পৰাগত পোছাক আছে। পুৰুষসকলে মাংগলিক অনুষ্ঠান বা প্ৰয়োজনতহে কেতিয়াবা পৰম্পৰাগত পোছাক পৰিধান কৰে। মহিলাই পৰম্পৰাগত নিৰ্ধাৰিত পোছাকৰ সলনি যদি পশ্চিমীয়া দেশৰ পোছাক সময় বা ঠাই বিশেষে পৰিধান নকৰিলেই বিতৰ্কৰ কাৰণ হৈ নপৰে জানো? নে পুৰুষৰ তুলনাত মহিলাৰ পোছাকৰ প্ৰাচুৰ্যতা অধিক হোৱাটো বিতৰ্কৰ আন এক কাৰণ? কাৰণ পুৰুষে অকল পুৰুষৰ বাবে নিৰ্ধাৰণ কৰি দিয়া পোছাক পিন্ধে। কিন্তু মহিলাসকলে কেৱল নিৰ্দ্ধাৰিত পোছাক পিন্ধিবলৈ নিৰ্বাচন কৰি নলয়, মহিলাসকলে মহিলাৰ বাবে নিৰ্ধাৰণ কৰা পোছাকৰ উপৰিও পুৰুষে পৰিধান কৰা পোছাক যেনে লংপেণ্ট, ছাৰ্ট ইত্যাদি

পৰিধান কৰিবলৈ নিৰ্বাচন কৰি ল'ব পাৰে। ধৰি লোৱা যায় যদি এখন কাপোৰৰ দোকানত এহাল সমবয়সীয়া ল'ৰা-ছোৱালীক কাপোৰ কিনিবলৈ দিয়া হয় তেতিয়া ল'ৰাজনে কিনিব বিচাৰিব অকল ছাৰ্ট, লংপেন্ট কিন্তু ছোৱালীজনীয়ে শাৰী, চুৰিদাৰ, স্কাৰ্টৰ লগতে কিনিব বিচাৰিব লংপেণ্ট, ছাৰ্ট, হাফপেণ্ট ইত্যাদি ।

হয় আমি মহিলাসকলে স্বাধীনতা বিচাৰোঁ, স্বাধীনতা পাইছোঁ, স্বাৱলম্বী হৈছোঁ আৰু ইচ্ছা অনুসৰি পোছাক পৰিধানো কৰিব পাৰোঁ নিজৰ পছন্দৰ পোছাক। তথাপিও মোৰ ব্যক্তিগত অনুভৱ আমি যিখন দেশত জন্ম হৈছোঁ আমাৰ কৃষ্টি- সংস্কৃতি অন্য দেশতকৈ পৃথক আৰু চহকী। সময়ৰ লগে লগে আমিও আগুৱাই যাব লাগিব। আমাৰো পৰিবৰ্তন হ'ব লাগিব, কিন্তু সেই পৰিবৰ্তন অকল আধুনিক পোছাক পৰিধান কৰাকে নুবুজায়। আধুনিকতাৰ নামত আমাৰ চিন্তাধাৰাৰ পৰিবৰ্তন হ'ব লগে, কিন্তু আমাৰ কৃষ্টি-সংস্কৃতি সমাজে নিৰ্ধাৰণ কৰি দিয়া ৰীতি-নীতিসমূহো সন্মান কৰি চলাৰ প্ৰয়োজনীয়তা আছে বুলি অনুভৱ কৰোঁ। নিজেই হওঁ বা নিজৰ সন্তানে হওক শালীনতাৰে স্থান-কাল অনুসৰি পোছাক পৰিধান কৰিলে আমি মহিলাসকল কেতিয়াও বিতৰ্কৰ কাৰণ নহ'ম।

> মানুহক খেদি নিবলৈ সহজ, টান হ'ল আগুৱাই নিয়াটো।
>
> — **ৰবীন্দ্ৰনাথ ঠাকুৰ**


# শামুক বোটলা সদ্যস্নাতা

**জিন্টু হাজৰিকা**
সহকাৰী অধ্যাপক
ইংৰাজী বিভাগ, বি. বৰুৱা কলেজ

এই ঘাটৰ সিপাৰৰ বালিত
তাই শামুক বোটলে
ৰ'দে পোৰা দুপৰীয়া
একঁকাল পানীত
ঢৌবোৰ শুনি শুনি
তাই শামুকৰ লগত
মিতিৰালি পাতে
ৰঙা এটা চোলাৰ তলৰ
পেণ্ডুলামৰ মোনাখনত তাই
এটি দুটিকৈ গোটায়
যাযাবৰী জীৱনৰ লগৰী



সিপাৰৰ ঘাটত দুষ্ট ল'ৰাহঁতে
কি কথা পাতে
তাই খবৰ নাৰাখে
থিয় গৰাৰ পৰা
ভালকৈ নমনি
তাইৰ তেজৰঙা প্ৰদেশ
পাহাৰীয়া দেশ
দুচকুত বাৰিষা নে খৰালিৰ আৱেশ
মনিব নোৱাৰি তাই
আবাল-বৃদ্ধা-বণিতা
মণিব নোৱাৰি বাবেই
তাই সদ্যস্নাতা।



# অৰ্দ্ধআকাশ

**সূৰ্য্যকমল বৰা**
(প্ৰাক্তন ছাত্ৰ), বি. বৰুৱা কলেজ
অতিৰিক্ত উপায়ুক্ত, বিশ্বনাথ চাৰিআলি জিলা

আগলতি কলপাতত তেল চাকি জ্বলিছে
ঘৰলৈ লখিমী আহিছে
আইতাই কাক কওঁ কাক নকওঁ কৰিছে

দেওবৰীয়া বজাৰত উমলি থকা
ফ্ৰক এটা আহি এদিন
মোক পৰী সজালে
লগতে লাগি অহা
মিচিকিয়া হাঁহি এটাই
পদুলিৰ জপনাতে বাঁহ ল'লে
চোতালত দেওদি শালিকা হ'লো মই।

ঘন ক'লা জোপোহাৰ মাজেৰে
ওলাই আহে এদিন
ৰঙা বেলি
খমখমীয়া আৱৰণ এটাই
আনিছে উশাহ ঘনাই
গছকালে
কাৰোবাৰ দুহাতে নতুন বাট
কোনোবা দিনৰ হাঁহি
আৰু বিষাদ

চকুত লগা সময় বিচাৰি
এদিন
বোকাবিলত নামিলোঁ
এটা পুঠি আৰু এটা খলিহাই
নাচিলে জাকৈ ভৰাই
চকুত লগা অসময়ে
নতুন বাটটো তিয়াই ৰাখিলে

পথাৰত গজাঁলি
দোপাল পিটা বৰষুণত
টকৌপাতৰ জাপি লৈ
বন্দীত্ব আৰু সতীত্বৰ দোমোজাৰে
নাঙলৰ সীৰলুত জনক নন্দিনী ।

সচাঁনে যাজ্ঞসেনী
পূৰ্ণ আছিল তোমাৰ ভালপোৱাৰ পৰিধি

নদীৰ সেওঁতা ফালি উভতিব কোনোবা সাউদ
অথবা
খণ্ডিত শিলাত উপজিব
সদ্যস্নাতা ৰৌদ্ৰ ৰূপত
অক্লান্ত অৰ্দ্ধআকাশৰ অপৰূপ জোন ।

# নাৰী আৰু সামাজিক সমস্যা

**বনশ্ৰী শৰ্মা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ, বি.বৰুৱা মহাবিদ্যালয়

'A woman is the builder and moulder of a nation's destiny. Though delicate and soft as a lily, she has a heart for stronger than that of man.'

—**বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ**

নাৰী প্ৰকৃতিৰ অনুপম সৃষ্টি, যাৰ অবিহনে এই পৃথিৱীৰ কোনো অস্তিত্ব নাই। নাৰী শব্দৰ মাজত অন্তৰ্নিহিত হৈ আছে নাৰীৰ মমতা, সৌন্দৰ্য, সাহস আৰু ত্যাগ। নাৰী এগৰাকীক সৃষ্টিৰ ভঁড়াল বুলিও ক'ব পাৰি। এখন দেশ বা সমাজৰ উন্নতি অথবা অৱনতি বহু পৰিমাণে নিৰ্ভৰ কৰে সেই দেশৰ নাৰীৰ প্ৰগতিৰ ওপৰত। চীনৰ প্ৰতিবাদী লেখক মাও ছে টুঙে কৈছিল- ‘‘অৰ্ধ আকাশ নাৰীৰ হাতত’’। এগৰাকী নাৰীৰ অশেষ কষ্ট, ত্যাগৰ বিনিময়ত ঘৰ আৰু সমাজ উন্নতিৰ দিশত আগবাঢ়িব পাৰে। একোগৰাকী নাৰীৰ সুস্থ মানসিকতা আৰু সাহসে আমাৰ সমাজ তথা দেশ আগবাঢ়ি যোৱাত সহায় কৰে। কিন্তু এখন সমাজ তথা দেশৰ বাবে নাৰীৰ অৱদান কিমান গুৰুত্বপূৰ্ণ সেই কথা যেন এতিয়াও বহুতে গ্ৰহণ কৰিব নোখোজে আৰু নাৰী আৰু পুৰুষৰ মাজত এক বৃহৎ ব্যৱধানৰ সৃষ্টি কৰে। এই ব্যৱধানৰ ফলতেই নাৰীৰ জীৱনত বহুতো সমস্যাৰ সৃষ্টি হয়; যাক এক প্ৰকাৰ সামাজিক সমস্যা বুলিয়েই ক'ব পাৰি।

বৰ্তমান সময়ত দেশৰ প্ৰান্তে প্ৰান্তে নাৰী জাগৰণ, নাৰী সবলীকৰণৰ বাবে বহুতো আঁচনি,আইন, অনুষ্ঠান গঢ় লৈ উঠিছে যদিও ক'ৰবাত নহয় ক'ৰবাত যেন এতিয়াও কেৰোণ লাগিয়েই আছে। আৰু ইয়াৰ ফলতেই নাৰীৰ জীৱনৰ সমস্যা দিনে দিনে কমাৰ পৰিৱৰ্তে বাঢ়িহে গৈ আছে। নাৰী সম্পৰ্কীয় ভয়াৱহ সমস্যাসমূহ তলত উল্লেখ কৰা হ'ল ঃ

**কন্যা ভ্ৰূণ হত্যা ঃ** একবিংশ শতিকাৰ এই আধুনিক সময়তো মানুহৰ চিন্তা-চৰ্চা একেবাৰেই নিম্ন হৈয়েই থাকিল, যাৰ ফলত এতিয়াও দেশৰ প্ৰান্তে প্ৰান্তে কন্যা ভ্ৰূণ হত্যা চলিয়েই আছে। সাম্প্ৰতিক কালত উন্নত প্ৰযুক্তি ‘এমিনোচেণ্টেচিচ’ বা ভ্ৰূণৰ লিংগ নিৰ্ণয়ৰ উদ্ভাৱন হোৱাত ভাৰতত কন্যা ভ্ৰূণ হত্যাৰ বাবে যেন সকলো উঠি-পৰি লাগিল। ১৯৮৪ চনত কেৱল মুম্বাই চহৰতে চল্লিশ হাজাৰ কন্যা ভ্ৰূণ হত্যা কৰা হৈছিল। এই চল্লিশ হাজাৰৰ যোল্ল হাজাৰক হত্যা কৰা হৈছিল এটা মাত্ৰ ক্লিনিকতে। পৰৱৰ্তী সময়ত ১৯৯৪ চনত লিংগ চিনাক্তকৰণ আইন বলৱৎ হৈছে যদিও লিংগ নিৰ্ণয় কৰি কন্যা ভ্ৰূণ হত্যা কৰাৰ ঘটনা কিন্তু কমাৰ পৰিৱৰ্তে বাঢ়িছেহে। মাকৰ গৰ্ভতেই যদি কন্যা সন্তান সুৰক্ষিত নহয় তেন্তে জন্মৰ পাছত যে সুৰক্ষিত হ'ব তাৰ কি বিশ্বাস

**পুষ্টিহীনতা ঃ** কেৱল জন্মৰ আগত বা জন্মৰ সময়তে যে কন্যা সন্তানৰ প্ৰতি বিদ্বেষ, বৈষম্য দৃশ্যমান

তেনে নহয়, জন্মৰ পৰৱৰ্তী সময়ছোৱাও কন্যা শিশুৰ বাবে হৈ পৰে আৰু অধিক দুৰ্বিসহ। এক সমীক্ষা অনুসৰি জানিব পৰা গৈছে যে পুৰুষ শিশুৰ তুলনাত কন্যা শিশুৱে খাদ্যপুষ্টি কম পায়, ফলত অপুষ্টিজনিত বিভিন্ন ৰোগত মৃত্যু হয় কন্যা সন্তানৰ। UNICEF (United Nations International Children's Emergency Fund)ৰ এটা সমীক্ষা অনুসৰি জনা গৈছে যে কেৱলমাত্ৰ পুষ্টিকৰ আহাৰ আৰু চিকিৎসাৰ অভাৱত শতকৰা ২৫টা কন্যা শিশুৰ মৃত্যু হয় সিহঁতৰ ১৫ বছৰ বয়সৰ পূৰ্বেই।

**বলাৎকাৰ ঃ** বলাৎকাৰ এক ভয়াৱহ সামাজিক ব্যাধি, যি সমাজখনক এফালৰ পৰা কোঙা কৰি আনিছে। ভাৰতবৰ্ষ এখন এনেকুৱা ঠাই য'ত পাঁচ-ছয় বছৰীয়া কন্যা শিশুৰ পৰা আৰম্ভ কৰি যাঠি-সত্তৰ বছৰীয়া বৃদ্ধা গৰাকীলৈকে বিকৃত মানসিকতাৰ পুৰুষৰ হাতৰ পৰা কোনেও সাৰি যাব নোৱাৰে। ৰাষ্ট্ৰীয় অপৰাধ তথ্য সংস্থাৰ প্ৰতিবেদনমতে ২০০১ চনৰ পৰা ২০১১ চনলৈ ভাৰতবৰ্ষত শিশু বলাৎকাৰৰ সংখ্যা ৪৮,৩৮৮। যিখন দেশত ধৰ্ষণকাৰীৰ হাতৰ পৰা কণ কণ শিশুও সাৰি যাব নোৱাৰে সেইখন দেশত মহিলাসকল কিমান সুৰক্ষিত সেয়া হয়তো আৰু বেলেগকৈ বুজোৱাৰ প্ৰয়োজন নাই। ২০১২ চনৰ নতুন দিল্লীৰ দলবদ্ধ ধৰ্ষণ আৰু চুইচ ভ্ৰমণকাৰীৰ ওপৰত চলোৱা অত্যাচাৰে সমগ্ৰ বিশ্বৰ প্ৰচাৰ মাধ্যমত প্ৰকাশ লাভ কৰাৰ পিছত চীনৰ চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছিল "ভাৰতবৰ্ষ নাৰীৰ বাবে অসুৰক্ষিত" ভাৰতীয় হিচাপে এয়া আমাৰ সকলোৰে বাবে এক লজ্জাজনক ঘটনা। প্ৰত্যেকদিনাই ৰাস্তা-পদূলিত, কৰ্মস্থানত কিমান মহিলা মানসিকভাৱেই হওক বা শাৰীৰিকভাৱেই নিৰ্যাতিত হৈছে তাৰ কোনো ইয়ত্তা নাই। বাছ বা অন্যান্য যান-বাহনত অকলে যাত্ৰা কৰাৰ সময়ত মহিলা একোগৰাকীয়ে দহবাৰ ভাবিও পিছুৱাই আহিবলগীয়া হয়, অন্ধকাৰ গলি এটাৰে যাবলগীয়া হ'লে বুকুত কিমান ভয়ে থিতাপি লয় সেয়া কেৱল এগৰাকী মহিলাইহে বুজে। মুঠতে কোনো স্থানতে মহিলা সুৰক্ষিত, নিৰ্ভয় নহয়। বনকৰা কিশোৰী তথা মহিলাৰ পৰা আৰম্ভ কৰি টিউচন শিক্ষকৰ ওচৰত কণমানি ছাত্ৰী এগৰাকীলৈকে কোনো সুৰক্ষিত নহয়। নাবালিকা বলাৎকাৰ, বনকৰা কিশোৰীক বলপূৰ্বক ধৰ্ষণ, বিভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণত মহিলাক দলবদ্ধ ধৰ্ষণ আদি যেন এতিয়া তেনেই সাধাৰণ নিত্য নৈমিত্তিক ঘটনা হৈ পৰিছে। মুঠতে মানৱৰূপী দানৱবোৰে মহিলাৰ জীৱন দুৰ্বিসহ কৰি তুলিছে।

**সামাজিক মাধ্যমৰ জৰিয়তে নাৰীক অপদস্থঃ** এগৰাকী নাৰী বিভিন্ন মাধ্যমৰ জৰিয়তে পদে পদে অপদস্থ হৈ আহিছে। কেতিয়াবা যদি চাৰিবেৰৰ মাজত, কেতিয়াবা ৰাস্তাত আকৌ কেতিয়াবা সামাজিক মাধ্যমত। আজি-কালি সামাজিক মাধ্যমত মহিলাৰ ফটো, নাম ব্যৱহাৰ কৰি বহুতো পুৰুষে ভুৱা একাউণ্ট খুলি সেই মহিলাগৰাকীক বিভিন্ন ধৰণেৰে সমস্যাত পেলোৱাটো যেন এক ফেশ্বন হৈ পৰিছে, এনে কাম কৰি সেই সকল পাশৱিক মানুহে পাশৱিক আনন্দ লাভ কৰে। আকৌ বহুতে মহিলাৰ ফটোত এনে কিছুমান মন্তব্য কৰে যে সেয়া চালে লাজত প্ৰতিজন ভদ্ৰ লোকৰে মূৰ তল হয়, আন কিছুমানে আকৌ বিভিন্ন ধৰণৰ মেছেজেৰে অশান্তি কৰাৰ লগতে ফেচবুক, ইনষ্টাগ্ৰামত বিনা অনুমতিত যিকোনো সময়তে কোনো কাৰণ নোহোৱাকৈয়ে কেৱল মাত্ৰ আমোদ-প্ৰমোদ আৰু আনক হাৰাশাস্তি কৰাৰ উদ্দেশ্যেয়ে ভিডিও কল পৰ্যন্তও কৰে। এনেকৈয়ে মহিলাসকল বিভিন্ন সময়ত বিভিন্ন মাধ্যমেৰে অপদস্থ হৈ আহিছে।

**যৌতুক প্ৰথা ঃ** যৌতুক প্ৰথাই অসমৰ লগতে সমগ্ৰ ভাৰতবৰ্ষতে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ৰাষ্ট্ৰীয় অপৰাধ তথ্য সংস্থাৰ প্ৰতিবেদনমতে ভাৰতবৰ্ষত যৌতুকজনিত কাৰণত ২০১২ চনত ৮২৩৩, ২০১১

চনত ৮৬১৮, ২০১০ চনত ৮৩৯১, ২০০৯ চনত ৮৩৮৩, ২০০৮ চনত ৮১৭২ আৰু ২০০৭ চনত ৮০৯৩ গৰাকী মহিলাৰ মৃত্যু হয়। অৰ্থাৎ যৌতুকজনিত কাৰণত দেশত গড় হিচাপত প্ৰতি ঘণ্টাত এগৰাকী মহিলাৰ মৃত্যু হয়। ইয়াৰ পৰা বুজা যায় যে যৌতুক প্ৰথাই আমাৰ সমাজত বিষাক্তভাৱে হাড়ে-হাড়ে শিপাই আছে। যৌতুক প্ৰথাৰ কবলত পৰি কিমান বোৱাৰীৰ মৃত্যু হৈছে সেয়া উপৰোক্ত তথ্যই ইতিমধ্যে স্পষ্ট কৰিছেই। আৰু যৌতুক দিব লাগে বাবেই পৰিয়ালবোৰত ছোৱালীক বোজা বুলি গণ্য কৰা হয়। যৌতুকৰ বাবেই কি পিতৃগৃহ কি স্বামীগৃহ সকলোতে মহিলা লাঞ্ছিত হয়। শেহতীয়াকৈ অসমত যৌতুকজনিত কাৰণত জোৰোণৰ দিনা বিয়া ভঙা ঘটনা এটা বৰকৈ চৰ্চিত হৈছিল যদিও তৰল মনৰ নিম্ন মানসিকতাৰ মানুহবোৰে গোটেই ঘটনাটো ব্যংগ কৰি তুলিলে আৰু কেইটামান মেচেজত উল্লেখ থকা “চানচিল্ক” চেম্পুটেই ৰৈ গ’ল কথাবোৰ।

**বিধৱা বিবাহ ঃ** যেতিয়া পত্নীৰ মৃত্যু হয় তেতিয়া সেই পুৰুষগৰাকীৰ পুনৰ বিবাহৰ বাবে পৰিয়ালৰ লগতে ওচৰ চুবুৰীয়াও উঠি-পৰি লাগে কিন্তু এগৰাকী মহিলা যেতিয়া বিধৱা হয় তেতিয়া পুনৰ বিবাহটো দূৰৰেই কথা তেওঁক সমাজে হীন চকুৰে চাবলৈ লয়, নীতি-নিয়মৰ শিকলিৰে বান্ধি থয় আৰু এক অত্যন্ত জটিল জীৱন জাপি দিয়ে। ১৮৫৬ চনৰ ২৬ জুলাইৰ দিনা হিন্দু বিধৱা বিবাহ আইনখন গৃহীত হৈছিল যদিও এই একবিংশ শতিকাতো সমাজে বিধৱা বিবাহ ভাল চকুৰে নাচায়, সহজভাৱে গ্ৰহণ নকৰে।

মুঠতে নাৰীৰ জীৱন কেতিয়াও মসৃণ নহয়। নাৰী হৈ জন্ম লভিলে বিপদ-বিঘিনি, সমালোচনা, অযথা নীতি-নিয়ম যেন সহিবই লাগিব আৰু যিয়ে ইয়াৰ প্ৰতিবাদ কৰে তেৱেঁই সমাজৰ দৃষ্টিত বেয়া নাৰী। তথাপি কিন্তু ইমানবোৰৰ মাজতো বহুতো নাৰী নিজৰ কৰ্ম আৰু সৎ সাহসৰ জৰিয়তে নিজেও জিলিকিছে আৰু সমাজ তথা দেশকো জিলিকাইছে।

যি বংশত স্ত্ৰীজাতি পূজিত হয়, তাত দেৱতাও প্ৰসন্ন হয়; দেৱতা প্ৰসন্ন হ’লে অভীষ্ট ফল লাভ হয়। কিন্তু যি বংশ বা পৰিয়ালত নাৰীৰ অসন্মান হয়, তাত দেৱতাৰ উদ্দেশ্যে অৰ্পিত যাগ-হোম প্ৰভৃতি নিস্ফল হয় ।

**— মনুস্মৃতি**

# My Mother's Replica

**Krishnakhi Bhagabati**
Deptartment of History
B. A. 6th Semester

Today, I drape the saree. Similar to mother, my

The bindi too adornes my facial features As day by day, I grow to look more like her.

The loose hairbun,

Some where hides my youthful elegance. And reeflects my Lack of self time.

However, today I strive to be. My mother's replica..

The kohl that I draw on my eyes, Reminds me of her strong will and love. The sacrifices she made, the

The hardships she faced. walking down the streets

where she held. hand,

my Today I take steps holding onto her dreams. Her dreeam of exploring the world,

flo cultures and variations.

But how iconical it is

That a world so big Seems inadequate compared to My mothere. my world;

Therefore today, I immerse myself unto her as I strive to be My Mother's replica.



# Can Women in India Hope?

**Shalini Barman**
4th Semester
B.A (H) English, B.Borooah College

"In a patriarchal society like ours, women have to fight for a seat in the table. Boys are privileged over girls from birth. Equal opportunities and access for both men and women must become the norm."

**- Shabana Azmi**

Indian women continue to live in a patriarchal, male-dominated society where most of their actions are performed under the eyes of "their male guardian."Between the restrictions put up by society and male family members, there is barely anything women can do to practice freedom and independence. Women are indeed standing up for their choice, but the proportions are far less than acceptable.

The passing of responsibility from a father to a brother, to a husband and finally, to a son is a conventional path imposed on women. In a patriarchy, men are supposed to be the decision-makers,the protectors, and the "sole earners." At the same time, women are a part of the men's entitled property; women are indoctrinated to accept the position of the weaker sex and need men's protection. This position of power structure has remained the same since the primitive age. In other societies, more noticeable in first-world countries, some women enjoy more freedom than the rest. One of the reasons could be the better economic conditions resulting in better education and, thus, awareness regarding gender equality. In countries like ours, gender inequality is one of the root reasons for the lagging economy. So,despite being the second most populated country in the world, India still has not been able to use its human resources to its fullest potential because the race for bare sustenance ranks higher than gender sensitisation. So, the traditional father's law also sustains.

For women to gain freedom of choice, they need to get financial as well as ideological independence. It is easier to say that gaining financial freedom is more difficult than ideological freedom, but it is often the opposite. Financially independent Indian women are commonly seen to still ask for the male guardian's permission. Hence, these women remain emotionally and ideologically dependent on their families for support and validation. Furthermore, one can mostly notice that in Indian society, a single, financially independent woman cannot even leave for her workplace without the male guardian's

permission; any act otherwise is frowned upon in society. Thus, working women are doubly burdened as they must contribute to both finances and household chores.

On the one hand, women's unpaid household chores often go unappreciated and unacknowledged; on the other hand, if a working woman fails to perform her duties within the home, her work outside is mostly unaccepted and discouraged. Thus, while women may still gain freedom by earning independently, they are bound by societal traditions and standards.However, in such circumstances, one sees hypocritical men-the "male guardians"- who do not budge to get a glass of water at home and sometimes do not even have paid jobs outside. Instead of criticism, unfortunately, men such as these are praised for their hypermasculinity.

It is very questionable why society is so afraid of women's freedom. One of the very first instant women are denied education as girl children, especially in rural areas, and the few who get the primary education end up being married early. In a country where wealth is divided unevenly, and a large part of the population is below the poverty line, parents often choose not to educate girls as marriage is considered a more lucrative offer. It is believable that the culturally followed tradition of the son taking care of the parents with his wife and the daughter marrying and settling away could be the very root cause behind the inequality most Indian parents carry in their hearts. Daughters are often culturally called "parayadhan", meaning "someone else's wealth." Also, many parents prefer to use the money that could be used in a girl's education to save up money for her dowry, in India widely the parents of the bride often need to accumulate a large sum of money in the form of a dowry to give the family of the groom, here marriages usually take the form of an economic transaction; dowry is decided by the groom and his family based on the amount of money he earns and wealth he possesses. In most such cases,women are the ones who suffer the most, where their value is undermined, and they are not even given the proper right to choose. Their very first right, the right to be educated, is taken away from them, which drives them further away from being their decision maker. Most women's lives are laid out in conventions and age-old male hegemonic traditions. A woman's aspirations and dreams are not even considered a possibility.

Women are captivated by the normative roles of a daughter, a wife and a mother. Did it never occur to anyone that a woman might reject these ideas of conventional femininity or gendered roles and choose to be something different? Even when women follow their dreams, they are expected to carry forward the traditional gendered roles too. When a woman rejects such ideas, she is often vilified. Women who choose unconventional paths often find themselves at the butt-ends of hatred. They are termed "bad women" or "loose women"; women who are meek and silently adhere to the dominant power structure are labelled "good women."

One of the common topics usually discussed regarding women is their attire. If it is not enough to be objectified by the male gaze, the womanneedstotakeprecautionsto

not "tempt" the men with their way of dressing. Such absurd ideas only take away the guilt from male victims and male-dominant practices. Such beliefs lead to cases like molestation, rape and eve-teasing. Women are taught to be quiet and suppress their feelings when subjected to such oppression. Rape victims are often looked at in disgust and are ultimately treated as outcasts of society. When they need the utmost emotionally to cope with the trauma, they are questioned and blamed instead. Her "immodest clothing" is deemed the cause. If that had been the case, 6-month-old baby girls or women wearing burkhas would never have been raped. Sadly, in most cases, the (male) offender escapes any kind of scrutiny or punishment.

Feminist movements in India play a huge role in representing the changes in that have been taking place in the country. They have also brought positive changes in the dynamics of men's and women's position in society. While it is difficult to change how the patriarchal society works completely, there have been constant efforts throughout the years, essentially from when women started to speak upon making reforms on women's education and social norms in the 19th century, the emergence of independent women organisations during the time of independence, when women started to come out from their homes. Later, the movement begins to focus more on mass problems related to women like getting fair treatment at home, in a marriage, at work and in the society at large. While most of the feminist movements in the west initially started demanding the right to vote, we as Indian women, are lucky as Indian democracy has given every individual citizen of India, irrespective of their gender, the right to vote from the very first day of independence.

The deep trauma and turbulence our women face daily cannot be thought of but only felt. While many women still suffer a lot due to patriarchy, we need to support and appreciate the women who are paving the way for other women to stand up on their own feet so that womenkind can break the cycle of generational trauma together. We must remember that once, an inhumane sacrifice like sati was also prevalent in pre-independent India. Still, we have almost been able to end it with the help of social reformers like Raja Ram Mohan Roy. Putting an end to patriarchy is a long battle which will take its time. While many of the previous feminist movements in India focused on upper-caste, upper-class women, it is time to work for the betterment of the marginalised women.

Like the "snowball effect," society is changing; many organisations and foundations now focus on working on feminist rights in India. People are gradually evolving with newer and better mentality than ever before. Attitude towards women is also witnessing a positive change. Nevertheless, we should be aware of the problems women of the country face. We should spread this awareness around us. A hope, that women will be able to live in a society without being not as the lesser sex and receive equal opportunities sans gender discrimination, should always burn in our hearts. After all, it is upon us how we choose to fight inequality and oppression.

# Report of the General Secretary
# B. Borooah College Women's Forum (2021-2023)

The B.Borooah College Women's Forum was formed with a view to take up women's issues and problems by creating awareness about their rights and duties. It also aims at providing platform for women to share their experiences and views regarding their status in the society. For intellectual and social upliftment of the female employees as well as girl students, the forum stands for facilitating women's empowerment through guest lectures, awareness programmes and other welfare activities.

At present BBCWF has 46 members and the executive body of the forum is constituted with the following members :

| | | |
|---|---|---|
| **Chief Patron** | : | Dr Satyendra Nath Barman<br>Principal, B. Borooah College |
| **Advisors** | : | Prof Sumanta Borthakur<br>Vice Principal, B.Borooah College<br>Dr Pranati Devi<br>Dr Abhigyan Prasad |
| **President** | : | Ajanita Dutta |
| **Vice-President** | : | Dr Kalpita Bujarbaruah |
| **General Secretary** | : | Dr Anjana Bhattacharya |
| **Asst. General Secretary** | : | Dr Anu Rani Devi |
| **Treasurer** | : | Dr Trishna Rani Bora |
| **Members** | : | Dr Sucharita Dey<br>Dr Ripa Kataki<br>Dr Rupa Baruah<br>Dr Juri Das Choudhury<br>Pinky Das<br>Dr Kabita Chiring |
| **Editors ( Khoj)** | : | Dr Gitanjali Das<br>Dr Sumana Das |

The BBCWF has initiated various activities during the session 2021 - 2023. Some of the activities conducted by the forum are listed below :

**On 8th March 2021,** BBCWF celebrated International Women's Day with a day longporogramme. Mrs Anu Mandal, Proprietor of Ava Creation and a renowned woman entrepreneur in the field of handloom and textile industry was invited as a special guest. She delivered a talk on" WomenEmpowerment and Skill Development" and also interacted with the faculty members and the students. The discussions mainly took place on different aspects of women entrepreneurship. To mark the celebration, a painting competition was also organised in

the theme " Status of Women in Contemporary Society" and the winners were awarded in the programme on 8th March.

On the same day a **farewell programme** was also organised and retired members of the Forum-Dr Jolly Deka Majumder and Prof Mina Barman Kakati was felicitated.

**On 30th October 2021**, BBCWF organised anInteraction and Discussion programme on "Cyber Security and Cyber Safety" in Collaboration with C.I.D Branch, Assam Police. SP Sri Pranab Jyoti Goswami and DSP Sri Punamjit Nath of C.I.D Branch, Assam Police talked on different pros and cons of Cyber security and Cyber safety. The discussion was followed by interaction with the audience present. They also answered many queries raised by the audience.

The forum organised a Cake icing and Cake Decorating workshop on 14th February 2023. The workshop was conducted by Ms. Bhagyashree Sarma. The workshop was followed by a hands on practice session. Both the faculty members and students actively participated in the workshop.

To mark the celebration of **International Women's Day on 8th March 2022**, Mr. Momojit Roy, a renowned fitness trainer and instructor was invited to speak on "Daily Fitness". He talked on how to keep oneself healthy and also shared some tips to maintain fitness. The talk was followed by an interaction session.

On the same day a group of members of BBCWF visited the **"Sishu Ashray Sthall"** a shelter for the child victim of cancer and their guardians, who are unable to stay on their own at Guwahati to take the lengthy treatment of cancer. due to financial hardships. The forum offered some eatables and daily use items to them and spend a fruitful evening interacting with them. This AshraySthall is run by a well known NGODeepsikha, who is working for cancer patients.

A farewell programme was arranged on 20th December 2022, for retired members of the Forum :Dr.Maina Sharma, Prof Amulya Ch. Das and Dr. Bharati Goswami. They were felicitated on their successful completion of service life and a short programme was organised in honour of them.

In connection with the celebration of **International Women's Day 2023,** BBCWF had organized an on the spot Essay Writing competition on 3rd March 2023 and an on the spot Poster Making competition on 4th March,2023. The topic of Essay Competition was " Gender Equality and Technology and the theme of Poster Making competition was " Women Empowerment.

I offer my sincere thanks and gratitude to all members of BBCWF for their help and support in organising various activities of the forum. Special thanks to the executive committee members, without whose constant guidance and active participation it would not have been possible for me to run the activities efficiently. I hope in the coming days the students, teachers, community peoples will be immensely benefitted by the activities of the Women's Forum. Every step of the forum will be highly rewarding one, I am sure of it. Wishing BBCWF a shining future.

Thank You.

**Dr. Anjana Bhattacharya**
Secretary, BBCWF




বি. বৰুৱা কলেজ মহিলা গোট
SBI Life


INTERNATIONAL WOMEN'S DAY
CELEBRATION
8TH MARCH, 2022
An Interactive Session on
Daily Fitness
Ways to Remain Healthy in Everyday Life
Speaker : Mr Momojit Roy
Internationally Certified Fitness Coach
Organized by
B.Borooah College Women's Forum
Venue: Lecture Gallery
Time: 12:00 PM
OPPO F19 Pro
2022/03/08 12:56


Interaction and Discussion Programme
on
Cyber Security and Cyber Safety
Organised by
B. Borooah College Women's Forum
In association with
C.I.D. Branch, Assam Police
Date : 30-10-2021
Time : 1-15 PM
Venue : Lecture Gallery
B. Borooah College

